## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, [illegible] | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: [illegible] IV, V, VI, VII, VIII [illegible] | Condition of the original: Brittle. |
| Remarks: [illegible]. 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# সূচী


| বিষয় | লিপি |
| --- | --- |
| মৌলি বিজ্ঞান | ৩৩৭ |
| অন্নদাতার কথা | ৩৩৮ |
| আত্মার প্রকাশ | ৩৪৩ |
| | ৩৪৬ |
| [illegible] চিত্রের সত্যাশ্রিতের | ৩৪৭ |
| বিনোবাজি সাধু | ৩৪৯ |
| ধর্মনীতি | ৩৫৭ |
| তোমরাই জননী হও | ৩৫৮ |
| [illegible]দের চোখের জুলনী | ৩৯২ |
| গান ~~[illegible]~~ | |

# মোৰ বিহুৱান।

ওলাম গছৰপৰা    কপৌ পাহিয়ে,
কাঁইটৰপৰা কেতেকীয়ে;
গহীন নাহৰ-ফুলে    মিচিকি হাঁহিৰে
বিহুৰ বাতৰি আনি দিয়ে।

কুলিয়ে ডালৰপৰা    জনাইছে পুহু,
কুহু মাতে বিহু সমাগম,
বৰ্হমঠুৰিয়ে চোৰা,    বিহু-সমাদৰ,
গাভৰুৰ লভিছে মৰম।

মাখিয়তী, ছাত লে,    গৰখীয়াইতে
বিহুবোধ দিছে গোধনক,
পদূলিত জাগ, ন    পঘা গোহালিত
দেখি তেওঁ শুধিছে মনক।

গামোছা চেলেং দুয়ো    ৰিহুৱানৰূপে
ঘৰে ঘৰে আদান প্ৰদান,
চেনেহৰ জলপান    আদৰ মিহলি
সেয়ে সজ বিহুৰ সন্মান।

জেতুকা বঙেৰে বঙা    হাত ভৰি নখ,
ঢোল পেঁপা টকা লৈ হাতে,
দিনত গছৰ তলে    নিশা চোতালত
নাচোন, হুচৰি নাম সতে।

নব বৰষত সৰে    আদৰি-সাদৰি
সম্ভাষিছে বিহু বহাগৰ
লোৰা মোৰো অন্তৰৰ    অকৃত্ৰিম এই
প্ৰীতি ভৰা স্নেহ-উপহাৰ।

শ্ৰী——।

---

# সম্পাদকৰ চৰা।

আমি আসামৰ নতুন চেন্সচ্ ৰিপৰ্টখন দুৰ্ভাগ্যবশতঃ দেখা নাই। কিন্তু সিদিনা আমাৰ এজন বিশিষ্ট বন্ধুৰ মুখৰপৰা শুনিলোঁ যে তাত লেখা হৈছে, যে শঙ্কৰদেৱ হেনো দামোদৰ দেৱৰ শিষ্য হোৱাটোহে সম্ভৱ! হৰি হৰি! সত্যৰ অপলাপও এনে প্ৰকাৰে হয়! অৱশ্যে গৱৰ্ণমেণ্টৰ কিতাপত এই ভুল ঘটিছে আমাৰ দেশৰ কোনো কোনো মানুহৰ চক্ৰান্তত। দেশীয় "অফিচৰ" বা দেশীয় লোক বাৰ মুখৰপৰা আসাম গৱৰ্ণমেণ্টৰ ইংৰাজ বিষয়াই এই কথা শুনি কিতাপত লেখিছে, তেওঁলোকে স্বাৰ্থ সিদ্ধি কৰিবলৈ যে এনে ঘটাইছে সেইটো বুজিব পাৰিছোঁ। আগেয়েও এনে ঘটনাচক্ৰত পৰি ভুল কৰি চেন্সচ্ ৰিপোৰ্ট লেখক ইংৰাজ বিষয়াই মহাপুৰুষ শঙ্কৰ দেৱক চৈতন্যৰ শিষ্য পাতিছিল। এতিয়া জানিবা সেই ভুলৰ শুধৰণী হল। দামোদৰ দেৱক শঙ্কৰ দেৱৰ গুৰু বোলা কথা শুনি তাহানি শ্ৰদ্ধাস্পদ দ্বাৰিকানাথ গোস্বামীয়ে লেখিছিল যে "এইটো পিতামহক গৃহবাস শিকোৱাৰ নিচিনা কথা।" আমিও কওঁ, এবা। কোনোৱে পাৰিলে তেনে কামলৈকো হাত মেলে।

* * * *

মিছা Hydra-headed monster অৰ্থাৎ জানিবা দহ মূৰীয়া ৰাৱণ, সি সহজে নমৰে; তাৰ কটা মূৰ আকৌ বাৰে বাৰে জোৰা লাগি সি হুংকাৰ মাৰি উঠে। কিন্তু কিছুকালৰ পিছত তাৰ মৃত্যু অনিবাৰ্য্য। ৰাৱণৰ মৃত্যুও নহৈ নাথাকিল। সি যিহওক, যদিও কোৱাকে কোৱা হব, কটাকে কটা হব, চোবোৱাকে চোবোৱা হব, আজি আমি পুৰণি কথাবোৰ আকৌ ন-কৈ কৈ ৰাৱণৰূপী মিছাক বধ কৰিবলৈ ওলাইছোঁ। যি আকৌ ন-কৈ এই ৰাৱণ বধ চাব নোখোজে, তেওঁ এই বাৰৰ "সম্পাদকৰ চৰা"ত নবহি আন আন প্ৰবন্ধৰ পদূলিলৈ যেন যায়, এই প্ৰাৰ্থনা।

* * * *

একেবাৰে থুলি কওঁ যে "গুৰুলীলা" নামৰ পুথিত শঙ্কৰদেৱৰ বিষয়ে যি



আছে সি অসংলগ্ন আৰু সহজ গতিৰ বিৰোধী। আমাৰ কথা দুটি এটি উদাহৰণেৰে বুজাওঁ:—(১) গুৰুলীলাৰ মতে দামোদৰ দেৱ বিষ্ণুৰ অৱতাৰ, শঙ্কৰদেৱ শিৱৰ অৱতাৰ। শিৱক বিষ্ণুৱে আগেয়ে বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ পঠিয়াই দি, পিছত তেওঁ শিৱৰ অৰ্থাৎ শঙ্কৰদেৱৰ "আজ্ঞাকাৰী" "অনুবৰ্ত্তী" হৈ সেই ধৰ্ম্মকে প্ৰচাৰ কৰিলে। অথচ হেনো শঙ্কৰদেৱৰ পৰা দামোদৰ দেৱে ধৰ্ম্ম পোৱা নহয়! গুৰুলীলাই, শঙ্কৰৰ পত্নী আৰু বংশ পৰিয়ালক দামোদৰ দেৱেহে শৰণ কৰালে বুলি কয়; তাৰ মানে বুজি লব লাগিব যে বুঢ়ী বা আদহীয়া বয়সলৈকে শঙ্কৰৰ পত্নী আশৰণীয়া হৈ আছিল। যি হওক, গুৰুলীলাইও শঙ্কৰক দামোদৰৰ শিষ্য পাতিবলৈ হাত মেলিব নোৱাৰিলে। উজনিৰ দামোদৰীয়া সত্ৰৰ প্ৰধান আচাৰ্য্য গোসাঁয়ে কয় যে দামোদৰ দেৱৰ দ্বাৰাই স্থাপিত বা তেওঁৰ মতাৱলম্বী প্ৰধান সত্ৰত তন্ত্ৰ মন্ত্ৰ দেৱ দেৱীৰ উপাসনাৰ প্ৰাদুৰ্ভাৱ। অথচ এইটো সৰ্ব্ববাদীসম্মত যে শঙ্কৰদেৱে আৰু দামোদৰ দেৱে আন দেৱ দেৱী পূজাৰ কাষলৈকে নগৈছিল। গুৰু লীলাতে এই কথাৰ জ্বলন্ত প্ৰমাণ আছে।

* * * *

(২) "গুৰুলীলাকে" আদি কৰি দামোদৰীয়া সম্প্ৰদায়ৰ গ্ৰন্থই কয়,—দামোদৰ দেৱৰ সপৰিবাৰক শঙ্কৰদেৱে দামোদৰদেৱৰ জন্মৰ আগৰপৰা জানিছিল আৰু দামোদৰে ডেকালৈকে শঙ্কৰৰ ওচৰত ধৰ্ম্ম কথা শুনি কটাইছিল। আৰু শঙ্কৰদেৱৰ আজ্ঞা বা পৰামৰ্শমতে তেওঁ শঙ্কৰদেৱ যোৱাৰ পিছত বৰদোৱাৰ নলচা এৰি ভটীয়াই গৈ পাটবাউসীত শঙ্কৰদেৱক লগ ধৰিছিল গৈ। ইত্যাদি। এইটোৰ দ্বাৰাই কোন, কাৰ দ্বাৰাই অনুপ্ৰাণিত, বা শিষ্য হোৱা দেখুৱালে? যি হওক, শঙ্কৰদেৱৰ চৰিত্ৰত কিন্তু এই কথাৰ লেশ মাত্ৰ নাই; বৰং পাটবাউসীত শঙ্কৰদেৱৰে সৈতে তেওঁৰ প্ৰথম পৰিচয়ৰ হে কথা আছে। যদি বোলা, শঙ্কৰৰ চৰিত্ৰ লেখকে এই কথা গোপন কৰিছে, আমি শোধোঁ, কিয়? কি অভিপ্ৰায়ত? শঙ্কৰদেৱ বৰদোৱা আৰু ধুৱাঁহাটত থাকোঁতে তেওঁৰ ওচৰলৈ অহা-যোৱা কৰা তেওঁৰ সপক্ষ বিপক্ষ ইমানবিলাক ব্ৰাহ্মণৰ নাম ধাম কাৰ্য্যকলাপ চৰিত্ৰলেখকসকলে দিছে, দামোদৰ দেৱ আৰু তেওঁৰ পিতা সদানন্দ

দ্বিজৰ নাম উল্লেখ নকৰিবৰ কাৰণ কি? বৰং দামোদৰদেৱে শঙ্কৰদেৱৰ ওচৰলৈ সৰুৰেপৰা আহি থাকি দিনৌ ধৰ্ম্মৰ কথা শুনি তেওঁৰপৰা শিক্ষা পোৱা কথাটো ঢোল পিটি শুনাই শঙ্কৰদেৱৰ বাহাদুৰী প্ৰকাশ কৰাটোহে শঙ্কৰচৰিত্ৰ লেখকৰ পক্ষে স্বাভাৱিক।

*  *  *  *

শঙ্কৰদেৱৰ প্ৰিয় ভায়েক ৰামৰায়ে দামোদৰ দেৱক পাটবাউসীত মাটি বাৰী দি সহায় কৰি শঙ্কৰদেৱৰ ওচৰত পতাটোও শঙ্কৰদেৱৰ গৌৰৱ বা সুখ্যাতিৰ হে কথা। কিন্তু এনে কথাৰ, শঙ্কৰদেৱৰ চৰিত্ৰলিখকসকলে বাতৰি নিদিয়ে কিয়? শঙ্কৰদেৱৰ বাহাদুৰী প্ৰকাশৰ এই এটা সুবিধা তেওঁলোকে এৰি দিলে কিয়? যৱন ভক্তক পৰ্য্যন্ত সাৱটি ধৰা চৈতন্যই শঙ্কৰদেৱক শূদিৰ বুলি দেখা নকৰা বুলি অতি অসঙ্গত কথা দামোদৰীয়া চৰিত্ৰ লিখকে কয় কিহৰ নিমিত্তে? এই কথা গছত-গৰু-উঠা হোলোভাৱে কাণ-বিন্ধোৱাৰ শাৰীৰ নহয় নে?

*  *  *  *

বংশীগোপালদেৱে শঙ্কৰদেৱৰ ওচৰত শৰণ লবলৈ আহিল; কিন্তু শঙ্কৰদেৱে তেওঁক শৰণ নিদি দামোদৰদেৱৰ ওচৰলৈ পঠালে বুলি "গুৰু-লীলাই" কয়। আন দামোদৰীয়া চৰিত্ৰ লিখকে, শঙ্কৰদেৱৰ পিছত মাধৱদেৱেহে বংশীগোপাল দেৱক দামোদৰ দেৱৰ ওচৰত শৰণ লবলৈ পঠিয়ালে বুলি এই কথাৰ বিৰুদ্ধে কয়। শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত হে যে দ্বিতীয়বাৰ বংশীগোপালদেৱে ভটীয়াই গৈ শৰণ পাইছে (দামোদৰদেৱৰ ওচৰতেই হওক বা মাধৱদেৱৰ ওচৰতেই হওক) এই কথা সৰ্ব্ববাদী সম্মত। আউনীআটীৰ চলাজন অধিকাৰ পুৰুষেও এই কথা স্বীকাৰ কৰে। দামোদৰদেৱৰে সৈতে মাধৱদেৱৰ বিবাদ লাগে ঠিক শঙ্কৰদেৱ "চলাৰ" পিছতে, শৰাধৰ সময়ত। তাৰ অনেক পিছতহে বংশীগোপালদেৱে শৰণ লয়গৈ। এনে স্থলত, মাধৱদেৱে বংশীগোপালদেৱক নিজলৈ নাৰাখি দামোদৰদেৱৰ ওচৰলৈ পঠিয়াব কিয়? আৰু দামোদৰদেৱৰ ওচৰত শৰণ লৈ অহাৰ পিছত তেওঁ বংশীগোপাল দেৱক বস্ত্ৰ নিৰ্ম্মালি দি, বেলগুৰিত থকা শঙ্কৰদেৱৰ মূৰ্ত্তিখন লৈ যাবলৈ কয় কিয়? তেতিয়া তো তেওঁৰে সৈতে



দামোদৰ দেৱৰ মনান্তৰ পৰা। যদি বোলা, গুৰুবাক্য আছিল দেখি পঠিয়াইছিল। আমি কওঁ, তেনেহলে সেইটো ভালেই হে হল, সেইটোৱে শঙ্কৰ দামোদৰৰ একে ধৰ্ম্ম, আৰু দামোদৰ শঙ্কৰৰ ধৰ্ম্মাৱলম্বী প্ৰিয়ভক্ত, সেই কথাহে নিঃসন্দেহে প্ৰমাণ কৰিলে। এতেকে সাম্প্ৰদায়িক বিদ্বেষলৈ ঠাই কত? দুই দল একে গুৰুঘৰীয়া বৈষ্ণৱ অসমীয়া প্ৰমাণিত হল যেতিয়া দুই দলে এতিয়া একে মতি হৈ হৰিত ভকতি কৰি দেশৰ আৰু নিজৰ কল্যাণ কামনা কৰাই হে ভাল।

*  *  *  *

গুৰিতে বামুণ শূদিৰৰ প্ৰভেদ, আৰু শূদিৰৰ প্ৰতি বামুণৰ বিদ্বেষ আৰু ঘৃণাৰ ভাব যে এই অনিষ্টকাৰী সম্প্ৰদায় ভেদৰ মূল, তাক ঢাকি ৰাখিব খুজিলেও সি ঢাকোন পেলাই দি ওলাই পৰে। ধৰ্ম্ম, বিশেষকৈ উদাৰ বৈষ্ণৱ ধৰ্ম্ম, বামুণৰো অকলশৰীয়া সম্পত্তি নহয় শূদিৰৰো নহয়। এই মহা উন্নত উদাৰ ধৰ্ম্মত জাতৰ সংকীৰ্ণতালৈ ঠাই নাই।

*  *  *  *

মহাপুৰুষ মাধৱদেৱ আৰু তেওঁৰ শিষ্য পৰম্পৰাৰ স্থাপিত আৰু অৱলম্বিত সত্ৰবিলাকক মহাপুৰুষীয়া বোলে, দামোদৰদেৱ আৰু তেওঁৰ শিষ্য পৰম্পৰাৰ স্থাপিত আৰু অৱলম্বিত সত্ৰবিলাকক দামোদৰীয়া বোলে। মহাপুৰুষীয়া আৰু দামোদৰীয়াৰ আদিমূল শঙ্কৰদেৱৰ দিনত এই দুই নামকৰণ হোৱা নাছিল, আৰু এই দুটা সম্প্ৰদায় স্বৰূপে বিভক্ত হোৱাও নাছিল। উজনীৰ দামোদৰীয়া প্ৰধান সত্ৰৰ শ্ৰীশ্ৰীদক্ষিণপটীয়া অধিকাৰ গোস্বামীয়েও কয় "মহাপুৰুষীয়া ও দামোদৰীয়া পূৰ্ব্বে প্ৰায় (?) একে মিল আছিল, যদিও পৰে মাধৱে গণ্ডগোল কৰি কিছু প্ৰভেদ কৰিলে।" (বাঁহী ৪ৰ্থ বছৰ, ১০ম সংখ্যা, ভাদ, ৪৫৯ পিঠি)। আমি বাঁহীত আগেয়ে দেখুৱাইছোঁ, কেনেকৈ শঙ্কৰদেৱৰ পিছত একেটা সম্প্ৰদায় ফাটি দুটা হল। মুঠতে সেই কথাৰ সাৰ উদ্ধাৰ কৰি কওঁ যে—দামোদৰ দেৱক পৰীক্ষিত নাৰায়ণ ৰজাই বিচাৰ কৰিবলৈ বিজয়পুৰলৈ ধৰাই নিয়াৰৰ সময়ত দামোদৰদেৱে তেওঁৰ প্ৰধান শিষ্য আৰু পাটবাউসীৰ অধিকাৰ ভট্টদেৱ কবিৰত্নক উপদেশ দি গৈছিল—"ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক নেৰুৱাবা।

আপুনিও স্নান সন্ধ্যা পূজা আচৰিবা ॥ আপুনি শুনিলা নৃপতিৰ দুঃচেষ্টাক। কৰ্ম্ম এৰিবিলেক বুলি নিয়াই আমাক ॥ একাগ্ৰ ভকতি কৰিবাহা মহাভাগ।" "কৰ্ম্ম এৰিবাৰ নিমিত্তে আমাৰ দেখিও কেনে বিলাই।" এই উপদেশ দামোদৰদেৱে experience-অৰপৰা অৰ্থাৎ দেখি-শুনি-ঠেকা খাই ওপজা জ্ঞানৰপৰা দিছিল। তেওঁৰ উপদেশৰ সাৰ মৰ্ম্ম,—"কৃষ্ণত একান্ত ভক্তি কৰিবা, কিন্তু ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক কাম, আৰু সন্ধ্যা পূজা নেৰিবা. আৰু তুমিও আহি দেখুৱাই সেইবোৰ কৰিবা, কাৰণ, তেনে নকৰিলে, যেনেহে কাল পৰিছে, এনে ৰজাৰ ৰাজ্যত থাকি আমাৰ আচল উদ্দেশ্য ভক্তিধৰ্ম্ম প্ৰচাৰত বিঘিনি হব; তুমি নিজ চকুৰেই দেখিলা, মই ব্ৰাহ্মণৰ কৰ্ম্মকাণ্ড গুচালোঁ আৰু নিজেও সেইবোৰ নামানো নকৰোঁ বুলি ৰজাই মোক ধৰাই নিছে।" প্ৰিয় শিষ্য ভট্টদেৱে গুৰুৰ উপদেশৰ মৰ্ম্ম ভালকৈ বুজি দামোদৰ দেৱৰ পিছত ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক ক্ৰিয়া কাণ্ডৰ মহা ধুম লগাই দিলে; যদিও তেওঁ নিজে সেইবোৰৰ অসাৰত্ব সম্পূৰ্ণৰূপে হৃদয়ঙ্গম কৰিছিল, আৰু নিজৰ উত্তৰাধিকাৰী শিষ্যক স্পষ্টকৈয়ে কৈ দিছিল,—"বিশেষত আৰু প্ৰভু দামোদৰে পূৰ্ব্বত আজ্ঞা কৰিছা। বাহিৰত বেৰা দিয়া অন্তৰত দেখিবা সকলো মিছা। যাতো তুমি সম পণ্ডিত গহন ইটো দেশত নাই। কৰ্ম্ম এৰিবাৰ নিমিত্তে আমাৰ দেখিয়ো কেনে বিলাই। বেৰা দিয়া ভক্তি কৰিবে বুলিছা পূৰ্ব্বে দেৱ দামোদৰে। তাক আচৰন্ত বাহিৰে দেখাণ্ড নুবুজয় অজ্ঞ নৰে।"—( গুৰুলীলা )। আৰু এটা কাৰণ যে, কৰ্ম্মকাণ্ড আৰু পূজা সেৱা নথকা, কৃষ্ণত একশৰণ নামধৰ্ম্ম ভক্তিধৰ্ম্মৰ প্ৰতি ব্ৰাহ্মণসকল আকৃষ্ট নোহোৱা দেখি তেওঁলোকক আকৰ্ষণ কৰি শৰণীয়া কৰিবলৈ আনিবৰ নিমিত্তে ভট্টদেৱে সেই ধৰ্ম্মত কৰ্ম্মকাণ্ডৰ আড়ম্বৰ সুমালে—"কৰ্ম্মৰ ভাগক লোকক দেখাণ্ড আপুনিও আচৰিয়া। বিমুখ বিপ্ৰক সমুখ কৰিলা ভক্তি উপদেশ দিয়া।" ( গুৰুলীলা ১৯৩ পিঠি )। "শ্ৰীভট্টদেৱৰ মহিমাৰ অন্ত কেহোঁ জনে নুবুজিলা। বাহিৰত কৰ্ম্মভাগক দেখাই কেৱল ভক্তি কৰিলা ॥" ( গুৰুলীলা ১৯২ পিঠি )। এইদেখি এই খিনিতে নিৰহ-নিপানী এক শৰণীয়া ভক্তিধৰ্ম্ম আৰু নামধৰ্ম্মৰ ধৰণী মাধৱদেৱৰ মহাপুৰুষীয়া সম্প্ৰদায়ৰে সৈতে দামোদৰীয়া সম্প্ৰদায়ৰ বিচ্ছেদ ঘটিল; দক্ষিণপটীয়া অধিকাৰ



গোস্বামীয়ে কোৱা "মাধৱে গণ্ডগোল কৰি" এই বিচ্ছেদ ঘটোৱা কথা ঠিক নহয়। মাধৱদেৱৰ সম্প্ৰদায়ে শঙ্কৰদেৱৰ পিছত মূল শঙ্কৰী শিক্ষাৰ পথৰ পৰা এচুলি মানও নলৰিছিল; কিন্তু দামোদৰৰ সম্প্ৰদায়ে শঙ্কৰদেৱৰ পিছত, আৰু বেছিকৈ দামোদৰদেৱৰ পিছত, মূল শঙ্কৰী শিক্ষাৰপৰা লৰিল; ফলত দুই সম্প্ৰদায়ৰ মাজত বহল বিচ্ছেদ ঘটিল; এয়ে আচল কথা।

* * * *

৮দক্ষিণপটীয়া অধিকাৰ গোসাঁয়ে কয় "আমি অৰ্থাৎ দামোদৰীয়াই আগম নিগম উভয় মতে চলোঁ। মহাপুৰুষীয়াই নিগম মতে চলে। আগম মতে বলি কাটি বেহাৰৰ ৰজাই পূজা কৰিবলৈ দামোদৰদেৱক আদেশ কৰিছিল, কিন্তু বৈষ্ণৱৰ পক্ষে আগম নিগম মতে জীৱহত্যা নিষেধ। এই বাবেই যে দামোদৰদেৱ তান্ত্ৰিক নহয় তেনে হব নোৱাৰে।" আমি সোধোঁ, বৈষ্ণৱৰ পক্ষে যদি জীৱহত্যা নিষেধ, তেন্তে দক্ষিণপটীয়া গোসাঁই যদি দামোদৰীয়া আৰু বৈষ্ণৱ, তেনেহলে তেখেতে দামোদৰ দেৱে নিদিয়া জীৱহত্যাৰ পূজাৰ মন্ত্ৰ, দীক্ষা, আৰু বিধান শিষ্যক কেনেকৈ দিয়ে? দামোদৰ দেৱে বলিৰ বদলে নিজৰ ডিঙি আগবঢ়াই দিছিল, শিষ্যই তেওঁৰ হকে বলি কাটিব খোজাতো বিষ্ণু বিষ্ণু স্মৰি শিষ্যক তিৰস্কাৰ কৰিছিল! দামোদৰদেৱ যে তান্ত্ৰিক নাছিল, তেওঁৰ ধৰ্ম্ম যে একশৰণীয়া অব্যভিচাৰী বৈষ্ণৱ ধৰ্ম্ম সেই কথা পদে-প্ৰমাণেৰে অনেক বাৰ প্ৰমাণিত হৈছে। সেই ধৰ্ম্মকো যদি তেখেতে তান্ত্ৰিক বুলিব খুজিছে বোলক, কিন্তু তেনেহলে তান্ত্ৰিক শব্দৰ মানেটো সলাব লাগিব। গোসাঁয়ে কৈছে "এই দৰেই আমাৰ পাৰম্পাৰ্য্য চলি আহিছে।" আমি কওঁ, কোনো কাৰণত চলি আহিব পাৰে, কিন্তু দামোদৰদেৱ তান্ত্ৰিক, আৰু সেই প্ৰচলিত প্ৰথা দামোদৰ দেৱৰপৰা আহিছে বুলি কৰৰ অধিকাৰ অধিকাৰ গোসাঁইৰ হাতত থকাটো আমি কোনো মতেই নেদেখোঁ। গোসাঁয়ে কৈছে "বনমালী দেৱ ( দক্ষিণপাটৰ গুৰি ) ভাটীতে ভট্টাচাৰ্য্যত দীক্ষিত হোৱা. বনমালীদেৱৰ জীৱনীত নাই। তেওঁৰ বংশত আগৰ দীক্ষা পূৰ্ব্বৰেপৰা অদ্যাপি চলি আহিছে, তেওঁৰ বংশতে সোৱা বোধ হয়। নতু দামোদৰদেৱৰ পৰাই বলোদেৱ ও পৰমানন্দদেৱ ও গোপালদেৱ দীক্ষিত। বলোদেৱৰ পৰাই দীক্ষিত হয়। যদি দামোদৰদেৱে

দীক্ষা চলোৱা নাছিল, তেনেহলে কুকুৰাবাহি গৱমূৰত দীক্ষিত থকা শুনা যায়; গোপাল দেৱৰপৰা বঢ়া সত্ৰহে।" (বাঁহী, ৩য় বছৰ ১০ম সংখ্যা ৪৫৬ পিঠি)

* * * *

ইয়াৰ উত্তৰত আমি কওঁ যে দামোদৰদেৱে দীক্ষা চলোৱাৰ প্ৰমাণ কোনো প্ৰমাণ্য পুথিত নাই, আৰু কেতিয়াও যে চলোৱা নাই তাৰহে অনেক প্ৰমাণ পোৱা যায়। গোপালদেৱৰ প্ৰধান সত্ৰ আউনীআটীত দীক্ষা নাই, বলি কটা পূজা নাই। কুকুৰাবাহি আৰু গৱমূৰত দীক্ষা থকা কথা তেখেতে শুনিছে হে, তালৈকে কব নোৱাৰে। আমি কওঁ, শুনা কথাৰ ঠেং চুটি আৰু যদি আছে হে, সেই প্ৰথাও যে পিছত কেনেবাকৈ কোনো কাৰণত তাত সোমাইছে গৈ তাত আমাৰ সন্দেহ নাই। বনমালীদেৱ ভাটীতে ভট্টাচাৰ্য্যৰ ওচৰত দীক্ষিত হোৱা কথা যদি তেওঁৰ জীৱনীত নাই, তেন্তে সি টিকে কেনেকৈ ? চলি আহিছে বুলিলে তেওঁ চলোৱাটো প্ৰমাণ কেনেকৈ হব ? গোপালদেৱ বা বংশীগোপাল দেৱে তান্ত্ৰিক দীক্ষাৰ প্ৰণালী মাধৱদেৱ বা দামোদৰ দেৱৰ পৰা কেতিয়াও অনা নাছিল ; কাৰণ তেওঁলোকৰ হাতত সেই ধৰ্ম্ম নাছিল দেখি আনিব কৰ পৰা ? সেই ধৰ্ম্মৰ বিপক্ষে শণাইত অস্ত্ৰহে তেওঁলোকৰ হাতত আছিল। আৰু বংশীগোপালদেৱে যদি ( দামোদৰীয়াসকলৰ মতে ) দামোদৰ দেৱৰপৰাই ধৰ্ম্মক আনিছিল, তেওঁক তান্ত্ৰিক দীক্ষাৰ সমাচাৰ উজনিলৈ লৈ আহিবলৈ মাধৱদেৱে বস্ত্ৰ নিৰ্ম্মালি দি সমাদৰ কৰি কেতিয়াও নপাঠিয়ালেহঁতেন। ( বংশীগোপাল দেৱৰ পন্থীয়া চৰিত্ৰতে এই কথা আছে। ) বনমালীদেৱে বলদেৱ আৰু পৰমানন্দ দেৱৰপৰা ধৰ্ম্মৰ গাদি পাই বেহাৰেতে অধিকাৰ হৈছিল বুলি দক্ষিণপটীয়া গোসাঁয়ে কয়। জখলাবন্ধাৰ অধিকাৰ গোস্বামীয়ে কয় ( বাঁহী ৪ৰ্থ বছৰ, অঘোণ, ১ম সংখ্যা, ১৫ পিঠি ) "সেই পৰমানন্দ দেৱৰ বংশ আমি। দামোদৰ দেৱৰ ধৰ্ম্ম আমাৰো। কিন্তু সেই বুলি আমি শাক্ত শৈবাদি পন্থত দীক্ষা দিয়াৰ নিয়ম পোৱা নাই। আৰু শিষ্যক ছাগলী কাটিবলৈ শিকোৱাৰো নিয়ম পোৱা নাই। আমাৰ সত্ৰত কেৱল বৈষ্ণৱ পন্থৰ দীক্ষা হয়। সত্ৰত সৰ্ব্বদা চাৰি প্ৰসঙ্গ নাম কীৰ্ত্তন হৈ থাকে। শঙ্কৰদেৱে কৰা ঘোষা কীৰ্ত্তনকে গোৱা হয়। কেৱল তাৰ লগত আমাৰ গোসাঁই সকলে কৰি থৈ যোৱা গীত ও মাজে মাজে গোৱা হয়



এতেকে এক মাত্ৰ ভাগৱতাদি বৈষ্ণৱ শাস্ত্ৰৰ দ্বাৰাই শঙ্কৰে ধৰ্ম্ম প্ৰচাৰ কৰিছিল ; সেই মতকে সমৰ্থন কৰি দামোদৰদেৱেও চলাইছিল, শঙ্কৰে কৰা নাম কীৰ্ত্তনকে গাইছিল। প্ৰকৃত যি ধাৰা প্ৰথম শঙ্কৰে চলালে তাক মহাপুৰুষে কৰা দেখি মহাপুৰুষীয়া বোলে, আৰু দামোদৰদেৱে বেলেগে সত্ৰ কৰি যি ভাগ চলাইছিল তাকে দামোদৰীয়া বোলে। এতেকে উভয়ৰে ধৰ্ম্মমত একে।" গুৰুলীলাত লেখা শঙ্কৰৰ "আজ্ঞাকাৰী" আৰু নীলকণ্ঠদাসকৃত দামোদৰ চৰিত্ৰত লেখা "অনুবৰ্ত্তী তোমাৰো ( শঙ্কৰৰো ) আমিও ( দামোদৰ ) হৈবো যাই" এই কথাৰে সৈতে জখলাবন্ধা সত্ৰৰ অধিকাৰ গোসাঁইৰ কথাৰ সম্পূৰ্ণ মিল। ওপৰৰ কথাই দামোদৰ শঙ্কৰৰ গুৰু হোৱা কথা কেনে প্ৰমাণ কৰিলে দেখিলা এতিয়া ! !

* * * *

জখলাবন্ধা গোসাঁইৰ মতে দামোদৰ আৰু শঙ্কৰৰ ধৰ্ম্ম একে আৰু দুই ধৰ্ম্মৰ মিল। অমিল এই খিনিতে যে শঙ্কৰদেৱে দীক্ষা ( ভাগৱতী বৈষ্ণৱ দীক্ষা ) নিদিছিল, কাৰণ তেওঁ শূদ্ৰ দেখি হিন্দুশাস্ত্ৰমতে দীক্ষাৰ অধিকাৰী নাছিল, আৰু দামোদৰদেৱ ব্ৰাহ্মণ দেখি দীক্ষাৰ অধিকাৰী হৈ তেওঁ শিষ্যক দীক্ষা ( সকল বিষ্ণুমন্ত্ৰত হে, শাক্ত, শৈৱ, সৌৰ, গাণপত্যত নহয় ) দিছিল। * * দেৱদামোদৰৰ ধৰ্ম্ম প্ৰকৃতই ভাগৱতী আৰু মহাপুৰুষীয়াৰো ধৰ্ম্ম ভাগৱতী।" জখলাবন্ধা গোসাঁয়ে শাৰদতন্ত্ৰ, পঞ্চৰাত্ৰ তন্ত্ৰ, বৃহদ্গৌতমি, শ্ৰীমদ্ভাগৱত আৰু ভট্টদেৱ কবিৰত্ন কৃত শৰণমালিকা আদিৰ প্ৰমাণ দি, শ্ৰীশ্ৰীযুক্ত দক্ষিণপটীয়া গোস্বামীয়ে আগম নিগম দুই মতে চলা, আৰু শাক্ত শৈৱ সৌৰ গাণপত্য মন্ত্ৰেৰে দীক্ষা দিয়া আৰু বলি নাটি দেৱী পূজা কৰা, ইত্যাদি কথাৰ অসাৰত্ব দেখুৱাই বিস্তৰ সাৰ কথা লেখিছে, সেইবোৰ বাহুল্যৰ ভয়ত আমি ইয়াত নুতুলিলোঁ, যাৰ ইচ্ছা হয় সেই সংখ্যা বাঁহী পঢ়িব পাৰে।

* * * *

শ্ৰীশ্ৰীযুত দক্ষিণপটীয়া গোসাঁয়ে কৈছে "সত্ত সম্প্ৰদায় শাস্ত্ৰত লেখা মতে দামোদৰ দেৱক শ্ৰীচৈতন্যই সৎসঙ্গ ধৰ্ম্মশিক্ষা দিছিল ; তদপৰ সন্ন্যাসীবেশে নাৰদ ঋষিয়ে চৈতন্যগোপত স্নানতত দীক্ষিত কৰাইছিল।"

"গুৰুলীলা" দামোদৰদেৱৰ চৰিত্ৰ বিষয়ে প্ৰধান শাস্ত্ৰ। গুৰুলীলাই দামোদৰদেৱক চৈতন্যই ধৰ্ম্মক দিয়া, বা দীক্ষা দিয়া, বা শৰণ দিয়া, বা সৎসঙ্গ দিয়া কথা নকয়; কয় "বৰাহ কুণ্ডত পূৰ্ব্বে চৈতন্য আছিলা। মনিকূটে প্ৰয়োজনে সম্ভাষণ ভৈলা॥ পৰম আনন্দে দুয়ো দুইকো আশ্বাসিলা। তথাহন্তে চৈতন্য জগন্নাথে গৈলা।" এই কেইফাকিৰপৰা চৈতন্যই শৰণ বা দীক্ষা দিয়াটো দূৰৰ কথা বৰং দুয়ো দুইকো বন্ধুভাৱে সমনীয়া ভাৱে আদৰ সম্ভাষণ আলাপ পৰিচয় আশ্বাস কৰাটোহে ফটফটীয়া হৈ ওলায়, শ্ৰেষ্ঠ গুৰু আৰু কনিষ্ঠ সেৱক শিষ্যৰ ভাৱৰ লেশও ইয়াত দেখা নাযায়। এই কেইফাকিৰপৰা চৈতন্যক দামোদৰৰ গুৰু বুলিব খুজিলে, দামোদৰকো চৈতন্যৰ গুৰু বোলাৰ বাটত প্ৰতিবন্ধক নাথাকে। নীলকণ্ঠ কৃত দামোদৰ চৰিত্ৰতো ঠিক ওপৰত তুলি দিয়া কথাই আছে। ইয়াৰ পিছত দামোদৰে চৈতন্যক লগ পোৱাই নাছিল। চৈতন্যই ৰাম ৰায় গুৰুৰ হাতত (দামোদৰীয়া গুৰুলীলাৰ মতে) এখন পুথি মাত্ৰ দামোদৰদেৱলৈ পঠিয়াছিল; আৰু হৰিদেৱ পন্থী দ্বিজ দিবাকৰৰ মতে হৰিদেৱৰ হাতত তেওঁ দামোদৰলৈ এখন পট মাথোন দিছিল। দামোদৰীয়া ৰাম ৰায়ৰ মতে দামোদৰ চৈতন্যৰ ওচৰলৈ যোৱাই নাছিল, হৰিদেৱো যোৱা নাছিল। হৰিদেৱ পন্থীয়া দ্বিজ দিবাকৰৰ মতেও দামোদৰ চৈতন্যৰ ওচৰলৈ যোৱা নাছিল। অথচ এই দুজন চৰিত্ৰ লেখকৰপৰাই আমাৰ দেশত চৈতন্যদেৱৰপৰা দামোদৰ দেৱে আৰু হৰিদেৱে ধৰ্ম্ম পোৱা বা দীক্ষা পোৱা বুলি বাইকৈ প্ৰকাশ হয়। আচৰিত কথা নহয় নে? তৃতীয় বছৰ সপ্তম সংখ্যা বাঁহীত শ্ৰীযুত দ্বাৰিকানাথ গোস্বামীয়ে লেখিছিল যে 'জখলাবন্ধা গোসাঁইৰ চৰিত্ৰমতে দামোদৰ দেৱে শ্ৰীচৈতন্যৰ শিষ্য হৈ ধৰ্ম্ম প্ৰচাৰ কৰে।' এই কথাৰ প্ৰতিবাদ কৰি জখলাবন্ধাৰ অধিকাৰ গোসাঁয়ে লেখিছে "৩য় বছৰৰ ৭ম সংখ্যা বাঁহীত যে লেখিছে যে জখলাবন্ধাৰ গোসাঁই চৈতন্যৰ শিষ্য বুলি; তেওঁ কৰ জখলাবন্ধা গোসাঁই তাৰ একো নাম ধাম নথকাত জানিব নোৱাৰিলোঁ।" (বাঁহী ৪ৰ্থ বছৰ ১ম সংখ্যা ১৯ পিঠি।)

* * * *

চৈতন্যদেৱৰ ধৰ্ম্মপ্ৰচাৰৰ প্ৰণালী, ধৰ্ম্মৰ মূল বীজ, নামৰ লেখ, ইত্যাদি বিষয়ৰে সৈতে শঙ্কৰদেৱৰ ধৰ্ম্মৰ পাৰ্থক্য ইমান সৰহ আৰু ইমান বাৰ কে-



বোৰ কাকতে-পত্ৰই দেখুৱা হৈছে, যে ইয়াত আৰু তাৰ পুনৰুল্লেখ নিষ্প্ৰয়োজন। এনে স্থলত শঙ্কৰৰ ধৰ্ম্ম, ধৰ্ম্মৰ বীজ, নাম সংখ্যা, প্ৰচাৰৰ প্ৰণালী, সত্ৰসভাদিৰে সম্পূৰ্ণ মিল থকা আৰু থকা বুলি দামোদৰীয়া গোসাঁই আৰু চৰিতলিখকসকলৰ দ্বাৰাই স্বীকৃত, দামোদৰীয়া সম্প্ৰদায়ৰ সংস্থাপক দামোদৰদেৱক চৈতন্য দেৱৰ শিষ্য বুলি কলে আৰু শোভা নাপায়; বৰং সত্য গোপনৰ চেষ্টা যেন হে দেখুৱায়। নাৰদক দীক্ষাগুৰু বোলাৰও আৱশ্যক নাই; বৰং নাৰদৰ পঞ্চৰাত্ৰ তন্ত্ৰক বুলিলেও শুনিবলৈ ভাল হয়। আচল কথা, শঙ্কৰদেৱ শূদ্ৰ হেতু ব্ৰাহ্মণ দামোদৰ দেৱৰ গুৰুৰ আসনলৈ তেওঁক নিয়াটো ভাল নেদেখুৱাই দেখি অনেক অসংলগ্ন চেষ্টা শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ কালৰেপৰা চলি আহিছে।

* * * *

১৮৩৪ শক, ৩য় বছৰ, আহিন, ১২ সংখ্যা "আলোচনী" কাকতৰপৰা আমি তলত এডোখৰ এইখিনিতে তুলি দিওঁ—

"দামোদৰীয়া আৰু মহাপুৰুষীয়া উভয় সম্প্ৰদায়ৰ বিবাদৰ সন্ধিস্থল গোপালদেৱৰ চৰিত্ৰ। এই দুই সম্প্ৰদায়ৰ ভিতৰত থকা বিবাদৰ লেজুডাল গোপালদেৱৰ চৰিত্ৰ চালেই চাপ খাই পৰে। গোপালদেৱ ব্ৰাহ্মণ, দামোদৰ-দেৱৰ শিষ্য; গতিকে তেওঁৰ চৰিত্ৰত কোনো কথা বামুণীয়া বা দামোদৰীয়া সম্প্ৰদায়ৰ সপক্ষে বঢ়াই লিখা সম্ভৱ হলেও মহাপুৰুষীয়া সম্প্ৰদায়ৰ সপক্ষে লিখা কোনো মতেই সম্ভৱ হব নোৱাৰে। আদিতে আসামত ভাগৱতী বৈষ্ণৱ ধৰ্ম্মৰ সম্প্ৰদায় এটাৰ বাহিৰে দুটা যে নাছিল, নাম ধৰ্ম্মৰ বাহিৰে অইন দেৱদেৱীৰ পূজা সেয়া যে নাছিল, শঙ্কৰদেৱৰ পিচতহে ফটা সম্প্ৰদায়ে দুভাগ হৈ মহাপুৰুষীয়া আৰু দামোদৰীয়া হল এই সত্য গোপালদেৱৰ চৰিত্ৰই উজ্বলকৈ আঙ্গুলিয়াই দেখুৱায়। দামোদৰীয়াই কয় তান্ত্ৰিক আৰু বৈদিক উভয় মতে হেনো দামোদৰ দেৱে ধৰ্ম্ম প্ৰৱৰ্ত্তাইছিল। ৰামৰায় দ্বিজৰ ৰচিত দামোদৰ দেৱৰ চৰিত্ৰত হলে দামোদৰদেৱে একমাত্ৰ নামধৰ্ম্ম চলাইছিল বুলিহে উল্লেখ আছে। গোপালদেৱৰ চৰিত্ৰই সেই কথাকে সমৰ্থন কৰে। এনে স্থলত সম্প্ৰদায় বিভাগৰ গুৰিডাল কত? বাস্তৱিকেই যদি দামোদৰে দুয়ো মতেও চলাইছিল তেনেহলে তান্ত্ৰিক মতৰ দুৱত কটাৰ মাৰোঁত

"শঙ্কৰদেৱে নিজে বাৰস্কন্ধ ভাগৱত লিখি সোণৰ শলখা দি দামোদৰ দেৱক দি" তেওঁৰ লগত বন্ধুতা পতা সম্ভৱ নে? যি শঙ্কৰদেৱে • • সেই মহাপুৰুষে তান্ত্ৰিক মত প্ৰৱৰ্ত্তোৱা জনৰ সঙ্গ কৰা বুলি ভাবিব পাৰি নে? শঙ্কৰদেৱৰ লগত ৰামৰামগুৰু প্ৰভৃতি অনেক ব্ৰাহ্মণ আছিল, তেওঁ বিলাকৰ দ্বাৰা শৰণ লগাবলৈ নিদি তন্ত্ৰমত সমৰ্থন কৰোঁতা জনৰ হতুৱাই গোপালক শৰণ লগাবলৈ আদেশ দিব কিয়? স্বপূজিত মদন-গোপাল মূৰ্ত্তি তান্ত্ৰিক গুৰুৰ শিষ্যই পাব বুলিয়েই বা কব কিয়? শঙ্কৰদেৱতকৈও একাঠি চৰা মাধৱদেৱে গোপালদেৱক দামোদৰদেৱৰ শৰণ কৰাই অনেক শিক্ষা দি দামোদৰদেৱেৰে সৈতে পৰামৰ্শ কৰি গুৰুদত্ত গুৰুবস্ত্ৰ উপহাৰ দি উজনিত কি ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ পঠাইছিল? ভাগৱতী আৰু তান্ত্ৰিক উভয় বিধ নে আগৰ বিধ হে? এইবিলাক আলোচনা কৰিলে দামোদৰদেৱৰ এটা উপৰি বেলেগ মত আছিল বুলি ধৰিব পাৰিনে কত? ধৰা হ'ল দেৱ দামোদৰৰ শৰণীয়া বংশীগোপালৰ চৰিত্ৰত তেওঁক উজনিলৈ পঠাৰ সময়ত মাধৱদেৱে গুৰু দামোদৰ আৰু আমাৰ একো প্ৰভেদ নাই, উভয়ৰে এক মত বুলি গোপালদেৱক কোৱা কথাৰ উল্লেখ নথাকিলহেতেন? আৰু এটা কথা, আউনিআটি আৰু দক্ষিণপাট এই দুখনেই আসামত প্ৰধান বামুণীয়া সত্ৰ, একেজন গুৰুৰে দুজন বেলেগ শিষ্যৰ দ্বাৰা হোৱা আউনি-আটিত মহা পুৰুষৰ তিথি পালনৰ নিয়ম আছে, দক্ষিণপাটত আছেনে নাই কব নোৱাৰোঁ। আউনিআটিত প্ৰধান উৎসৱ পালনাম;—নামেই এই সত্ৰত প্ৰথম। দক্ষিণপাটে তান্ত্ৰিক মতেও চলে, আউনিআটিয়ে নচলে আউনিআটিৰ চলাজন অধিকাৰ ৺নন্দদেৱৰ পুৰুষ ডিব্ৰুগড়ৰ আহোঁতে তেওঁৰ কেইজনমান প্ৰধান শিষ্যক তেওঁবিলাকে বাৰ্ষিক ৰাজহুৱা দুৰ্গা পূজাত যোগ দিয়ে বুলি জানিব পাৰি "বাঘে ধৰা" দিয়াৰ কথা জানো। ১০ম সংখ্যা 'বাঁহীত' প্ৰকাশ হৱা পূজ্যপাদ শ্ৰীল শ্ৰীশ্ৰীযুক্ত দক্ষিণপাট সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ চিঠিৰপৰা জনা যায় "মহাপুৰুষীয়া আৰু দামোদৰীয়া পূৰ্ব্বে প্ৰায় (?) একে মিল আছিল, যদিও পৰে মাধৱে গণ্ডগোল কৰি কিছু প্ৰভেদ জন্মালে প্ৰভেদ নো কি তাক ৮ম সংখ্যা বাঁহীত ওলোৱা চিঠিত এই দৰে আছে "মহাপুৰুষীয়া ধৰ্ম্মেৰে আমাৰ ধৰ্ম্মৰ কিছু বিভিন্নতা আছে। আমি তান্ত্ৰিক আৰু বৈদিক উভয় মতেই চলোঁ।"। এতিয়া সহজেই মনত খেলায় যে ধৰ্ম্ম শঙ্কৰদেৱ আৰু দামোদৰদেৱৰ প্ৰয়োজন গুৰুৱে কেৱল বৈদিক মতে ধৰ্ম্ম প্ৰবৰ্ত্তাইছিল, কিন্তু শঙ্কৰদেৱৰ পিচত দামোদৰদেৱে তান্ত্ৰিক মতেও ধৰ্ম্ম প্ৰবৰ্ত্তাবলৈ ধৰিলে অথচ মাধৱদেৱে তান্ত্ৰিক মতে ধৰ্ম্ম নচলাই "গণ্ডগোল কৰি প্ৰভেদ জন্মালে," নচেৎ প্ৰয়োজন গুৰুৱে তান্ত্ৰিক আৰু বৈদিক উভয় মত চলাইছিল কিন্তু শেহত মাধৱদেৱে তান্ত্ৰিক মতেও ধৰ্ম্ম চলাবলৈ এৰি "গণ্ডগোল কৰি প্ৰভেদ জন্মালে"। শঙ্কৰদেৱে যে দুই মতে চলাইছিল সেই কথা আকাশৰ জোন বেলিৰ দৰে সচা। গতিকে শঙ্কৰদেৱৰ পিচত দামোদৰ-দেৱে তান্ত্ৰিক মতেও চলিবলৈ ধৰিলে বুলি অধিকাৰ প্ৰভুৰ চিঠিৰ পৰা জনা যায়। যদি সেয়ে হয় তেন্তে জানিব লাগিব যে দামোদৰদেৱে তেওঁৰ শিষ্য গোপালদেৱৰ উজনিত ধৰ্ম্ম প্ৰবৰ্ত্তন কৰিবলৈ অহাৰ পিচতহে তান্ত্ৰিক মতেও চলিছিল, আৰু বনমালীদেৱে পাটবাউসীৰপৰা সেই দুই মত আনি দক্ষিণপাট সত্ৰত সুমালেহি। যদি নহয়, আউনিআটিত তান্ত্ৰিক মত নচলাৰ কাৰণ কি? গোপালদেৱে নিজে আৰু তেওঁৰ শিষ্যসকলে পতা কুৰুৱাবাহী, গৰমূৰ, মধুমিশ্ৰ, জখলাবন্ধা, মাহৰা প্ৰভৃতি সত্ৰত উভয় মত চলেনে? ব্ৰাহ্মণৰ প্ৰাধান্যতা লৈ ভাৰতত চিৰকাল দণ চলি আহিছে, ফল স্বৰূপে নানা বৰ্ণ নানা সম্প্ৰদায়, লাখে লাখে পুৰাণ, তন্ত্ৰ, মন্ত্ৰ আদিৰ সৃষ্টি হল। আসামত মহাপুৰুষীয়া আৰু দামোদৰীয়া দুটা ভিন্ন ভিন্ন সম্প্ৰদায় সৃষ্টি হোৱাৰ মূলত, আজিও এই দুই সম্প্ৰদায়ৰ মতভেদ থকাৰ উদ্দেশ্যত সেই গোপন বীজ আছে নে নাই?"

"শঙ্কৰদেৱে সৈতে ধোৱাবোলত গোপালৰ সাক্ষাৎ হৈছিল বুলি চৰিত্ৰত আছে। ধোৱাবোলত লগ পোৱা সঠিক বুলিব নোৱাৰি, কাৰণ বুৰঞ্জিয়ে কয় শঙ্কৰদেৱে ১৪৭ শকৰ পূৰ্ব্বেই ভটীয়াই যায়।" (আলোচনা)। আমি কওঁ পাটবাউসীতহে প্ৰথম বংশীগোপাল দেৱৰ সৈতে শঙ্কৰদেৱৰ সাক্ষাৎ হৈছিল, এই কথা শঙ্কৰদেৱৰ চৰিত্ৰ পুথিয়েও কয়। দ্বিতীয়বাৰ বংশী গোপাল-দেৱে সৈতে শৰণ পায়, অৱশ্যে শঙ্কৰদেৱৰ ওচৰত নহয়; মহাপুৰুষীয়া চৰিত্ৰ মতে মাধৱদেৱৰ ওচৰত, দামোদৰীয়া চৰিত্ৰ মতে দামোদৰ দেৱৰ ওচৰত। বাকী কথাত দুই পক্ষৰ চৰিত্ৰত প্ৰায়ে মিল। ইয়াতো সেই ব্ৰাহ্মণ শূদ্ৰ

জেডা। কিন্তু এই জেডাত লাগি থাকিবৰ সকাম নেদেখোঁ, কাৰণ শঙ্কৰদেৱৰ ধৰ্ম্ম আৰু দামোদৰ দেৱৰ ধৰ্ম্ম একেই; মাধৱদেৱ আৰু দামোদৰ দেৱ দুয়ো ধৰ্ম্মোপদেশ দি, নিৰ্ম্মালি বস্ত্ৰ দি, শঙ্কৰদেৱৰ নিজৰ হাতিৰে কোবোলাবাটেৰ হাৰাই গঠিত বেলগুৰিৰ সেই মদন গোপালৰ মূৰ্ত্তি দি তেওঁক উজনিলৈ ধৰ্ম্ম প্ৰকাশ কৰিবলৈ পঠিয়াছিল, এই কথা বংশীগোপালদেৱৰ পন্থীয়া চৰিত্ৰত যেতিয়া আছে, অকল দীক্ষাগুৰু বা শৰণীয় গুৰু লৈ জেডা পাতি থাকিবৰ সকাম কি? ভজনীয় গুৰুতো দুই পক্ষৰ স্বীকৃত অস্বীকৃত কথামতে মাধৱদেৱ থাকিলেই। এফেৰি জেডা এই থাকে যে যেতিয়া দামোদৰদেৱে আৰু মাধৱদেৱে বংশী গোপালক পূৰ্ব্বৰ শঙ্কৰদেৱৰ আজ্ঞামতে শৰণ ভজন দি উজনিলৈ পঠিয়াইছিল তেতিয়া মাধৱদেৱৰে সৈতে দামোদৰ দেৱৰ ঘোৰ কাজিয়া; কাৰণ শঙ্কৰদেৱৰ শৰাধতে সেইটো ঘটে।

* * * *

সামৰণিত আমি আশা কৰোঁ, যে সভাৰ অনুৰোধত যিবোৰ কথা আম কলোঁ তাৰ বাবে আমাৰ আসামৰ বৈষ্ণৱ মহন্ত সন্ত সাধুসকলে যেন আমাক ক্ষমা কৰে। আমি এতিয়া সকলোৱেই দেখিলো যে শঙ্কৰদেৱৰ মাধৱদেৱ দামোদৰদেৱ বংশীগোপালদেৱ কাৰো ভিতৰত ধৰ্ম্ম বিষয়ত ভেদ নাই; মহাপুৰুষীয়া দামোদৰীয়া কাৰো ভিতৰত আচল ধৰ্ম্ম বিষয়ত পাৰ্থক্য নাই; মহাপুৰুষ গুৰু চাৰিজনৰ ভিতৰতো নাছিল। চাৰিওজন জীৱৰ কুশলৰ অৰ্থে পৃথিবীলৈ বিশেষকৈ আসামলৈ আহিছিল। এনে সম্প্ৰদায়ৰে ভিতৰতে কালক্ৰমত নানা পৰিবৰ্ত্তন আৰু বিভিন্নতা ঘটে; এক মহাপুৰুষীয়া সম্প্ৰদায়ৰ ভিতৰতে সত্ৰই সত্ৰই শাখা প্ৰশাখাত কত অমিল; এক দামোদৰীয়া সম্প্ৰদায়ৰ ভিতৰতে কত সত্ৰত কত বিভিন্নতা! এক খৃষ্টৰ খৃষ্টীয় দুই সম্প্ৰদায় ৰোমাণ কেথলিক আৰু প্ৰটেষ্টেণ্টৰ ভিতৰত কত পাৰ্থক্য; আকৌ এক প্ৰটেষ্টেণ্ট বা এক ৰোমাণ-কেথলিকৰ ভিতৰতে কত শাখা প্ৰশাখা, কত অমিল; সেই বুলি সেইবোৰলৈ বেছিকৈ চকু দি দন্দবাদৰ হাই উলিয়া উদাৰ মনৰ জ্ঞানীসকলৰ কাম নহয়। বুদ্ধৰ ধৰ্ম্ম আৰু মহম্মদৰ ধৰ্ম্মতো এনে বিপৰ্য্যয় যে নাই এনে নহয়। এইটো স্বাভাবিক। এতেকে ভাইসব, মহাপুৰুষৰ জাতৰ বিচাৰ কৰিবলৈ নাথাকা, কাৰণ আমাৰ



শ্ৰীৰাম শ্ৰীকৃষ্ণৰো জাতৰ বিচাৰ কোনেও নকৰে, তোমালোকেও নকৰা। মহাপুৰুষ খৃষ্ট, বুদ্ধ, নানক, মহম্মদ চৈতন্যৰ জাতৰ বিচাৰ কোনে কৰে? তেওঁলোকেও নকৰে, কৰিবলৈ শিক্ষাও নিদিয়ে। চৈতন্যই হৰিদাস প্ৰভৃতি যৱনকো ধৰ্ম্মক দি আকোঁৱাল মাৰি ধৰিছিল; হীন জাতৰ ৰূপ সনাতনকো পৰম সমাদৰ কৰি নিজৰ অন্তৰঙ্গ কৰি লৈছিল। আসামত প্ৰচলিত "চাৰি বিশে চাৰি অৱতাৰৰ" এক অৱতাৰ ৰামানন্দৰ শিষ্য জাতৰ-ঠিক-নাইকিয়া মহাভক্ত মহাজ্ঞানী কবীৰ। ৰামানন্দৰ বাৰজন প্ৰধান শিষ্যৰ ৰয়দাস চামাৰ, ধনা জাঠ, সেন নাপিত আছিল। সোনকোঁৱৰ পাৰত কুকুৰা গাহৰি পোহা অনাচাৰী অন্ত্যজকো দামোদৰদেৱে সদাচাৰ শিকাই শৰণ দি তাৰ ঘৰত আছিল। দাসীপুত্ৰ বিদুৰ বৈষ্ণৱ শিৰোমণি। শ্ৰীকৃষ্ণই কৌৰৱৰ ৰাজঘৰ ত্যাগ কৰি বিদুৰৰ ঘৰত হে পৰম সুখে আলহী হৈ ৰৈছিল। দাসীপুত্ৰ নাৰদ এক অৱতাৰ, যাৰ ৰচিত পঞ্চৰাত্ৰ তন্ত্ৰ ব্ৰাহ্মণ বৈষ্ণৱ সকলোৰে ধৰ্ম্মৰ সম্বল। ধীবৰকন্যা মৎস্যগন্ধাৰ পুতেক ব্যাস বৈষ্ণৱধৰ্ম্মৰ মূলগ্ৰন্থ শ্ৰীমদ্ভাগৱতৰ ৰচক। বৈদিক কালৰ কথা নকওঁৱেই। পিছৰ কালতো এনেকুৱা অনেক উদাহৰণ দেখুৱাব পাৰি। একেখন নদীয়েই বৈ আহোঁতে নানা শাখা প্ৰশাখাত বিভক্ত হয়, আৰু নানা শাখানদীৰ জল তাত পৰি মিশ্ৰিত হয়। সেইদেখি আজিকালিৰ উন্নতমনা উদাৰ শিক্ষিত খৃষ্টান, বৌদ্ধ, মুছলমান আৰু হিন্দুসকলে খাই খুৱিলৈ চকু দি, পিছত গোটখোৱা আৱৰ্জ্জনাৰাশিবোৰ তাক মুক্ত কৰি নিৰ্ম্মল ধৰ্ম্মপীযুষ পান কৰিবলৈ যথোপুৰুষাৰ্থ কৰে। ভাই অসমীয়া, আহা, আমিও সেই আহি অনুসৰণ কৰি মহাপুৰুষ শ্ৰীমন্তশঙ্কৰ প্ৰকাশিত আমাৰ জাতীয় গৌৰৱৰ নিধস্বৰূপ সেই মহান্ উদাৰ বৈষ্ণৱ ধৰ্ম্মৰ আৱৰ্জ্জনাৰাশি পৰিত্যাগ কৰি নিষ্কলঙ্ক শুদ্ধৰ সাৰভাগ গ্ৰহণ কৰি নিজৰ জীৱন ধন্য কৰোঁ আৰু আসামত জাতীয় ভাবৰ সুদৃঢ় ভেটিৰ ওপৰত সুদৃঢ় জাতীয় মন্দিৰ স্থাপন কৰি অসমীয়াক জগতত অমৰ কৰি একেটি সুৰতে সুৰ মিলাই গাওঁহক—

"বৈকুণ্ঠ প্ৰকাশে হৰিনাম ৰসে,
প্ৰেম অমৃতৰ নদী।

শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদি।
শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥"

* * * *

আমাৰ কথা একেবাৰে সামৰিবৰ আগেয়ে, যোৱা চত মাহৰ "আসাম বান্ধৱৰ সহকাৰী সম্পাদকৰ কলমৰপৰা ওলোৱা কথাৰ এডোখৰ এই খিনিতে তুলি দিওঁ—

"আমাৰ দেশৰ বৈষ্ণৱ সকলৰ দুটা প্ৰধান সম্প্ৰদায় আছে, এটা বেদান্তানুযায়ী, আনটো সাংখ্যানুযায়ী। বেদান্তানুযায়ী অৰ্থাৎ ভাগৱতী বৈষ্ণৱ ধৰ্ম্মী মহাপুৰুষীয়া দামোদৰীয়া আদি। সাংখ্যানুযায়ী অৰ্থাৎ ব্ৰহ্মবৈৱৰ্ত্তী বৈষ্ণৱধৰ্ম্মী হৈছে চৈতন্যপন্থীসকল। গতিকে আজি দুই তিনি বছৰ মানৰপৰা আমাৰ দেশৰ বৈষ্ণৱ সম্প্ৰদায়ৰ ভিতৰত যি গণ্ডগোলটি (মহাপুৰুষ শঙ্কৰদেৱ চৈতন্যৰ শিষ্য) বুলি মহা অনৰ্থ কৰিছে তাৰো বিশিষ্ট প্ৰমাণৰ অভাৱ হৈ পৰে। শঙ্কৰদেৱ চৈতন্যৰ শিষ্য হোৱা হলে অৱশ্যে তেওঁৰ প্ৰচলিত ধৰ্ম্ম সাংখ্যানুযায়ী হল হয়।"

* * * *

ইয়াৰ পিছত দামোদৰদেৱো চৈতন্যৰপৰা ধৰ্ম্ম পাইছে বুলি কৈ এক দামোদৰীয়া সত্ৰৰ গোসাইসকলে আৰু শিষ্যসকলে কি কয়? যদি দামোদৰদেৱৰ ধৰ্ম্মই বেদান্তানুযায়ী অৰ্থাৎ ভাগৱতী অৰ্থাৎ শঙ্কৰ প্ৰচাৰিত ধৰ্ম্মৰ মূল মতানুযায়ী হল, আৰু সাংখ্যানুযায়ী অৰ্থাৎ ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণানুযায়ী নহল, তেন্তে তেওঁলোকে আশ্ৰয় লোৱা গছৰ গুৰিডাল উভালি পেলে দেখোন!

---



# অমৰ-প্ৰকাশ।

মাধুৰ্য্য গাম্ভীৰ্য্যৰ সম্মিলন অমৰ-বাণী সংস্কৃতেই (১) ভাৰতৰ গৌৰৱ; একমাত্ৰ সংস্কৃতেই সকলো তত্ত্বৰ আধাৰ; এনে কোনো তত্ত্ব নাই যাৰ পূৰ্ণবিকাশ সংস্কৃতত হোৱা নাছিল। জগতৰ প্ৰথম পুথি সংস্কৃতত লিখা; সকলোতকৈ আগেয়ে ঈশ্বৰ-তত্ত্বৰ বিকাশ হয় সংস্কৃততে; বিজ্ঞানৰো চৰমোৎকৰ্ষ ইয়াতে। এই সংস্কৃতৰ প্ৰাচীনত্বৰ বিষয়ে কোৱা অনাৱশ্যক। প্ৰাচ্য পণ্ডিতৰ কথাই নাই সুদূৰ পশ্চিমৰ পণ্ডিতসকলেও এই বিষয়ে গভীৰ আলোচনা কৰি গৈছে, আৰু সেই আলোচনা যে এতিয়াও বন্ধ হৈছে এনে নহয়। আজি সংস্কৃত গোটেই পৃথিৱীতে প্ৰচাৰিত। বৰ্ত্তমান কালত প্ৰচলিত নোহোৱা ভাষাৰ ভিতৰত সৰাতকৈ বেছি সংস্কৃতৰে প্ৰচাৰ। ভাৰতবাসীৰ সংস্কৃতলৈ হেপাহ যিমান হব লাগে এতিয়াও হোৱা নাই সঁচা, কিন্তু আন আন সুসভ্য স্বাধীন ঐশ্বৰ্য্যশালী দেশত তাৰ আদৰ দিনক দিনে বাঢ়িব লাগিছে। অলপতে সুদূৰ আমেৰিকাৰ হাৰ্বাৰ্ড বিশ্ববিদ্যালয়ৰ-পৰা পণ্ডিত-প্ৰবৰ অধ্যাপক ব্লুমফীল্ড 'A vedic Concordance' নামে যি এখন প্ৰকাণ্ড অভিধান উলিয়াইছে, দেখিলে বিস্ময় মানিব লাগে। হেজাৰ হেজাৰ টকা খৰচ কৰি ইয়ুৰোপবাসীয়ে আৰু যে কত উলিয়াইছে তাৰ সীমা সংখ্যা নাই। ইয়াৰপৰাই বুজা যায়, সভ্যজগতত সংস্কৃতৰ প্ৰভাৱ কিমান! ভাৰতবাসীৰ বৰ লাজৰ কথা যে আজি তেওঁ বাহিৰৰ ৰং চং দেখি নিজৰ পবিত্ৰ পুৰণি সাহিত্যলৈ পিঠি দিছে। কিতাপৰ আকাৰত বেদ প্ৰকাশ কৰিলে জাৰ্ম্মেণী দেশীয় পণ্ডিত মেক্চ মুলাৰে, ভাৰতবাসী চাই থাকিল! কিন্তু বেদ দৰাচলতে কাৰ সম্পত্তি, ভাৰতবাসীৰ নে জাৰ্ম্মেণবাসীৰ?

আৰু এটা কথা বিশেষ মনোযোগৰ যোগ্য যে, ভাৰতৰ প্ৰকৃত ইতিহাস ৰচনা এই সংস্কৃত সাহিত্যৰ আলোচনাৰ ওপৰতে নিৰ্ভৰ কৰে, ইয়াৰ প্ৰমাণ দিনে দিনে ওলাব লাগিছে। অমৰ কলি

---

(১) ইয়ুৰোপীয় পণ্ডিত কলব্ৰুক, ভাৰতীয় পণ্ডিত আনন্দৰাম, আৰু আন আন ইয়ুৰোপীয় আৰু ভাৰতীয় পণ্ডিতৰ 'অমৰকোষ' বিষয়ক সুপ্ৰসিদ্ধ ৰচনা অৱলম্বন কৰি লিখা গ'ল।

আদিৰ আৱিষ্কাৰ যিমানেই বেছি হৈ আহিছে ভাৰতবুৰঞ্জী সিমানেই পোহৰ হৈছে। এতিয়াও আৰু ওলাবলৈ বহুত বাকী আছে, আটাইবিলাক আৱিষ্কাৰ কৰা নহ'লে ভাৰতৰ যথাযথ বুৰঞ্জী লিখাটো অসম্ভৱ। জগদ্বিখ্যাত বেদ-প্ৰকাশক পণ্ডিত মেক্স্‌মুলাৰে কৈ গৈছে, "ভাৰতত ইতিহাসৰ উপাদান প্ৰত্নতত্ত্ব নতুনকৈ আৱিষ্কৃত হলে, আগেয়ে আৱিষ্কাৰ কৰি থোৱা উপাদানখিনিৰ একো মূল্য নাথাকে, আকৌ, আন কোনো তথ্য আৱিষ্কৃত হ'লে সেইখিনিৰো একো হক নেথাকে।" ইতিহাসৰ সৰ্ব্বপ্ৰধান ভেটি সংস্কৃত সাহিত্যৰ কেইবাশতিকাও গভীৰ আলোচনা নকৰিলে খাঁটি ভাৰত-বুৰঞ্জী ওলাব নোৱাৰে। পণ্ডিতকুলপতি উইল্‌চন চাহাবে বহুত দিনৰ আগেয়ে এই ভবিষ্যদ্বাণী কৰিছিল: অৱশ্যে, অকল সংস্কৃত সাহিত্যৰ ওপৰতেই যে ভাৰতবুৰঞ্জী নিৰ্ভৰ কৰিছে এনে নহয়, কিন্তু এইটো স্বীকাৰ কৰিব লাগিব যে, একমাত্ৰ সংস্কৃতেই তাৰ মূল ভেটি। আজিৰ প্ৰবন্ধ 'অমৰ-কোষ' বিষয়ক। অমৰকোষ সংস্কৃত সাহিত্যৰ এখন সৰ্ব্বোৎকৃষ্ট অভিধান, পদ্য ছন্দত লিখা। অভিধান ভাষাৰ শব্দাৱলীৰ ভঁৰাল। সেই শব্দাৱলীৰ বৈজ্ঞানিক শিক্ষা কৰিলে এটা জাতিৰ আচাৰ ব্যৱহাৰ আৰু বুৰঞ্জীৰ আভাষ পোৱা যায়। সেইদৰে, অমৰকোষৰপৰাও চেষ্টা কৰিলে ঐতিহাসিক উপাদান পাব পাৰি। অভিধানে ঐতিহাসিক উপাদান যোগোৱা শুনি অনেকে আশ্চৰ্য্য বোধ কৰিব পাৰে, কিন্তু ই আশ্চৰ্য্যৰ বিষয় নহয়। অভিধানৰ কথাই নাই, ধাৰো চহাই গাই ফুৰা, বুঢ়ীমাকে নৰা ওমলাওতে গোৱা, সাধাৰণ 'নাম'বিলাকৰপৰাও প্ৰচুৰ ঐতিহাসিক উপাদান গোটোৱা দেখা যায়। চাৰ ওৱাল্‌টাৰ স্কটৰ সুপ্ৰসিদ্ধ "Lays of the Last Ministrel", "Lady of the Lake" আদি ইয়াৰ সৰ্ব্বপ্ৰধান প্ৰমাণ।

সংস্কৃত সাহিত্যত অসংখ্য অভিধান, তাৰ ভিতৰত অমৰকোষৰে আদৰ সবাতকৈ বেছি। শব্দ সাধনত পাণিনিৰ নিচিনা ব্যাকৰণাচাৰ্য্যকো আন আন বৈয়াকৰণে চেৰ পেলাইছে, কিন্তু অভিধান-ক্ষেত্ৰত অমৰ সিংহক কোনোৱে চেৰ পেলাব পৰা নাই। পুৰণি ধৰণৰ ভাৰতীয় পণ্ডিতসকলে অমৰ থাকিলে আন অভিধান কদাচিৎ তে [illegible] [illegible], [illegible] শব্দ



অমৰকোষত নাই সাধাৰণতঃ সেইটোকেহে মাত্ৰ আন অভিধানত চোৱা দেখা যায়। অভিধানৰ ভিতৰত সকলোতকৈ অমৰকোষৰে যে আদৰ বেছি তাৰ আৰু এটা কথাৰপৰা বুজিব পাৰি। অমৰকোষৰ অসংখ্য টীকা, আন অভিধানৰ টীকা নায়েই, কেৱল মাত্ৰ হেমচন্দ্ৰৰ "অভিধান চিন্তামণিৰ" এখন আছে। অমৰকোষ সৰ্ব্বাঙ্গসুন্দৰ নোহোৱা হলে টীকাকাৰসকলে ইমানবিলাক টীকা কষ্ট স্বীকাৰ কৰি নিলিখিলেহেঁতেন। তদুপৰি সুদূৰ যুৰোপ মহাদেশতো অমৰকোষে নিজৰ প্ৰভাৱ বিস্তাৰ নকৰাকৈ এৰা নাই।

১৭৯৮চনত অমৰকোষৰ প্ৰথম কাণ্ড ইটালীৰ ৰাজধানী ৰোমত তামিল আখৰেৰে ছপা হৈ ওলায়। ১৮০৮ চনত কলব্ৰুক চাহাবে তেখেতৰ সুপ্ৰসিদ্ধ অমৰকোষৰ সংস্কৰণ আৰু তাৰ অনুবাদ প্ৰকাশ কৰে। আকৌ ১৮৩৯চনত ফ্ৰান্স দেশীয় পণ্ডিত Loiseleur Deslongchamps-এ পেৰি নগৰত ফ্ৰেন্স ভাষাত অমৰকোষৰ অনুবাদ উলিয়ায়। মহামহোপাধ্যায় ইয়ুৰোপীয় পণ্ডিত Burnell, Eggeling আৰু Zacharial-এ তেখেতসকলৰ গৱেষণাত অমৰকোষৰ ইংৰাজী সংস্কৰণৰ নাটনি অনুভৱ কৰি বৰকৈ দুখ প্ৰকাশ কৰিছিল। ইয়ুৰোপত অমৰকোষৰ কিমান প্ৰভাৱ মোটামুটিকৈ তাৰ এটা বিৱৰণ দিয়া হ'ল; 'অমৰ'ৰ উৎপত্তি স্থান ভাৰতত যে তাৰ কিমান প্ৰভাৱ সেই বিষয়ে কোৱা সম্পূৰ্ণ অনাৱশ্যক। আগৰ ভাৰতৰ কথাই নাই, আধুনিক ভাৰততো অমৰকোষৰ বহুত সুলিখিত আৰু সুচিন্তিত সংস্কৰণ ওলাইছে (২)। অমৰকোষৰ আদৰ-উৎকৰ্ষৰ বিষয়ে আৰু এটা কথা জানিব লগীয়া যে, যেতিয়া শঙ্কৰাচাৰ্য্য আৰু উদয়নাচাৰ্য্যই ভিন্ন ধৰ্ম্মাৱলম্বীবিলাকৰ ওপৰত উপদ্ৰৱ কৰি তেওঁবিলাকৰ ৰচিত গ্ৰন্থ আদি পুৰি পেলায় তেতিয়া কেৱল অমৰসিংহৰ (৩) এই অমৰকোষখনেই হে দুইৰ হাত

(২) ভাৰত-কবি আনামৰ সুনৱান আনন্দবামেৰো অমৰকোষ সম্পাদন কৰিছিল। কোনো বাহুল্য নাথোন, পণ্ডিতৰাজে সম্পাদন কৰা অমৰকোষখন সৰ্ব্বাঙ্গসুন্দৰ আৰু এসময়ত ইয়ুৰোপ আৰু ভাৰত এই দুই ঠাইতে প্ৰচলিত হৈছিল। আজিকালিও বোম্বাই অঞ্চলত আৰু ইয়ুৰোপৰ ঠায়ে ঠায়ে বক্সালেৰৰ আন আন সংস্কৃত কিতাপৰ লগত অমৰকোষখনৰ প্ৰচলন আছে।

(৩) অমৰসিংহ হিন্দু নাছিল। কোনোৱে কয় অমৰ বৌদ্ধ আছিল, আৰু কোনোৱে কয় [illegible] জৈন আছিল।

সাৰিছিল, অসমৰ বচা অন্যান্য যি গ্ৰন্থ আছিল সেই সকলোবিলাক ধৰ্ম্মোন্মত্ত আচাৰ্য্যসকলে অগ্নিসাৎ কৰে। যি অসমকোষে গুণৰ বাবেই শত্ৰুৰ হাত সাৰিব পাৰিছিল তাৰ গুণৰ বিষয়ে এবাৰ ভাবি চোৱা উচিত।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

# খহটা-ডিমৰু সত্ৰাধিকাৰ।

## ( বৰবৰুৱা বৰ-চৰাত। )

( বাপুৰাম বৰাৰ প্ৰবেশ। )

বাপুৰাম।—গুড্ মৰ্নিং মিষ্টৰ বৰবৰুৱা!

বৰবৰুৱা।—গুড্ মৰ্নিং। হাডু-ডু? টেক্ ইয়ৰ্ চিট্। কাইন্ ডে। আজি দেখোন বৰা দেওৰ একেবাৰেই ইংৰাজী চাল?

বৰা।—পাৰোতে। বোলে "ভৰত ভগৱন্ত পলায়। কিলৰে বাসুদেউ ভগায়।" দেশীমতে সেৱা জনালে জানোচা আকৌ সিদিনাৰ দৰে শকুন্তলা হৈ যাওঁ।

বৰবৰুৱা।—আজি ভয় নাই; কাৰণ, পোনতে তোমাৰ গোফকোছাত মোৰ চকু পৰিছে।—পিছে বৰা চাহাবৰ সকাম বা কি?

বৰা।—সেই পুৰণি সকামেই। মই ঘৰৰপৰা ওলাওঁতেই লৰাইতে গোৱা শুনিছিলোঁ।—

"তুলসী, তুলসী, অ আই তুলসী,
তুমি গোবিন্দৰ প্ৰিয়া!"

সেই নামৰ সুৰেতে সুৰ মিলাই মইও কব খুজিছোঁ—

পুৰণি, পুৰণি, অ আই পুৰণি,
বাপুৰাম বৰাৰে প্ৰিয়া।

আপোনাৰ জীৱন-চৰিত্ৰৰ আৰু এক কিস্তি খাজানা পাওনা হৈছে. তাকে তুমি নিবলৈ বুলি আহিলোঁ।



বৰবৰুৱা।—অঃ আজি দেখোন বৰাৰ কথাত বৰ ধাক্ক। আমি সদায় শুনি আহিছিলোঁ—"বৰাৰ ঘৰত তৰাৰ গাঁঠি। বৰা নো থাকিব কেই ৰাতি।" আজি বৰাৰ কথা শুনি বুজিলোঁ যে সেইটো ফকৰাৰ আৰু আয়ুস টুটিল। আচ্ছা, কিস্তি খিলাপ নহয়, পাওনা দিবই লাগিব। কিন্তু তাৰ আগেয়ে সোধোঁ কোৱাঁচোন পুৰণি কোন লিঙ্গ?

বৰা।—পুৰণি ত্ৰিলিঙ্গ। পুৰণি স্ত্ৰীও হয়, পুৰণি বৰবৰুৱাও হয়, পুৰণি তেতলীও হয়।

বৰবৰুৱা।—পাণিনি মৰি আমাৰ বৰা হৈ উপজিল দেখিছোঁ। যাওক, জীৱন-চৰিত্ৰৰ কাহিনী শ্ৰৱণ কৰা।—

"নাৰায়ণং নমস্কৃত্যং নৰঞ্চৈব নৰোত্তমং।
দেবীং সৰস্বতীং ব্যাসং ততোজয় মুদিৰয়েৎ॥"

ভাগ্যে তোমালোকৰ গেৰ্গেৰি কি কহল চাহাবৰ দিনত, খহটা-ডিমৰু সত্ৰাধিকাৰ গোস্বামী এবাৰ কলিকাতালৈ শুভাগমন কৰিছিল। সেই ঘটনাটোকে আজি তোমাৰ আগত্ বিবৃত কৰোঁ বুলিছোঁ। তুমি শুনাত গণ্ডগোল নকৰিবা; নতুবা মোৰ কথাত আউল লাগিব।

খহটা-ডিমৰু সত্ৰ আমাৰ উজনি, নামনি, আৰু মাজ এই তিনি ডোখৰৰ ভিতৰৰে কোনোবা এডোখৰত আছিল; কিন্তু কোন ডোখৰত মোৰ ভালকৈ মনত নাই। অধিকাৰ গোসাঁইজন কহ্কহীয়া ডেকা। তেওঁৰ ধন-ধান্য, বিষয়-সম্পত্তি, ভকত-বৈষ্ণৱ, শিষ্য-প্ৰশিষ্য আৰু প্ৰতাপ-পিতাপো অনেক। তেওঁৰ উদাসীন সত্ৰত তেওঁ উজ্জ্বল উদাসীন গোসাঁই, নিৰ্ম্মল আকাশত তৰাবোৰৰ মাজত জানিবা একেটি উজ্জ্বল চন্দ্ৰ। তেওঁৰ কি ৰাশি আছিল কব নোৱাৰোঁ, সম্ভৱতঃ বৃষ; কাৰণ সি ইমান গধুৰ আছিল যে তেওঁ অধিকাৰৰ গাদিত উঠিলতে, গাদিখন বাহৰ চাঙৰ হোৱাহেঁতেন যে সেৰ্মেৰাই ভাগি থাকিলহেঁতেন, এইটো নিশ্চয়; কিন্তু গাদিৰ কপাল ভাল, সি বাহৰ নহৈ বগা শিল আৰু গুনাৰ বন-কৰা খানতৰ হৈছিল, সেইদেখি সি লোকে গুনাকৈ নমতা-নোবোলাকৈ হকতা-সিকতা কৰিয়েই অধিকাৰ প্ৰভুৰ গুৰু ভৰ সহ্য কৰি আছিল। মহাপুৰুষসকলৰ পুৰণি ধৰ্ম্ম কৰ্ম্মৰ আলোচনা আৰু চিন্তাই অধিকাৰ পুৰুষৰ মনৰ ভিতৰৰ কিমান ডোখৰ ঠাই

ক্ৰমে প্ৰভাৱ বিস্তাৰ কৰি আছিল মই কব নোৱাৰোঁ; কিন্তু বঙ্গ নাটক নভেলৰ আকাশ-লঙ্ঘা প্ৰেমৰ ডাঙৰ ডাঙৰ মেজিৰে যে সি খুন্দাই গাছিল, সেইটোৰ ভু মই নেপাই থকা নাছিলোঁ। তেওঁৰ মনৰ অৱস্থা যেতিয়া এনেকুৱা তেতিয়া তাত ফিৰিঙতি এটি পৰিলেই খাণ্ডৱ-দাহ ঘটে; কিন্তু তাত লঙ্কাকাণ্ড ঘটাবলৈ তেলেৰে তিওৱা ফটাকানি নেজত লৈ এজন কলিৰ হনুমন্ত ওলাল যাৰ নাম শ্ৰীমান উবামাৰো হাজৰিকা—ই বৃকু! উবামাৰো নহয়, উমাৰাম হে। উমাৰাম নামটো মোৰ মুখত খাৰ-খোৱা মুখত সতকাই নোলায় দোষিছোঁ। হাজৰিকা মহাশয় কলিকতা-ফেৰং আৰু এল, এ, ফেল। তেওঁ যদিও বয়সত ডাব, কিন্তু জীৱনৰ সকলো বিষয়ৰ অভিজ্ঞতত বুঢ়া নাৰিকল। কলিকতাৰ পৰা হাজৰিকাৰ হাতৰ তলুৱাত—অৰ্থাৎ কলিকতা মানে তেওঁৰ মন-কেমেৰাত (camera) কলিকতাৰ যেনেকুৱা ফটোগ্ৰাফ অৰ্থাৎ ছবি উঠিছিল; যথা, কলিকতাৰ থিয়েটৰবোৰ, [illegible]ৰ ওচৰৰ গলিবোৰ, ইত্যাদি। হাজৰিকা চিত্ৰকৰে এনেকুৱা ৰহণ-সনা ছবি এখন আঁকি সদায় তেওঁৰ মনৰ হাকোটা এটাত আৰি থৈ দিছিল, আৰু সেইখনলৈকে তেওঁ দিনৌ হেঁপাহৰ চকুৰে চাই থাকে। এতিয়া তেওঁ তাকে জোকাৰি-পোকাৰি মচি চাফ-চিকুণকৈ আমাৰ খহটা-ডিমৰু সত্ৰাধিকাৰৰ আগত ধৰিলে। ছবিখন দেখি গোসাঁই প্ৰভু উত্ৰাৱল হল। হাজৰিকাৰ বাপেক খহটা-ডিমৰু-সত্ৰৰে শিচ আছিল, অৰ্থাৎ চন্দ্ৰাজন অধিকাৰৰ। সেই হেতুকে পুত্ৰ হাজৰিকাও সেই সত্ৰৰে শিচ, অৰ্থাৎ বৰ্তমান অধিকাৰৰ। সি যি হওক, সৰ্বজ্ঞ ডেকা হাজৰিকাক পাই খহটা-ডিমৰু-সত্ৰৰ অধিকাৰ ডেকা গোসাঁয়ে উশাহ পালে; আৰু দুয়ো দুইকো মৰণে জীৱনে আঁকোৱালি মাৰি ধৰিলে। যদিও এই মিলন প্ৰকৃতি পুৰুষৰ নহয়, পুৰুষৰ পুৰুষৰ হে, তথাপি মই এই প্ৰেমৰ মিলন হোৱা শুনি মোৰ কলিকতাৰ বহাৰ বৰ-চৰাৰ চকিত বহি তেতিয়াই বৰ-চৰাৰ বৰ বেংকেখনক শুনাই গালোঁ,—

"বঁধু কি আৰ কহিব আমি
জনমে জনমে জীৱনে মৰণে
প্ৰাণনাথ হৈও তুমি॥"

হাজৰিকাৰ সুবিধা,—গোসাঁইৰ পইচা আৰু অনভিজ্ঞতা। গোসাঁইৰ



সুবিধা,—হাজৰিকাৰ জ্ঞান বিদ্যা আৰু তদুপৰি কলিকতা নগৰৰ অভিজ্ঞতা।

আগৰ ডোখৰৰ কথা কব নোৱাৰোঁ, কিন্তু বৰ্ত্তি চাহাবৰ দিনৰেপৰা আমাৰ দেশত অনেক কথা থিৰ আৰু অনেক কথা অথিৰ হৈ আহিব লাগিছে। কিন্তু এইবাৰ যিটো কথা থিৰ হল, সেইটো উলামুলা নহয়, বৰকৈ থিৰ হল; যথা—খহটা-ডিমৰু সত্ৰৰ গোসাঁই প্ৰভু কলিকতা দৰ্শনৰ নিমিত্তে অনতিবিলম্বে যাত্ৰা কৰিব, আৰু হাজৰিকাই সেই যাত্ৰাৰ গুৰি ধৰিব। অথিৰ হল,—প্ৰধান প্ৰধান ভকত বৈষ্ণৱ শিষ্যসকলে গোসাঁই যেনেকৈ আড়ম্বৰ কৰি যাত্ৰা কৰি যাব লাগে আৰু লগত যিসকল পাৰিষদ ভকত যাব লাগে তাৰ যি যি প্ৰস্তাৱ কৰি থিৰ কৰিছিল, সেইটো।

যি হওক, সকলোৰে একান্ত ইচ্ছা আৰু অনুৰোধ কাটিকৈ থৈ গোসাঁইয়ে পূৰ্বাপৰ প্ৰচলিত আড়ম্বৰ আৰু জঞ্জালশূন্য হৈ লগৰীয়া মাত্ৰ পাঁচজন ভকত আৰু হাজৰিকাৰে সৈতে ৰেলযানেৰে কলিকতা পালেহি

মই যদিও "প্ৰশিষ্য" তথাপি প্ৰভু-জগন্নাথ আহিব বুলি আগৰেপৰা খবৰ পাইছিলোঁ, কাৰণ মোলৈ জগন্নাথে দয়া কৰি সেই সংবাদ লেখিছিল আৰু তেখেত থাকিবৰ নিমিত্তে ঘৰ ইত্যাদিৰ দিহা কৰি ৰাখিবলৈ মোক আজ্ঞা দিছিল। মই সেইদেখি কালীঘাটত ঘৰ এটা ভেৰোনীয়াকৈ তেখেতৰ নিমিত্তে ৰাখিছিলোঁ; আৰু তেখেত পাবৰ দিনা তেখেতক আগবঢ়াই আনিবলৈ শিয়ালদহ ষ্টেচনলৈ গৈছিলোঁ। ৰেল আহি ষ্টেচনত লগোৱাৰ আগতে মই দ্বিতীয় শ্ৰেণীৰ ঠিকাগাড়ী তিনিখন তেখেতৰ নিমিত্তে ঠেকেয়া কৰি ৰাখিছিলোঁ। তেখেত ষ্টেচন পোৱামাত্ৰকতে তেখেতক ৰেলগাড়ীৰপৰা নমাই মাল বস্তুৰে সৈতে সেই গাড়ীৰ ওচৰলৈ আনিলোঁ আৰু লৰালৰিকৈ বস্তুবোৰ গাড়ীত তোলাই দিয়ালোঁ। কিন্তু মুস্কিলৰ কথা হল যে প্ৰভুজগন্নাথক গাড়ীত তুলিব নোৱৰা হলোঁ। দেখিলোঁ, জগন্নাথ ইমান টকটকীয়া, যে কলিকতাৰ সকলো বিষয়ত যেন তেখেত অতিশয় অভিজ্ঞ, আৰু সেইটো প্ৰতি কথাতে তেখেতে দেখুৱাবলৈ ধৰিলে। মইতো মহামস্কিলত পৰিলোঁ। গোসাঁইক গাড়ীত সোমাই দি কোনোমতে [illegible] সোমোৱা পাৰিলে মই এতিয়া [illegible] পৰোঁ। কোনো [illegible] কথাত

লাগি থাকিলে শেহত সিদ্ধি লাভ কৰা যায়, মইয়ো শেহত সিদ্ধি লাভ কৰিলোঁ। গোসাঁই গাড়ীত উঠিল; কিন্তু কোচ-বাক্সত হে, গাড়ীৰ ভিতৰত নহয়! প্ৰথমতে তেওঁ ওচৰতে থকা ট্ৰেম গাড়ী এখন দেখুৱাই মোক কলে, যে তেওঁ সেই গাড়ীত হে যাব খোজে। কাৰণ সিহে পৰিষ্কাৰ পৰিপাটী। ট্ৰেমত যোৱাৰ অসুবিধাৰ কথা, আৰু তেখেতৰ পক্ষে সেইটো অলপ সন্মানৰ লাঘৱজনক, মই এই বুলি বুজনি দি কলত, যদিও তেখেত নিৰস্ত হল, তথাপি তেখেতে নকৈ নেৰিলে যে ট্ৰেমগাড়ী হে প্ৰশস্ত, আৰু তাত উঠিলে সন্মান লঘু হোৱা দূৰৈত থাওক গধুৰ হে হব; আৰু তেখেতে যদিও ন-কৈ কলিকতালৈ আহিছে তথাপি কলিকতাৰ সকলো কথা ভালকৈ জানে। যি হওক, শেহত দ্বিতীয় শ্ৰেণীৰ ঠিকাগাড়ীতে উঠিবলৈ তেখেতক মই মান্তি কৰালোঁ। কিন্তু কৰালে কি হব, ওপৰত কৈছোঁ যে তেখেতে জেদ ধৰিলে যে গাড়ীৰ মূধত থকা কোচ-বাক্সত হে তেখেত বহিব। গাড়ীৰ ভিতৰতকৈ কোচ-বাক্স ওখ আৰু ওপৰত, এই নিমিত্তে তাত বহা বেছি সন্মানজনক, এই কথা তেওঁ মোক বাৰে বাৰে বুজাবলৈ ধৰিলত মই হাৰি মৌন হলোঁ। অগত্যা সেইদৰেই প্ৰভু-জগন্নাথক কোচ-বাক্সত কোচ-মেনৰেসৈতে বহিবলৈ এৰি দি আমি গাড়ীৰ ভিতৰত সোমাই, কালিঘাটৰ ফালে যাবলৈ ধৰিলোঁ। বাটত যাওঁতে প্ৰভু-জগন্নাথে কোচ্‌মেনক কত প্ৰশ্ন কৰিছিল, কলিকতাৰ বিষয়ে কত খবৰ শুধিছিল, তাৰ অন্ত নাই। ডাঙৰ ঘৰ দেখিলেই তেখেতে কোচ্‌মেনক শোধে, "এইটো ষ্টাৰ থিয়েটাৰৰ ঘৰ নে? এইটো মিনৰ্ভা থিয়েটাৰৰ ঘৰ নে? ইত্যাদি, ইত্যাদি।

গোসাঁইৰ লগৰ পঞ্চ ভকতৰ এজনৰ নাম গুৱাকটা। গুৱা কটাটো নাম নহৈ তেওঁ খোৱা বিষয়খন হে হব পায়। যি হওক তেওঁক গুৱাকটা বুলি গোসাঁয়ে মতা শুনি মইয়ো সেই নামেৰেই তেওঁক সম্বোধন কৰিবলৈ ধৰিলোঁ। তেওঁ মোৰ লগতে গাড়ীত উঠিছিল। কিন্তু মই দেখি আচৰিত মানিলোঁ, যে তেওঁ গাড়ীত উঠাৰেপৰা মিনিটে মিনিটে এনেকৈ মিচিকীয়া হাঁহি মাৰি যাবলৈ ধৰিলে, আৰু বাটৰ দুই ফালে সতৃষ্ণনয়নে কাৰবাক চাবলৈ ধৰিলে, যে শেহত মোৰ বিৰক্তি লাগি তেওঁক মই শুধিবলৈ বাধ্য হলোঁ—"গুৱাকটা, তুমি কেখোন বৰকৈ মিচিকীয়া হাঁহি মাৰিছা, আৰু



বাটৰ দুই কাষে কাক চাই আহিছা?" তেওঁ কলে "ডাঙৰীয়া, এনেই হে হাঁহিছোঁ।" মই আকৌ ভালকৈ কুহলিয়াই কুহলিয়াই তেওঁক হাঁহিৰ কাৰণ শুধিলত তেওঁ কলে "ডাঙৰীয়া, মই দুইঘোৰাৰ বাগীত এইদৰে তমসা কৰি উঠাটো যদি আমাৰ সত্ৰৰ ওচৰৰ গাৱঁৰ কেন্দুৰাম মেধিক দেখুৱাব পাৰিলোঁহেঁতেন, তেনেহলে মোৰ হেপাহ পলালহেঁতেন।" গুৱাকটাৰ এই কথা শুনি মোৰ হাঁহি উঠিল। তেওঁক কলোঁ "অ, সেইদেখি হে আলিৰ দুই ফালে তুমি চাই আহিছা, কিজানি কেন্দুৰাম মেধিয়ে তোমাক দেখিবলৈ পাইছেই বুলি?" গুৱাকটাই লাহেকৈ কলে "হয় ডাঙৰীয়া, মনত একোএকোবাৰ তেনে কিবা এটা ভাব ওলাইছিল। আমি চহা আৰু হোজা মানুহ, ডাঙৰীয়া।"

যি হওক কোনোমতে আমি আহি কালীঘাট পাই গোসাঁইক নি সেই ভোৰোণীয়া ঘৰত তুলিলোঁ। কোচ্‌মেনে গোসাঁইৰ গতি দেখি তেওঁক ভালকৈ বুজি লৈ, তাৰে সৈতে মই যি কেৰেয়াৰ বন্দবস্ত কৰিছিলোঁ তাৰ তিনি গুণ গোসাঁইৰপৰা আদায় কৰি ললে; আৰু সি আবেলি গোসাঁইক কলিকতা দেখুৱাবলৈ লৈ যাবহি বুলি গাত লৈ নথৈ আশ্বাস দি গল। যিটো ঘৰত গোসাঁইক লৈ গৈ তুলিছিলোঁ, তাৰ বিষয়ে গোসাঁয়ে কত মন্তব্য কত অভিজ্ঞতা প্ৰকাশ কৰিলে, সেইবোৰ বৰ্ণনা কৰিবলৈ গলে কথা বহল হৈ গৈ টকৌপাতখিলা যেন হব, কিন্তু আজিৰ এই উপাখ্যান বৰ্ণনাত মোৰ চকু টকৌৰ গুটিৰ ফালেহে ৰাখিছোঁ, অৰ্থাৎ সংক্ষেপ সাৰৰ ফালেহে।

ভৰ দুপৰীয়া গোসাঁইক গা-পা ধুই "চাউলসিজোৱা" লবলৈ কলত, তেখেতে কলে তোমালোকে ভাত খোৱাঁইক, মই নাখাওঁ; মই কলিকতাত ভাত খাবলৈ অহা নাই, আসামত ভাতৰ আকাল লগা নাই। বাটত আহোঁতে সুন্দৰ চিৰা, সুন্দৰ লাড়ু, বঢ়িয়া মিঠৈ দেখি আহিছোঁ, তাকে মোক আনি দিয়াঁ, গঙ্গাৰ পাৰত সেইবোৰ খোৱাত দোষ নাই।" এই বুলি মিঠাই আনিবলৈ তেওঁ মোক ৰূপ পাঁচ টকা হাত মেলি দিলে। চমুকৈ কওঁ যে গোসাঁইপ্ৰভুক মই কোনোমতে সেই দিনা ভাতলৈ ৰাজী কৰিব নোৱাৰিলোঁ;—আৰু শুনিলে বিশ্বাস নকৰিবা কিজানি, অকল সেই দিনাই নহয়, যি ১৫ দিন তেওঁ কলিকতাত আছিল সেই এটাই কেইদিনত তেওঁ

ভাতেৰে সৈতে সদৃশী দেখা-সাক্ষাৎ নকৰিলে। খালি চিৰা আৰু কলিকতাৰ "মিঠাই" খাই আমাৰ গোসাঁই প্ৰভু আছিল। সেইবোৰৰ প্ৰতি তেওঁৰ ইমান আগ্ৰহ দেখি মই ভাল সন্দেশ, ৰসগোল্লা, কচুৰি, জেলেপী আদি আনি দিলোঁ, আৰু দিনো অনাই দিবৰ দিহাও কৰি দিলোঁ; কিন্তু তেওঁ তাতে সন্তুষ্ট নাথাকি, নিজে অকলে ওলাই গৈ বাটে-পথে পচা আৰু জঘন্য মিঠাই বোৰ কিনি খাবলৈ ধৰিলে! আৰু এটা কাৰ্য্য আমাৰ গোসাঁই-প্ৰভুৱে কৰিলে,—সেই দিনাই আবেলি তেওঁ থকাঘৰৰ দোতালাৰপৰা নামি আহি ওচৰত থকা "পাণৱালীৰ" অৰ্থাৎ তামোল কাটি বেচোতা তিৰুতা এজনীৰ দোকানপৰা একেবাৰেই চাৰি অনা পইচাৰ "পাণ" (অৰ্থাৎ আমাৰ তামোল) কিনি খালে। আমি দেখিলোঁ, প্ৰভু-জগন্নাথৰ মুখত সেলেঙি লাগিল, ওঁঠ টিক্‌টিক্ কৰে ৰঙা হল, আৰু কোৱাৰিৰ চুকেদি পিকৰ মিহি সোঁত বলে। খহটা-ডিমৰু সত্ৰাধিকাৰ গোসাঁই কলিকতা পোৱা দিনৰেপৰা, কলিকতাৰ চাৰিউফালে অকলৈ এনেকৈ পিটপিটাই ফুৰিবলৈ ধৰিলে যে তেওঁক আমাৰ পক্ষে চম্ভালাই টান হল। প্ৰথম দুদিন তেওঁৰ পৰিভ্ৰমণৰ বা পৰিক্ৰমণৰ গুৰি মহাৰথী হাজৰিকাইয়ে ধৰিছিল; কিন্তু দুদিনতে দেখা গল, যে তেওঁ সেইজন গুৰিয়ালৰো আৱশ্যকতা উপলব্ধি নকৰা হল। তেওঁৰ অকলৈ অকলৈ বাহিৰলৈ ওলাবলৈ হেপাহ উপচি পৰিল। কলিকতা পোৱাৰ পিছদিনা শনিবাৰ আছিল; সেইদিনা হাজৰিকাই তেওঁক মিনৰ্ভা থিয়েটৰলৈ লৈ গৈছিল। থিয়েটৰত গোসাঁইয়ে অভিনয় দেখি সন্তোষ পাই স্বয়ং কি অভিনয় কৰিছিল, তাৰ ভু মই নেপালোঁ, কাৰণ মই লগত যোৱা নাছিলোঁ; কিন্তু গোঁসাইৰ নিজৰে অভিনয়ৰ জোৎ ইমান বাঢ়িছিল যে অভিজ্ঞ ধনুৰ্দ্ধৰ হাজৰিকায়ো তেওঁক চম্ভালিব নোৱাৰি শেহত বিৰক্ত যে হৈছিল, সেইটোৰ গম মই হাজৰিকাৰ কথাৰপৰাই ধৰিব পাৰিছিলোঁ। যি হওক, চাৰি পাঁচ দিনৰ পিছতে এইটো ভালকৈ দেখাগল, যে খহটা-ডিমৰু সত্ৰাধিকাৰৰ নেওঁ, ডেকা মৰাচৰাইৰ নিচিনাকৈ ইমান চঁচল হলগৈ, যে তেওঁ চালি ধৰিবলৈ হাজৰিকাৰ ইমান ডাঙৰ সজাটোতো টাইৰ নাটনি পৰিল। খোলা কথা, লাহে লাহে হাজৰিকাকো এৰা দি খহটাডিমৰু সত্ৰৰ গোসাঁয়ে স্বাধীনভাবে কলিকতা চাই ফুৰিবলৈ ধৰিলে, আৰু সৰহখিনি সময়ত টৌ-টৌ কৰে ঘোৰ



ফাঁড়ি। গোসাঁই ষোলকনীয়া হৈ উঠা দেখি মইও লাহে লাহে তেওঁৰ ওচৰলৈ যোৱাটো পাতলাই দিলোঁ। সত্ৰাধিকাৰৰ গুৰুতৰ আত্মনিৰ্ভৰতা দেখি হাজৰিকাও অন্তত নৈৰাশ হল। নৈৰাশৰ কাৰণ, তেওঁৰ দেখিবলৈ আৰু বাকি নাথাকিল যে তেওঁৰ হাতৰপৰা চিকাৰ পলাল; আৰু সেই চিকাৰ গৈ কলিকতাৰ গোটাদেক বঙালী "মোচাহেবৰ" হাতত পৰিলগৈ। সেই "মোচাহেব" ঠগৰ ভিতৰত, সেই প্ৰথম দিন শিয়ালদহ ষ্টেচনৰপৰা লৈ যোৱা কচোৱানটো এক ব্যক্তি, আৰু কালীঘাটৰ ৰহাৰ কাষৰ "পাণৱালী" মাইকী দ্বিতীয় ব্যক্তি। মই দেখি স্পষ্ট বুজিব পাৰিলোঁ যে কচোৱানেৰে সৈতে সেই "পাণৱালী" গোটখাইছে। এদিন তাই আমাৰ অধিকাৰৰ ওপৰত খেৱালি জাল মাৰি তেওঁক "চিৰিয়াখানা" দেখুৱাবলৈ লৈ যাবলৈ সকলো বন্দবস্ত কৰি ঠিকঠাক কৰিছিল; দূৰদৰ্শী হাজৰিকাৰ শগুনী চকুৱে কেনেবাকৈ সেই ষড়যন্ত্ৰ ভেদ কৰিহে গোসাঁই-প্ৰভুক সেই যাত্ৰাত ৰক্ষা কৰিলে। এদিন এটা ঘটনা বৰ মজাৰ হৈছিল। মই কলিকতাৰ মোৰ বহাৰপৰা গোসাঁইৰ ওচৰলৈ গৈছিলোঁ। অঁৰখে ট্ৰেম গাড়ীত। তেতিয়া সন্ধ্যা লাগি ভাগিছিল। গেচৰ চাকিৰ পোহৰত দূৰৰপৰা দেখিলোঁ যে গোসাঁয়ে "পাণৱালীৰ" দোকানৰ ওচৰতে থিয় হৈ সেলেঙি লগাই "পাণ" খাই হাঁহি-মুখেৰে তাইৰে সৈতে ৰহস্যালাপ কৰিছে! মোৰ কৌতূহলটো বৰকৈ উদ্দীপিত হল, তেওঁলোকৰ সেই আলাপ শুনিবৰ মন গল। সেই অভিপ্ৰায়ত মই ট্ৰেমৰপৰা লাহেকৈ নামি পাণৱালীৰ দোকানৰ কাতে থকা গলিটোৰ ভিতৰত সোমাই লুকাই তাইৰ দোকানৰ কাষতে চোপা দিলোঁ। পাণৱালীৰ আগত গোসাঁইৰ স্ফূৰ্ত্তি দেখি মোৰ পেটত হাঁহিয়ে খুন্দি আনিছিল, কিন্তু কেনেবাকৈ ৰসভঙ্গ হব ভাবি তাৰ ওপৰত টানকৈ সোপা দিলোঁ। গোসাঁইয়ে অদ্ভুত ৰকমৰ বঙলা ভাষাৰে কিৰা-কিৰি অনেক ৰহস্যালাপ কৰি এবাৰ লাহে লাহে গীত ধৰিলে—

"সখী মোৰ মৰম বেদনা
কৰহ নাযায়।
দিবস ৰজনী হামু
চিন্তিতে চিন্তিতে
আঁকুল পৰাণ গোঁয়ায়॥"

গীত শুনি "পাণৱালীয়ে" মিচিকীয়া হাঁহি মাৰি লাজৰ ভাও জুৰি ওৰণীখন কপালৰ ওপৰলৈ টানি এনে ভাবে মধুৰ কটাক্ষপাত কৰিলে যে খহটা ডিমৰু সত্ৰাধিকাৰৰ হৃদয়ত থকা মৌ-বিচনীখন মৌৰে ভৰি গল, গোসাঁই গদগদ হল, আৰু পাণৱালীয়ে মৃদুমন্দস্বৰেৰে বুলিলে—"যাওনা সৰে বাঙ্গাল বাবু, আৰ জ্বালিয়ো না, ভাল লাগেনা"! গোসাঁয়ে কলে "কেনে সখি, মোৰ ওপৰে ৰোষ কৰিছা কেনে? আমি তোমাকে ভাল পাই হে এনেকৈ কৈছোঁ। আমাক বঙ্গাল কৈছা কেনে? আমি বঙ্গাল না আছে।" এনেতে বাটৰ দুষ্ট লৰা এটাই, গোসাঁইৰ পিঠিত ওলমি পৰি থকা টিকনি-ডাল ধৰি বলেৰে আজোৰ মাৰি দি লৰি পলাই গুচি গল! গোসাঁয়ে ৰৱকৈ টান পাই উস্ উস্ কৰিবলৈ ধৰিলে। বাটকৰা ওচৰৰ জনচেৰেক মানুহে সেই কাৰ্য্য দেখি হো হো কৰে হাঁহিবলৈ ধৰিলে, আৰু পলাই যোৱা লৰাটোৰ ফালে বসবতী পাণৱালীয়ে চাই নিম্নলিখিত প্ৰকাৰে গালিবৰ্ষণ কৰিবলৈ ধৰিলে—"অভাগাৰ বেটা বদ্‌মায়েস! মৰতে পথ খুজে পাওনি? আমাৰ দোকানে খদ্দেৰ এসেছে, তাৰ পিছনে লাগছিস্! যা, যোমেৰ বাড়ী যা!" গালিৰ ওৰ পেলাই তাই আমাৰ গোসাঁইক সন্তুষ্ট কৰিবৰ মনেৰে আস্তেৰেস্তেকৈ "মিঠাপাণ" অৰ্থাৎ গান্ধপাণেৰে তামোল দুখন দি কলে "এস, এস, ঠাকুৰ পাণ খাও। দুষ্ট ছেলেগুলাৰ জ্বালায় অস্থিৰ। এবাৰ দেখতে পেলে বেটাকে পাহাৰাওৱালাকে ধৰিয়ে দেব। হেগা ঠাকুৰ, তোমাৰ বাড়ী আসাম কামিখ্যায়?"

গোসাঁই।—"এৰা, কামাখ্যা দেশে, আমাৰ ঘৰ বাৰী।"

পাণৱালী। "আমাকে তোমাদেৰ দেশে নিয়ে যাবে?"

গোসাঁই। "নিয়া যাব। তুমি যাবে? আমাৰ দেশ দেখিতে বৰ সুন্দৰ, বৰ বিতোপন।"

পাণৱালী। "তোমাদেৰ দেশেৰ মেয়েগুলি খুব সুন্দৰ না, আমাদেৰ মত কালীকিষ্টি ভূত? সেখানে, শুনছি নাকি মানুষকে ভেড়া বানায়?"

গোসাঁই। "তোমৰা কলা কৃষ্ণ নিশ্চয় নহয়। আমাদেৰ দেশেৰ মায়া মানুষ তোমাদেৰ ভৰি ধুৱাইবৰ যুইগ নহয়। আমাদেৰ দেশে মানুষকে



ভেড়া বনাই বলিয়া কোনে কলে? মিছা; গোটেই মিছা। কত মানুহ গৈছে আসিছে, কেওঁতো ভেড়াছাগলি হৈছে না।"

পাণৱালী। "আমি গেলে তুমি আমাকে খেতে পড়তে দেবে?"

গোসাঁই। "কেন নিদিম? দেশত আমাৰ বহুৎ ধন সম্পত্তি আছে, তুমি মজাচে খাইবা থাকিবা। আৰ কত কিতাপ আছে, পুৰাণ আছে, যত পঢ়িবাৰ মন কৰা পঢ়িবা।"

পাণৱালী। "তোমাদেৰ কিতাপ পড়তে আমি তোমাদেৰ দেশে যাব না; কাপড়চোপৰ দিলে পড়ব। না বাপু, তোমাদেৰ পুৰুষেৰ কথায় বিশ্বাস নেই, আমাকে নিয়ে গিয়ে জঙ্গলে ফেলে কোথায় পালাবে তাৰ ঠিক নেই, আমাদেৰ মত তোমাদেৰ মোন সৰল না।" এই বুলি পাণৱালীয়ে গুণ্ গুণাই গান ধৰিলে—

"ৰমণীৰ মন সৰল যেমন পুৰুষ যদি তেমনি হোত।
তবে কেন ৰঘুনাথ জানকীৰে বোনে দিত।
দময়ন্তী দিয়ে বনে,
নল পালাল অন্য বনে,
দয়া নাই পুৰুষেৰ মনে"—

এনেতে হঠাৎ খহটা-ডিমৰু সত্ৰাধিকাৰ গোসাঁয়ে "আইও" বুলি চিঞৰি জঁপিয়াই উঠিল। পাণৱালীয়ে "কি হল, কি হল?" বুলি ব্যস্ত হৈ দেখিলে যে তাইৰ admirer ৰূপমুগ্ধ "বাঙ্গাল বাবু ঠাকুৰে" একাগ্ৰমনে নেত্ৰ-ভ্ৰমৰেৰে তাইৰ ৰূপমাধুৰী পান কৰি, গানৰ ৰস কৰ্ণকুহৰৰ কলহত ভৰাই থাকোঁতেই, সম্ভৱতঃ সেই আগৰ দগাবাজ লৰাটোৱেই কৰবাৰপৰা এচপৰা ডাঙৰ ইটা আনি মনে মনে পিছফালৰপৰা, গোসাঁইৰ ওলমি-থকা চুৰিয়াৰ পোঙ্গত ভৰী এডালেৰে সেই ইটাচপৰা বান্ধি দি গুচি গৈছিল। গোসাঁয়ে পাণৱালীৰ গান শুনি উৎসাহত আগ বাঢ়ি যাওঁতে ইটাচপৰাই তেওঁৰ চুৰিয়াৰ পোঙ্গটো টানি ধৰাত তেওঁ ভয় খাই সেই দৰে চিঞৰি জঁপিয়াই উঠিছিল! এইবাৰ এই ঘটনাৰ পিছত "পাণৱালীৰ" দোকানৰ ওচৰত অনেক মানুহ গোট খালে; আৰু সকলোৱে কাৰ্য্যটো ভালকৈ তলকি গোসাঁইৰ বিপদত সহানুভূতি কৰক ছাৰি অতিৰিক্ত আমোদ হে উপভোগ কৰিবলৈ ধৰিলে। মই আৰু সহিৰ

নোৱাৰিলে । লুকুৱা ঠাইৰপৰা ওলাই আহি সেই ঘটনাস্থলত উপস্থিত হৈ গোসাঁইক মাতি লৈ গৈ তেওঁ থকা ঘৰত সোমালোঁ ।

১৫ দিন মাত্ৰ খহটা-ডিমৰু সত্ৰাধিকাৰ কলিকতাত আছিল ; কিন্তু এই ১৫ দিনৰ ভিতৰত দিনৌ দুশ টকা হিচাপত তেওঁৰ ত্ৰিশ শ টকা খৰচ হল । কালীঘাটৰ পাণ্ডা, বজাৰৰ পোহাৰৰ দোকানী পোহাৰী, গাড়োৱান, থিয়েটাৰ, "মোচাহেব" ( অৰ্থাৎ গাত জোক লগাদি লাগি থাকি খোচামোদ কৰা জাতৰ এবিধ ঠগ মানুহ ) ইত্যাদি বোৰৰ ভিতৰত সেই ত্ৰিশ শ টকা বিভক্ত হৈছিল । অৱশ্যে এই ত্ৰিশ শৰ ভিতৰত ৬৪ টকাৰ "পাণ" আৰু ২০৮ টকাৰ "মিঠাই" এই দুটা বুজন বিধৰ খৰচো আছিল । কিন্তু ইমান টকাৰ "মিঠাই", চিৰা, "পাণ" যে সোপাই গোসাঁইৰ নিজৰ পেটত সোমাইছিল এনে নহয় ; সেইখিনি টকা সেই দুদফা বস্তুৰ পিছত গৈছিল, এই মাত্ৰ ।

অন্তত দুটা লেঠাৰ বাবে খহটা-ডিমৰু সত্ৰাধিকাৰ কলিকতা এৰি যাব লগীয়া হল । ১মটো dysentry বা গ্ৰহণী, ২য়টো টকাৰ পৰালিপৰা । বজাৰৰ পচা "মিঠাই" আৰু ঠগ মোচাহেবৰ অনুগ্ৰহত অৱশ্যে । কঠাল পকা দেখিলে তাত আঙুলি খুসুমোৱা মানুহ কেইটা আছে ? যি হওক, গ্ৰহণী আৰু পাণ্ডা এই দুইবো ওচৰত যথাক্ৰমে নৰীয়া আৰু ধৰুৱা হৈ আমাৰ খহটা ডিমৰু সত্ৰাধিকাৰ বহাগৰ ১৩ তাৰিখে আসামলৈ উভতি যাবলৈ বুলি শিয়ালদহ ষ্টেচন পালেহি । মই তেওঁক পকাভকতেৰে সৈতে ৰেলগাড়ীত তুলি দি, মোৰ বহালৈ উভতি আহিলোঁ । কৰলৈ পাহৰিছোঁ যে তাৰ দুদিনৰ আগবেপৰা হাজৰিকা মহাশয় অন্তৰ্দ্ধান হল, তেওঁক আৰু বিচাৰি পোৱা নগল । উপাখ্যানটোৰ একেবাৰে ওৰ পেলাই দিয়াৰ আগতে কওঁ যে আমাৰ সেই গুৱাকটাক শিয়ালদহ ষ্টেচানলৈ আকৌ "দুই ঘোৰাৰ গাড়ীত" অৰ্থাৎ ঠিকা পাল্কী গাড়ীত তুলি আনোতে তেওঁ মিচিকীয়া হাঁহি মাৰি মাৰি বাটৰ দুই ফালে কাৰবাৰ ফাললৈ হেপাহৰ চকুৰে চাবলৈ পাহৰা নাছিল । ইয়াৰ আগেয়ে মই তেওঁৰ লগৰীয়া আন এজন ভকতৰ মুখৰপৰা, কেন্দুৰাম মেধিয়ে গুৱাকটাৰ মনৰ ওপৰত এই দৰে প্ৰভাৱ বিস্তাৰ কৰাৰ ৰহস্যটো উলিয়াই লৈছিলোঁ,—কেন্দুৰামৰ ডেকনী উঠন জীয়েক আছিল, তাৰে বৰজনীত গুৱাকটাই বিষয়া হৈ চাপিবৰ ইচ্ছা কৰিছিল । ইতি



শ্ৰীমৎ ববৰুৱায়াং জীৱনচৰিত্ৰে মহাপুৰাণে ববৰুৱা বৰাসংবাদে জীৱনচৰিত্ৰস্য সন্ধুলি সংহিতায়াঃ দ্বিতীয়োধ্যায়ঃ ।

বৰা ।—আধ্যা পৰিলেই নে ?

ববৰুৱা ।—পৰিল পৰিল, নপৰিল নপৰিল, তুমি সোনকালে ইয়াৰপৰা উঠি যোৱাঁ এতিয়া !

---

# কিমানলৈ সাজু ।

( ২ )

শাৰীৰিক বা মানসিক নিছাৰ কোনো নিজক সাজু যেন অনুভৱ কৰি আগবঢ়া মানুহৰ মনত, নিছা ভাগিলে অনুতাপৰ সঞ্চাৰ হয় । কিন্তু যিজন মানুহে মন থিৰ কৰি ভাবি চিন্তি কাৰ্য্যৰ ফলাফলৰ নিমিত্তে সম্পূৰ্ণৰূপে সাজু হৈ আগ বাঢ়ে, তেওঁৰ কেতিয়াও কোনো অৱস্থাতেই অনুতাপৰ সঞ্চাৰ নহয় । অৱশ্যে নিজৰ মনটোক তেনেদৰে বিশ্লেষণ কৰি সঠিকৰূপে বুজিব পৰা মানুহৰ সংখ্যা পৃথিবীত বৰ সৰহ নহয় । খঙৰ কোবত বলিয়া হৈ, ভায়েকে ককায়েকক কাটি, পুতেকে বাপেকক বধি, পাছত পস্তোৱাৰ উদাহৰণ পৃথিবীত ৰাশি ৰাশি । খঙৰ নিছা থকা খিনি সময়ত এনে লাগে যেন, তেওঁ কোনো-কাহানিও নপস্তাব, যি কৰিবলৈ আগ বাঢ়িছে ভালকে কৰিছে । কিন্তু কাৰ্য্য শেষৰ পাছত মনটোৱে অগৈয়ে নেদেখা বহুত কথা দেখিবলৈ পায় আৰু বিবেচনাৰ গতিও অইন বিধৰ হয় । এই দৰে নিজৰ মন বুজাত মানুহে বহুত সময়ত ডাঙৰ ডাঙৰ ভুল কৰে । সেই বাবে উচিৎ অনুচিত ঠিক কৰিবৰ নিমিত্তে, নিজক বিভিন্ন অৱস্থাত পেলাই, বিভিন্ন সময়ত নানাৰকমে কথাটো ভাবি চাব লাগে । সুস্থ অৱস্থাত তোমাৰ মনোভাব যেনে, বেমাৰী অৱস্থাত তেনে নাথাকে । আগৰদিনৰ জ্ঞানী এজনে কৈ গৈছে, "খৰি দি আহিবৰ পাছত, ভাতপানী খাই উঠিবৰ পিছত, আৰু মৈথুনৰ পাছত, মানুহৰ মনটো যেনে থাকে, সকলো সময়তে যদি মনটো তেনে থাকিলহেঁতেন, তেনেহলে সশৰীৰে স্বৰ্গলাভ সম্ভৱ হলহেঁতেন ।" মই কিতাপ এখনত পঢ়িছিলোঁ,—ইউৰোপৰ এজন

ৰাজমন্ত্ৰীয়ে ভীক্ষাৰীবিলাকৰ সম্বন্ধে কিবা আইন এখন কৰিবৰ প্ৰস্তাৱ কৰিব খোজাৰ আগেয়ে, নিজে কেইদিনমান ঠিক ভিক্ষাৰীৰ অৱস্থাত থাকি, অচিনাকী ঠাইত ভিক্ষা কৰি, জীৱিকা উপাৰ্জ্জন কৰিছিল। অইনৰ নিমিত্তে কি কৰা উচিত, কি কৰা অনুচিত তাৰ মীমাংসা কৰিবৰ নিমিত্তে অইনে যি স্থলত ইমান কষ্ট সহি, জ্ঞানাৰ্জ্জন কৰাৰ আৱশ্যক বিবেচনা কৰা হয়, সি স্থলত আমাৰ নিজৰ সম্বন্ধে কি কৰ্ত্তব্যাকৰ্ত্তব্য তাক সাৱধানে স্থিৰ কৰিব খুজিলে, তাতকৈ এশ গুণ বেছি কষ্ট সহিও নিজৰ মনটো বুজিবলৈ পাছ হোইকা মৰা যে উচিত নহয় সেইটো বোধকৰোঁ কোনেও অস্বীকাৰ নকৰিব। বাস্তৱিকতে কোনো বিষয়ে কৰ্ত্তব্যাকৰ্ত্তব্য স্থিৰ কৰা, মানুহে যেনে সহজ বুলি ভাবে তেনে নহয়। ক্ষুদ্ৰ একোটা সিদ্ধান্ত কৰোঁতে মহা মহা মন্ত্ৰীৰো মূৰ ঘামি যায়। ভুল বাটেদি গ'লে, সামান্য কথাৰেপৰা তোমাৰ সৰ্ব্বনাশ ঘটিব পাৰে। আত্মসংযমী হৈ pros and cons ভাবি চাব পাৰিব লাগে। কোনো কোনো মানুহৰ অৱশ্যে তেনে কৰিবৰ শক্তিটো বৰ চোকা আৰু খৰ।

ভূত প্ৰেত বিশ্বাস নকৰোঁ বুলি দিন—দুপৰত খুব বকিব পাৰোঁ আৰু সেই সময়ত এনে লাগে যেন দুপৰ নিশাত মনৰ ভাব ঠিক তেনে থাকিব। কিন্তু আন্ধাৰ দুপৰ নিশা অকলশৰীয়া অৱস্থাত সকলোৱে সেই ভাব ৰক্ষা কৰিব নোৱাৰে।

নিৰাশ্ৰয় বেমাৰী বন্ধুৰ দুখৰ কথা শুনি নিজেও কান্দিব পাৰোঁ আৰু বক্তৃতাৰ কোবত লোককো কন্দুৱাব পাৰোঁ। এনে লাগে যেন অনন্তকাল তেওঁৰ শুশ্ৰূষা কৰিব লগীয়া হলেও আমি নাভাগৰিম। কিন্তু কাৰ্য্যক্ষেত্ৰত মনোভাব আৰু তেনে নাথাকে। কৃত্ৰিম আৰু অকৃত্ৰিম স্নেহৰ এইবোৰ পাই পৰীক্ষাৰ ঠাই।

কেতিয়াবা মৃত্যুলৈ সাজু নোহোৱাকৈও তালৈ সাজু আছোঁ যেন লাগে কিন্তু কাঁছিৰ জৰীগছ ডিঙিত লগালেহে তাৰ চিন ওলায়।

অকলশৰীয়া গুৰিপকৰা এটা মাৰিবলৈ বলৱান একনে ককালত টঙালী বান্ধি মৃত্যুলৈ সাজু হৈ আগবাঢ়িব নালাগে। কিন্তু পকৰাৰ দৰে ক্ষুদ্ৰ মহৰ আগত, আকৌ, তেওঁৰ স্বাভাবিক শক্তি মূল্যহীন। বুদ্ধিয়ে



সাজু হব লাগিলে, তেওঁ মহৰ কামোৰত মেলেৰিয়াত পৰি মৰিব লাগিব। সংসাৰত আমি যে অকল পকৰাৰ লগত হে যুদ্ধ দিব লাগিব তেনে নহয়। বাঘ, ঘোঙ, সাপ, উৰহ, ঘৰিয়াল ইত্যাদি আমাৰ বহুত শত্ৰু আছে। আত্মৰক্ষা আৰু আক্ৰমণৰ স্বাভাবিক শক্তিত ইহঁতৰ বহুত আমাতকৈ শ্ৰেষ্ঠ। শুদা মুখখন লৈ সাপ বা বাঘ মাৰিবলৈ বুদ্ধিমানে আগ নাবাঢ়ে। নিজে আধামৰা হৈ আনক মাৰি আহিব পাৰিলেও সিমান লাভ নাই। হাতিয়ে পকৰা গছকি মৰাৰ দৰে, নিজেই আওহেলে শত্ৰুক হকুৱাব পৰাৰমান সামৰ্থ্য আমাৰ গাত গোটাই লব লাগিব। পানীত ঘৰিয়াল মাৰি নিৰাপদে উভতি আহিব পাৰিলেহে বাহাদুৰী। যুদ্ধত দুটা কথালৈ বিশেষকৈ চকু ৰখা আৱশ্যক। এটা হৈছে শত্ৰুক মাৰিব পৰা আৰু আনটো হৈছে নিজে নিৰাপদে আহিব পৰা। এনে কৰিব খুজিলে আগৰেপৰা সাজু হৈ লোৱা আৱশ্যক। তুমি এটা বাঘ মাৰিবলৈ দৃঢ়প্ৰতিজ্ঞ। কিন্তু সেই বুলিয়েই তুমি যদি নালীয়া কটাৰীখন লৈ বাঘ মাৰিবলৈ আগবাঢ়া, তুমি সফলকাম হবৰ সম্ভাৱনা কম, বাঘৰ হাতত প্ৰাণ হেৰুৱাবৰ সম্ভাৱনাহে বেছি। তোমাৰ মনস্কামনা পূৰ্ণ কৰিব খুজিলে, তুমি টঙি সাজি বন্দুক বিচাৰি লৈ সাজু হব লাগিব। উদ্দেশ্য সিদ্ধিৰ পাছত মৰিলেও সুখ আছে। কিন্তু উদ্দেশ্যও সফল নহল, অথচ প্ৰাণটোও যদি যায়, তেনেহলে, তাতকৈ বেজাৰৰ কথা আৰু কি হব পাৰে ?

অকল সম্মুখৰ শত্ৰুটোৰ নিমিত্তে সাজু হৈ আগ বাঢ়িলে নহব। তাৰ পাছত কি তালৈকো মন কৰিব লাগিব। সাধাৰণ মানুহে মুখৰ আগৰ বিপদ বা শত্ৰুটোহে মাথোন দেখে। কিন্তু সমৰকুশল বিজ্ঞ সেনাপতিয়ে আগ পাছ চাৰিওকালে চকু ৰাখি সাৱধানে আগবাঢ়ে। প্ৰসিদ্ধ উপন্যাস লেখক ডিকেন্সৰ "Pickwick papers" নামৰ কিতাপৰ এঠাইত এই বিষয়ে এটা বঢ়িয়া উদাহৰণ আছে। উপন্যাসৰ নায়ক পিক্‌উইকৰ এদিন উকীল একনৰ ওপৰত খং উঠিছিল। উকীলজনে পিক্‌উইকৰ খঙৰ মাত্ৰা চৰিবৰ যিমান পাৰে সুবিধা কৰি দিছিল। পিকউইকে খঙত উকীলক একানৰপৰা গালিপাৰি নিবলৈ ধৰিলে। উকীলে পিকউইকক উচটাই দিবলৈ ধৰিলে, কিন্তু গালিবোৰ সাক্ষী ৰাখি লেখি যাবলৈ ধৰিলে।

খওৰ মাত্ৰা অতিপাত চৰিলত, উকীলজনে নিজৰ গাটো, পিকউইকৰ হাতৰ ওচৰ চপাই দি কলে, ডাঙৰীয়াৰ কি জানি মোক মাৰিবলৈকো ইচ্ছা হৈছে হব পায়। মই একেবিকে প্ৰতিৰোধ নকৰোঁ, আপুনি নিৰ্ভয়ে মোক আঘাত কৰিব পাৰে " পিকউইকৰ এনেই খং উঠি আছিল। তেওঁ উকীলৰ পিঠিটো নিচেই ওচৰতে পাই দুই এক ঘোছা বহৱাই দিবৰ নিমিত্তে আস্তিন কোঁচাই লৈছিল। কিন্তু তেওঁৰ ওয়েলাৰ নামক চাকৰে তেওঁক টানি লৈ গল। পিকউইকক টানি নিবৰ বেলিকা ওৱেলাৰে চহা ভাষাত হলেও এই বিষয়ে সাৰুৱা কথা এষাৰ কৈছিল : ইয়াত উকীলৰ উদ্দেশ্য, পিকউইকক কোনোমতে দণ্ডবিধি আইনৰ "ধাৰাৰ" আমোলৰ ভিতৰলৈ আনি লোৱা। পাছত মাথি অালত পৰিলে মকৰাই যি কৰে উকীলেও তাকে কৰিলেহেঁতেন। পিকউইকে উকীলক ঘোছা এটা মৰাহেঁতেন উকীলৰ উদ্দেশ্য সিদ্ধিৰ বিষয়ে সহায় হৈ তেওঁৰ মিত্ৰৰ কামহে কৰা হলহেঁতেন। এনে স্থলত প্ৰকৃততে শত্ৰুতা সাধিব খুজিলে আত্মসম্বৰণ কৰাহে যুগুত।

ভাপৰ জোৰত চলা কলত প্ৰথমে চুৰিয়াৰ বা গাৰ অইন কাপোৰৰ আগটোহে অকস্মাৎ মেৰথাই ধৰে। কিন্তু মুহূৰ্ত্তৰ ভিতৰতে কলে গোটেইটো মানুহকে টানি নি তাক মাংসপিণ্ডত পৰিণত কৰে। সেই দৰে অতি সামান্য শত্ৰু বা বিপদৰ পাছত ডাঙৰ শত্ৰু বা বিপদ থাকিব পাৰে। পাছত লুকাই থকা শত্ৰু বা বিপদলৈ সাজু হৈহে খোজ লবোৱা উচিত। অতি সামান্য ঘটনাৰেপৰা হঠাৎ বিপদৰ গুৰুত্ব বাঢ়ি যাব পাৰে।

সংসাৰ এনে যে, অৱস্থাই তোমাক একে ঠাইতে থিৰেৰে হাত ভৰি সাবটি বহি থাকিব নিদিয়ে। তুমি সাজু হোৱা বা নোহোৱা তোমাক হেঁচিঠেলি আগলৈ লৈ যাব। আগলৈ নিব নোৱাৰিলে, গঁতামাৰি দাতিত পেলাই দিব।

সংসাৰ বৰ বিষম ঠাই। ধন মান প্ৰাণ উৎসৰ্গ কৰিবলৈ তুমি সাজু নোহোৱা। সেইবাবে তুমি কাকো জোকাই নলৈ নিজক চম্ভালি ফুৰা। কিন্তু তুমি যিহকে কৰা, তোমাক আত্মৰক্ষা কৰিবলৈ অসমৰ্থ যেন দেখিলে, দুষ্ট মানুহে তোমাৰ ধন মান বলেৰে কাঢ়ি নিবলৈ চেষ্টা কৰিব। তুমি কপালৰ ঘাম ভৰিত পেলাই কুঁহিয়াৰ খেতি তুলিলা, চোৰে একে নিশাতে তোমাৰ কুঁহিয়াৰ-বাৰী উদং কৰি পেলালে, তুমি নগদ পইচা দি টিকট



কিনি ৰেলগাড়ীত উঠিলা, এজনে অনাহকতে তোমাক গাড়ীৰপৰা গঁতিয়াই উলিয়াই পঠিয়ালে। অকল মানুহ হে যে মানুহৰ শত্ৰু তেনে নহয় ; শিয়াল, নিগনি, পইতাচুৰুণীৰে পৰা বাঘ, ভালুক, সাপ, ধুমুহা, ভুঁইকপলৈকে আটাইবোৰৰ নিমিত্তে আমি সাজু হব লাগিব। কোনটো শত্ৰুক কেনেকৈ বশ কৰিব পাৰি তাৰ উপায় উলিয়াই লব লাগিব। আত্মৰক্ষাৰ নিমিত্তে তোমাৰ দুৰ্গ থাকিব লাগিব। শত্ৰুৰ নাজেদিহে তোমাৰ জিকাৰ বাট। বুধিয়ক মানুহে নিজৰ নিমিত্তে সুগম বাট আবিষ্কাৰ কৰি হেঁচা-ঠেলাৰ হাত সাৰি আনতকৈ শীঘ্ৰ জিকাৰ বাটত আগ বাঢ়িব পাৰে।

জ্ঞানী মানুহৰ ভবিষ্যদ্দৃষ্টি চোকা। তেওঁবিলাকে অতীত আৰু বৰ্ত্তমান অৱস্থালৈ চাই ভবিষ্যতৰ বহুত কথা সঠিককৈ কৈ দিব পাৰে। এটা সংস্কৃত শ্লোক আছে, তাত কৈছে :—

ভবিষ্যতত কি বিপদ ঘটিব, জ্ঞানীয়ে ভালেমান দিনৰ আগৰেপৰা তাৰ উমান পায়। অলপ কম বুধিয়কে বিপদটো আহি মুখৰ আগত উপস্থিত হলেহে তাৰ সম্বাটো উপলব্ধি কৰে। মুৰ্খই কিন্তু বিপদ ঘটি গলেহে বিপদৰ অস্তিত্ব বুজিব পাৰে। "ভূতে পশ্যন্তি বৰ্ব্বৰাঃ।"

প্ৰাণ দিবলৈ সাজু হোৱাটো তেজস্বী আৰু জ্ঞানী মানুহৰ শেষ অৱলম্বন। যেতিয়া আন সকলো উপায় নিষ্ফল হয়, তেতিয়া তেজস্বী মানুহবিলাকে উদ্দেশ্য সিদ্ধিৰ নিমিত্তে নিজৰ প্ৰাণ উৎসৰ্গ কৰিবলৈ সাজু হয়। প্ৰাণীৰ নিমিত্তে প্ৰাণ বৰ মূল্যবান বস্তু। মনুষ্য জীৱনটো যথেমধে দলিয়াই পেলোৱা বস্তু নহয়। যিমান পৰা যায় ইয়াৰ সদ্ব্যৱহাৰ কৰা উচিত।

নীলামত কোনো এটা বস্তু ডাকিবৰ বেলিকা, যিমানলৈকে ডাকিব, বুদ্ধিমান মানুহে আগেয়ে সেইটো পেটে পেটে ঠিক কৰি লয়। পাঁচ টকাত কিনিবলৈ পোৱা বস্তু এটা যদি কোনো মানুহে জিদত পৰি, নীলামত পাঁচ শ টকা দি ডাকি লয়, তেনেহলে তেওঁৰ বুদ্ধিটো আমি নশলাগোঁ। ঠিক সেই দৰে য'ত নিজৰ জীৱন দানৰ বা পৰৰ প্ৰাণ লবৰ দৰকাৰ নাই তত নিজৰ জীৱন দান কৰাটো বা পৰৰ প্ৰাণ লোৱাটো জ্ঞানী আৰু বুদ্ধিমান মানুহৰ কাম নহয়।

"ৰোগৰ মূল কাৰণ বিচাৰি উলিয়াই তাৰ দৰৱ দিলেহে সুফল ফলে।

ৰোগৰ বহিৰ্বিকাশটোৰ মাথোন দৰব দিলে স্থায়ী উপকাৰ নহয়। শিপা কাটিলে গছ মৰে, কিন্তু আগ কাটিলে আকৌ পোথাব পাবে। সুবিজ্ঞ ডাক্তৰেহে ৰোগৰ ঘাই কাৰণ বিচাৰি উলিয়াই উপযুক্ত দৰব দিব পাবে। অজ্ঞ মানুহে অৰবিকাৰত প্ৰলাপ বকা ৰোগীকো, ভূতে পাইছে বুলি, লো তঁপতাই বৰ্ধলাবৰ্ধলে পোৰে।

তোমাৰ ঘৰ পথৰুৱা দ মাটিত; মহৰ বৰ উৎপাত। তুমি যদি দিনে ৰাতিয়ে এটা এটাকৈ মহ চপৰিয়াই মাৰি মহবংশ নিৰ্ম্মূল কৰিবলৈ সাজু হোৱা, তুমি অকল তাকেহে কৰিব পাৰিবা, অইন কোনো ভাল কাম কৰিবলৈ আৰু আহৰি নাপাবা। কিন্তু ইমান কৰিও তুমি মহবংশ নিৰ্ম্মূল কৰিব নোৱাৰা। পথৰুৱা দ মাটিত মহৰ উৎপত্তি আৰু বৃদ্ধি স্বাভাবিক। এনে অৱস্থাত তোমাৰ নিমিত্তে ৫টা বাট মুকলি আছে:—

(১) দিনে ৰাতিয়ে মহ চপৰিয়াই মাৰি আয়ুক্ষয় কৰা।
(২) মহৰ কামোৰ খাবলৈ তোমাৰ নিজৰ গাক অভ্যস্ত কৰা।
(৩) দ মাটিক বাম মাটি কৰি মহৰ উৎপত্তিত বাধা দিয়া।
(৪) স্থান ত্যাগ কৰি বাম ঠাইত ঘৰ লোৱা।
(৫) আঠুৱা ব্যবহাৰ কৰি মহৰ পৰা নিৰাপদ হোৱা।

শেষৰ বিধ উপায়েই নিচেই সস্তা উপায়। প্ৰথম বিধ নিচেই নিকৃষ্ট উপায়। মহৰ উৎপত্তিৰ কাৰণ আৰু তাক গুচাবৰ নিমিত্তে বৈজ্ঞানিক কোনো সহজসাধ্য উপায় অৱলম্বন কৰিবলৈ সদাই যত্নবান থকা উচিত।

চাণক্য পণ্ডিতৰ ভৰিত কুশবনে ফুটাত তেওঁ হেনো পৃথিবীত কুশবন নোহোৱা কৰিবৰ নিমিত্তে কুশবনৰ গুৰিয়ে গুৰিয়ে কিবা দৰব দি ফুৰিছিল। যদি এই কথা সঁচা হয়, তেন্তে ইয়াত অলপ আচৰিত হবলগীয়া। জোতা ব্যৱহাৰ কৰিলেই দেখোন কুশে ফুটিব নোৱাৰে। অনৰ্থক মূল্যবান সময় নষ্ট কৰি ইচ্ছাশক্তি বিহীন উদ্ভিদ এবিধক মাৰি ফুৰাৰ সাৰ্থকতা কি?

নিৰস্ত্ৰ অৱস্থাত ভীষণাকাৰ বাঘ দেখা পালে মানুহৰ পক্ষে পলাই প্ৰাণ ৰক্ষা কৰিবলৈ চেষ্টা কৰাটোৱেই স্বাভাবিক। আৰু তেনে কৰিলে সাধাৰণ মানুহৰ পক্ষে নিন্দনীয় একোৱেই নাই। কিন্তু আত্মৰক্ষাৰ উপায় নোহোৱা অৱস্থাত তেনে বাঘৰ লগত লাগিবলৈকো মানুহ যোৱাটো বুদ্ধিমানৰ কাম নহয়।



মানুহৰ ভিতৰত বাঘ, মহ, জোক, শিয়াল, সাপ, বান্দৰ কুকুৰ ইত্যাদি জন্তুৰ স্বভাববিশিষ্ট মানুহ বহুত আছে। একেজন মানুহৰ গাতে বিভিন্ন সময়ত বিভিন্ন জন্তুৰ প্ৰকৃতিৰ সঞ্চাৰ হব পাৰে। এইবোৰ জন্তুৰপৰা আত্মৰক্ষা কৰিবলৈ কিংবা এইবোৰ জন্তুক সাঙ্কাতে বান্ধিবলৈ আমি যেনে উপায় অৱলম্বন কৰোঁ, এইবোৰ জন্তুৰ স্বভাববিশিষ্ট মানুহেৰে সৈতে ব্যৱহাৰ কৰোঁতেও আমি তেনে উপায় অৱলম্বন কৰা উচিত। "যেনে কুকুৰ তেনে টাঙোন" কথাষাৰ প্ৰবাদবাক্য। কিন্তু "যেনে বাঘ তেনে টাঙোন" কোনেও নকয়। কিন্তু "যেনে বাঘ তেনে ফান্দ" বা "যেনে বাঘ তেনে গুলি" বা "যেনে বাঘ তেনে লৰ" ইত্যাদি বাক্যও প্ৰবাদ বাক্য হোৱা উচিত। ভীমাকৃতি মানুহ এটাই যেতিয়া ক্ৰোধোন্মত্ত হৈ run amuck কৰে, তেতিয়া সি সেই সময়ৰ নিমিত্তে ব্যাঘ্ৰত্ব প্ৰাপ্ত হয়। তেতিয়া তাক মানুহ বুলি নাভাবি বাঘ বুলি অনুমান কৰাহে যুগুত।

নানা বিপদৰ মাজেদি প্ৰাণটোক নিৰাপদে ৰক্ষা কৰি উদ্দেশ্যৰ ঠাইত উপস্থিত হব পৰাতহে বাহাদুৰী।

শেষ ৰক্ষা কৰিব পৰাতোহে কথা। তুমি, বেণ্ড বজাই "মাৰ্চ্চ" কৰি যোৱা ৰেজিমেণ্টৰ মাজেদি ইচ্ছা কৰিলে তোমাৰ বাইচাইকেল চলাই নিবলৈ আগবাঢ়িব পাৰা। কিন্তু তুমি যে শেষ ৰক্ষা কৰিব নোৱাৰিবা এই কথা ধ্ৰুৰূপ। য'ত যুদ্ধ কৰিলে উচ্ছেদ অৱশ্যম্ভাবী তত বুদ্ধিমান মন্ত্ৰীয়ে শক্তিসঞ্চয় কৰিবলৈ সময় পাবৰ কাৰণে অপমান আৰু ক্ষতিস্বীকাৰ কৰিও সন্ধি কৰিবলৈ বিশেষ যত্নবান হয়। শত্ৰুক মৰাৰ লগে লগে যদি নিজেও মৰিব লগীয়া হয় তেনেহলে নিজৰ নিমিত্তে একো লাভ নাথাকে। যুদ্ধত থাটি শত্ৰুৰ হাতত মৰা আৰু এই দৰে মৰা এই দুই বিধ মৃত্যুৰ ভিতৰত কি পাৰ্থক্য আছে, ব্যৱসায়ী হিচাপে চালে তাক আমি লেখত নধৰিলেও হয়। ঘোৰদৌৰত এজন কচোৱানে যদি মাজ বাটতে ঘোৰাৰপৰা পৰি মৰে আৰু আন এজনে যদি প্ৰথম হৈ Goal post পাৰ হৈয়েই ঘোৰাৰ পৰা পৰি মৰে, তেনেহলে জিকোঁতাজনৰ পক্ষে এই জয়লাভ নামতহে মাথোন নহয় নে? শত্ৰুক ঘটুৱাবৰ নিমিত্তে যিখিনি শক্তি সামৰ্থ্যৰ দৰকাৰ সেইখিনি শক্তিসামৰ্থ্য খৰচ কৰিও, গুদামত যথেষ্ট শক্তিসামৰ্থ্য জমা থাকিব,

এনে এটা আন্দাজ বুজি লৈহে বুদ্ধিমান মানুহে শত্ৰুৰ লগত যুদ্ধ দিবলৈ আগবাঢ়ে।

ফেটীসাপৰ নেগুৰত কোব মাৰিবৰ আগেয়ে সদায় মনত ৰাখিব লাগে যে তাৰ মুখ এখনো আছে। ৰাজশক্তি, সমাজশক্তি, সম্প্ৰদায়শক্তি প্ৰভৃতি একোটা প্ৰকাণ্ড ফেটীসাপৰূপে সংসাৰত বিদ্যমান, এইবোৰক জোকাই লোৱাত সাৱধান হবা।

স্ৰোতস্বিনী নৈৰ পানীৰ লানি নিছিগে। তুমি পাৰ হব খুজি পানী বৈ ওৰ পৰিবলৈ বাটচাই থাকিলে তোমাৰ আশা নিষ্ফল হব। জিকাত বিপদ আপদ শত্ৰু ইত্যাদি সম্পূৰ্ণৰূপে নোহোৱা কেতিয়াও নহয়। এটা শত্ৰুৰ লগতে তোমাৰ গোটেইখিনি শক্তি নষ্ট হৈ গলে ঘপ্ কৰে আন এটা শত্ৰু আহি তোমাক মুৰ ডাঙিব নোৱৰাকৈ ধৰি ৰাখিব। তুমি উধাৰ খোজা যদি এই কথা সদাই মনত ৰাখি কাম কৰিবা। শক্তিসঞ্চয় কৰা! শক্তিসঞ্চয় কৰা! তোমাৰ নিচেই নগণ্য অঙ্গপ্ৰত্যঙ্গ বিলাকলৈকো শক্তিৰ সোঁত বলাই সেইবোৰত ধৰে-মানে শক্তিৰ সঞ্চাৰ কৰা। ভেকুলীয়ে একুৰি ৰূপ পালে তাকে মানুহৰ আগত জুন্দুক জুমুক কৰি নজাই চহকী বোলাব খোজাৰ দৰে তোমাৰ সামান্য শক্তিৰ বিকাশ দেখুৱাই বলী বোলাবৰ চেষ্টা নকৰিবা।

তোমাক কোনোৱে চৰ এটা মাৰিলে তুমি যদি মকৰ্দ্দমা কৰা তেনেহলে অপৰাধীৰ কেইটকামান জৰিমনা নাইবা কেইমাহমান ফাটেক হব। কিন্তু অপৰাধীৰ এনে শাস্তিয়ে তোমাৰ মনত সন্তোষ নিদিয়ে। তোমাৰ হয়তো এনে ইচ্ছা হয় যে, অপৰাধীক বাঁধ ভীমে দুঃশাসনৰ ৰক্তপান কৰাৰ দৰে কেচাই কেচাই তাৰ ৰক্তপান কৰিলেও তোমাৰ হেঁপাহ নুগুচিব। মনত ৰখা উচিত, বৰ জ্ঞানী মানুহে এনে মনোভাবৰ নিন্দা কৰি গৈছে। জ্ঞানীসকলে Noble revenge-অৰ হে প্ৰশংসা কৰে। চৰটো মৰা বাবে তুমি তাক পাৰিলে শাস্তি দিবা কিন্তু সেই দণ্ড মৃত্যুদণ্ড হোৱা উচিত নহয়। তেনে কাৰ্য্য কৰিলে পাছত হয়তো তুমিয়েই পস্তাবা। এনে স্থলত নিজৰ মনোভাব অতিসাৱধানে বিশ্লেষণ কৰি চাব লাগে। মানীৰ অপমান অবজ্ঞে শিৰশ্চেদন তুল্য। কিন্তু মানী মানুহ প্ৰকৃত জ্ঞানী নহয়।



যিশু, বশিষ্ঠ ইত্যাদি মহাপুৰুষৰ ক্ষমাশীলতালৈ মন কৰিবা।

প্ৰকৃত জ্ঞানে মানুহক গুটীলগা গছৰ দৰে বিনয়ী কৰে। বিনয় নম্ৰ ভাৱতহে প্ৰকৃত শান্তি।

তোমাৰ মৰমৰ মাতৃদেৱীৰ জানিবা বৰ টান নৰিয়া। তুমি ডাক্তৰ মাতিবলৈ বা দৰৱ আনিবলৈ গৈছা। বাটত এটা দুষ্ট মানুহে অকাৰণতে ধন জোকাই লৈ তোমাক জানিবা চৰ এটা মাৰিলে। তুমি যদি মানুহটোক মাৰা, গোলমাল লাগি তোমাৰ দৰৱ নিয়াত পলম ঘটিব পাৰে। সেই মাৰামৰিত তুমি হাৰাই বা জিকাই, পলম ঘটাটো কিন্তু ধ্ৰুপ। এনে স্থলত তুমি কি কৰা উচিত? বাক্যব্যয় নকৰি চৰটো হজম কৰি, তোমাৰ উদ্দেশ্যৰ বাটেদি আগবঢ়াটোহে তোমাৰ প্ৰধান কৰ্ত্তব্য নহব নে? যদি প্ৰতিশোধ লব লাগে তেন্তে পাছত অইন এসময়ত লবলৈ ঠিক কৰি থোৱাটোহে মোৰ মনেৰে উচিত হব। হিন্দীত কিন্তু এষাৰ কথা আছে, তাত কৈছে :—

"হনৃনে পৰ্ হনিয়ে
গান্ লাভ মত্ গণিয়ে"

অৰ্থাৎ "তোমাক যদি কোনোবাই আঘাত কৰে তেন্তে হানি বা লাভলৈ নাচাই তুমিও তৎক্ষণাৎ প্ৰত্যাঘাত কৰিবা।" সাধাৰণ অৱস্থাত এই উপদেশটি পালন কৰা একান্ত কৰ্ত্তব্য। কিন্তু বিশেষ বিশেষ অৱস্থাত য'ত বৰ ডাঙৰ বিধৰ ফলাফল at stake থাকে ত'ত এনে কৰা জ্ঞানীসকলে অনুমোদন নকৰিব বুলি মোৰ বিশ্বাস।

সাধাৰণতঃ নিজৰ প্ৰাণদান দিয়াটোকে মানুহে-দিব-পৰা দানৰ ভিতৰত সৰ্ব্বশ্ৰেষ্ঠ দান বুলি ধৰা হয়। কিন্তু প্ৰাণতকৈও ডাঙৰ মানুহে দিব-পৰা কিবা আছেনে নাই সেই কথা এবাৰ ভাবি চাবলগীয়া। ইতিহাসত এনে বহুত মানুহৰ কথা পোৱা যায় যিসকলে নিজৰ একোটা মনোভাব বা বিশ্বাসৰ তুলনাত নিজৰ প্ৰাণটোক নিচেই তুচ্ছ যেন বিবেচনা কৰি গৈছে। যিশু, গেলিলিও, ক্ৰেনমাৰ ইত্যাদি মহাপুৰুষে নিজৰ মত বিশ্বাসৰ আগত প্ৰাণটোক নিচেই মূল্যহীন যেন বিবেচনা কৰি গৈছে; প্ৰাণকে এৰিছে তেওঁ নিজৰ মত বা বিশ্বাস এৰা নাই। এইসকল মহাপুৰুষৰ আগত সাধুতাৰ মূল্য নশ্বৰ প্ৰাণতকৈ বেছি। সেইবাবে কওঁ, মানুহৰ প্ৰাণতকৈও ডাঙৰ

দিবলগীয়া কিবা থাকিব পাৰে। দুৰ্য্যোধনৰ লেখিয়া অভিমানীয়ে যদি "অভিমান" বলিদান দিব পাৰিলেহেতেন তেনেহলে সেইটো প্ৰাণতকৈ শ্ৰেষ্ঠ দান দিয়া নহলহেতেন নে? তোমাৰ উদ্দেশ্য সিদ্ধিৰ নিমিত্তে তুমি যদি তোমাৰ আটাইতকৈ প্ৰিয় বস্তটোক বলিদান দিবলৈ সক্ষম হোৱা তেনেহলে তুমি ধন্য। তোমাৰ মুমূৰ্ষু জননীৰ নিমিত্তে তোমাৰ অতিপ্ৰিয় বৈৰ প্ৰতিশোধ স্পৃহাটোক যদি বলিদান দিব পাৰা, তেনেহলে জ্ঞানীয়ে তোমাৰ নিশ্চয় শলাগ লব। জননীৰ মঙ্গলৰ নিমিত্তে, মানীয়ে অপমান, বীৰে কাপুৰুষ বদনাম, উগ্ৰবীৰ্য্যপুৰুষে নপুংসকত্ব স্বীকাৰ কৰাটোক প্ৰাণতকৈও শ্ৰেষ্ঠদান বুলিব নোৱাৰি নে? সম্মুখ যুদ্ধত প্ৰাণ দিবলৈ সাজু, বীৰহৃদয়, চাৰি জন যুৱৰ পক্ষে ৰণক্ষেত্ৰে এৰি পলোৱাটোতকৈ ডাঙৰ ত্যাগস্বীকাৰ আৰু কি হব পাৰে? কিন্তু কৰ্ত্তব্যৰ অনুৰোধত তেওঁ তাকো কৰিছিল। ৰণক্ষেত্ৰৰপৰা পলাব পৰাতহে চাৰি জন যুৱৰ বীৰত্ব আৰু খ্যাতি। চাৰি জনে কৰ্ত্তব্যৰ নিমিত্তে প্ৰাণ বলিদান দিলে আৰু তাৰ লগে লগে তাতকৈও শ্ৰেষ্ঠ দান অৰ্থাৎ বীৰোচিতভাৱে সম্মুখ সংগ্ৰামলৈ আগবাঢ়িবৰ তীব্ৰ ইচ্ছাটোকো বলিদান দিলে। এই বাবেই যুদ্ধজয়ী হোৱাবাবে নেপোলিয়ন যেনে বীৰ বুলি পূজ্য, যুদ্ধত হাৰি পলোৱা সত্বেও চাৰি জন যুৱ এক হিচাপে প্ৰায় তেনে বীৰ বুলি আদৰণীয়। পৰ্ব্বতত উঠিব জনা যিমান লাগতিয়াল, নামিব জনাও তিমান লাগতিয়াল। অভিমন্যুৱে ব্যূহৰ ভিতৰলৈ সোমাব জানিছিল কিন্তু ওলাব নাজানিছিল। বাঘ মাৰিবলৈ যেনে সাহসৰ দৰকাৰ, সময়ত বাঘৰ হাতৰপৰা সাৰি আহিবলৈকো তেনে সাহসৰ দৰকাৰ। কাপুৰুষে বিপদত বিবুধি হয়। কিন্তু বীৰে বুদ্ধি খটাই কাম কৰিবলৈ নেৰে। হঠাৎ মানুহ এটাৰ গাত বাঘৰ স্বভাব লম্ভিলে সি খোলা তৰোৱাল হাতত লৈ যাকে তাকে কাটি ফুৰে। তেনে অৱস্থাত হঠাৎ তুমি তাৰ আগত পৰিলে ভয়ত তোমাৰ হাত ভৰিবোৰ যদি অলৰ-অথৰ হৈ নাযায় আৰু তোমাৰ বুদ্ধি যদি লোপ নাপায়, তেনেহলে, তুমি কটা গলেও তোমাক কোনেও কাপুৰুষ বুলি নিন্দা কৰিব নোৱাৰে। সাহীয়াল মানুহৰ নিমিত্তে এনে অৱস্থাত তিনটা বাট মুকলি আছে:—

(১) শত্ৰুক পৰাস্ত কৰা।



(২) পলাই শত্ৰুৰ হাতৰপৰা সাৰি অহা।

(৩) শত্ৰুক পৰাস্ত কৰিবলৈ গৈ নিজে মৰা।

তোমাৰ নিজৰ শক্তি আৰু অৱস্থালৈ চাই এই তিনটা বাটৰ যেই সেই বাটেদি তুমি খোজ লব পাৰা। মানুহে তোমাক অইন যিহকে নোলক কাপুৰুষ বুলিব নোৱাৰে। সাহস প্ৰকাৰ চিন নানা প্ৰকাৰে প্ৰকাশ পাব পাৰে। শত্ৰুৰ গুলিৰ আগত বুকু পাতি দিয়াত যেনে বাহাদুৰী, ক্ষিপ্ৰতাৰে অঙ্গসঞ্চালন কৰি শত্ৰুৰ গুলি গাত লাগিবলৈ নিদিব পৰাতো তেনে বাহাদুৰী। দুইবিধ কামতে সাহসৰ দৰকাৰ।

হনুমানে লঙ্কালৈ যাওঁতে বাটত সুৰসা ৰাক্ষসীৰ হাতত পৰে। হনুমানে সুৰসাৰ গাৰ অনুপাতে নিজৰ গা ডাঙৰ কৰি নিও সুৰসাক কোনো-মতে জিকিব নোৱাৰি শেহত নিচেই ক্ষুদ্ৰাকাৰ হৈ, সুৰসাৰ মুখে সোমাই কাণেদি ওলাই গুচি গ'ল।

এবিধ যুদ্ধ কৌশলৰ নাম হেনো "জম্বুকচাতুৰ্য্য"। শিয়ালে কুকুৰ পোৱালী চুৰ কৰিব খুজিলে হেনো দুটা শিয়াল লগ লাগি আহে এটা আহি মাইকী কুকুৰজনীৰ আগত দেখা দিয়ে। মাইকী কুকুৰজনীয়ে তাক খেদি খেদা ধৰিলে, সি নানা কৌশলেৰে তাইক পোৱালীবোৰৰ ওচৰৰপৰা আঁতৰাই লৈ যায়। এই সুবিধাতে আনটো শিয়ালে পোৱালি চুৰ কৰে। যুদ্ধৰ খেলি চালে, আৰু কাৰ্য্যক্ষেত্ৰতো মানুহে পৰস্পৰৰ ভিতৰত এনে জম্বুক চাতুৰ্য্যৰ সহায় লোৱাৰ উদাহৰণ বহুত পোৱা যায়।

পোৱালিলগা গাই-গৰুক উত্তেজিত দেখিলে, চপল প্ৰকৃতিৰ মানুহে খন্তাৰতে তাইক বেছিকৈ উত্তেজিত কৰিবলৈ ভাল পায়। অবুজন বাবেহে গৰুজনী উত্তেজিত হয়। মকৰাজালত পৰা মাখি যিমান ধৰফৰায় সিমান কটকটীয়াকৈ বান্ধ খায়।

এজন চীকাৰীয়ে বাঘ চীকাৰ কৰিবলৈ গৈছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে তেওঁহে বাঘৰ চীকাৰ হল। বাঘে তেওঁৰ হাত এখনত কামুৰি ধৰি তেওঁক পিঠিত পেলাই লৈ গৈ আছিল। প্ৰথমতে তেওঁ অচেতন আছিল কিন্তু চেতনা পাই, অধীৰ নহৈ তেওঁ আনখন হাতেৰে পকেটৰপৰা লাহেকৈ পিস্তল উলিয়াই বাঘৰ কাণত গুলি কৰি, বাঘ মাৰি, নিজে ৰক্ষা

পালে। "There is nothing like coolness even on the back of a tiger." "বিপদি ধৈৰ্য্যম্"। এন্ধাৰ ৰাতিৰ পাছত পোহৰ দিন নিশ্চয় আছে।

শত্ৰুৱে তোমাৰ বাটত নাদ খান্দি থৈ দুৰৈৰেপৰা তোমাক ৰঙা ফটা-কানি দেখুৱাব পাৰে। নিৰ্ব্বোধ ষাঁড় গৰুৰ দৰে তুমি উত্তেজিত হৈ নাদত পৰি নপৰিবা। শত্ৰুক চুকি পোৱাকৈ পালেহে খোচ মাৰিবা। শূন্যত শিং জোকাৰি একো লাভ নাই। Impotent rage দেখিলে শত্ৰুৱে হাঁহেহে।

আৰবা উপন্যাসৰ কোনোবা এটা গল্পত পঢ়িছিলোঁ, কেনোবা এটা মায়া পৰ্ব্বতৰ ওপৰত হেনো ভাটৌ, জৰণা ইত্যাদি কেইটামান মায়াবস্তু আছিল। সেইকেটি বস্তু আনিবলৈ যোৱা মানুহে, পৰ্ব্বতৰ গা বগাই উঠিবৰ বেলিকা কেনেবাকৈ যদি উভতি চায়, তেনেহলে সি তৎক্ষণাৎ বাটৰ একাষৰে শিল হৈ পৰি যায়। কাৰবাক পৰ্ব্বতত উঠা দেখিলে হেনো কিহবাই, অসংখ্য মানুহে মতাৰ দৰে কোঢ়াল কৰি নানাপ্ৰকাৰে ভ্ৰান্তি জন্মাই, উঠা মানুহজনক উভতি চাবলৈ বাধ্য কৰে আৰু মানুহজন তৎক্ষণাৎ শিলা হৈ একাষে পৰি যায়। তেতিয়া হেনো কিহবাই খলখলাই হাঁহে। অসংখ্য বিদ্যাৱন্ত বুদ্ধিৱন্ত মানুহ হেনো এইদৰে অকৃতকাৰ্য্য হৈ তাত শিলা হৈ পৰি থাকি পূৰ্ব্বোক্তৰূপে কোঢ়ালকাৰীৰ সংখ্যা বৃদ্ধি কৰিছিল। অৱশেষত হেনো এগৰাকী বুদ্ধিমতী তিৰোতাই কাণত তুলা দি শুনা হৈ আগবাঢ়ি সিদ্ধমনোৰথ হৈছিল। মনুষ্যজীৱনৰ কাৰ্য্যক্ষেত্ৰতো নীচ মানুহৰ মূল্যহীন চিঞৰবাখৰলৈ কাণ কলাকৈ আগবাঢ়িব পাৰিলেহে কৃতকাৰ্য্যতা লাভ কৰিব পাৰি।

সাধাৰণ মানুহৰ নিমিত্তে বাক্যৰ আঘাত বৰ ডাঙৰ আঘাত। কিন্তু অন্তৰ্নিহিত সংজ্ঞা তপস্বীৰ আগত সেই আঘাতৰ কোনো মূল্য নাই। আকৌ, মানুহৰ ক্ৰোধে কেতিয়াবা এনে উৎকট অৱস্থা পায় যে ই তেতিয়া বাক্যৰ অতীত হৈ পৰে।

আগৰদিনীয়া সাধুকথাবোৰত পোৱা যায়, ৰাক্ষসৰ জীৱটো হেনো তাৰ নিজৰ গাত নাথাকে। যুক্তি তৰ্কেৰে বাহিৰ কৰিব নোৱৰা অইন কিবা



অদ্ভুত ঠাইত থাকে। সেইদেখি, ৰাক্ষসক কোনেও সাধাৰণ উপায়েৰে বধ কৰিব নোৱাৰে। তোমাৰ জীৱটো কিহত অৰ্থাৎ তোমাৰ হৃদয়তন্ত্ৰীৰ কোন ডাল তাৰ টানিলে তুমি মৰ্ম্মান্তিক আঘাত পোৱাঁ, সেইটো কথা শত্ৰু মিত্ৰ কাকো জানিবলৈ নিদি অতি সাৱধানে গোপন ৰাখিবা। নহলে শত্ৰুৱে তোমাক যেনে ইচ্ছা তেনে দৰে নচুৱাব পাৰিব। তোমাৰ এই তাৰদালি বিচাৰি উলিয়াবৰ নিমিত্তে, শত্ৰুৱে যেতিয়াই তেতিয়াই তোমাৰ গাত টোকৰ মাৰি চাবৰ সুবিধা এৰি নিদিয়ে। মিত্ৰয়ো idle curiosityৰ পৰা তাৰডালি চিনি ধৰবলৈ চেষ্টা কৰিব। টোকৰটোৰেপতি তুমি চিঞৰ মাৰি উঠিলে শত্ৰুক সুবিধা দিয়া হব। তুমি সাধনা আৰু তপস্যাৰ সহায় লৈ, তোমাৰ গাৰ ছাল, হাতীৰ গাৰ ছাল যেন টান কৰি পেলাবাঁ। কিম্বা বৰ্ম্ম পিন্ধিবাঁ।

যুদ্ধক্ষেত্ৰত যদি এজাক সৈন্য এনে অৱস্থাত পৰে যে শত্ৰুৰ হাতত মৃত্যু নিশ্চয়,—তেনেহলে, বিজ্ঞ সেনপতিয়ে আত্ম-সমৰ্পণ কৰাটোকে যুগুত বিবেচনা কৰে।

"He who fights and runs away
Lives to fight another day."

অৱশ্যে উগ্ৰতেজস্বীবিলাকে ইয়াৰ বিৰুদ্ধে মত দিব।

আগৰ দিনৰ নাইটসকলে নীচ মানুহৰ লগত দণ্ডযুদ্ধকৈ (duel) আগবঢ়াটোক বৰ অপমানজনক বিবেচনা কৰিছিল। বলে নোৱাৰিবৰ ভয়ত নহয়,—অইন ভাৱৰপৰাহে। আজিকালিও ভালমানুহ এজনে যেতৰ-এটাৰ লগত হতাহতি কৰিবলৈ ভাল নাপায়। সংসাৰ-ক্ষেত্ৰত নিম্ন যেতৰ শ্ৰেণীৰ মানুহৰ লগতো আমি লেনদেন (deal) নকৰি নোৱাৰোঁ। কাজেই কেতিয়াবা আমি এনে অৱস্থাত পৰিব পাৰোঁ যে সিহঁতৰ লগতো সংঘৰ্ষ অনিবাৰ্য্য যেন বোধ হব পাৰে। এনে স্থলত আমি নিজক তেনে ঘৃণনীয় অৱস্থাত পৰিব নিদি বুদ্ধিৰে সাৰি কুৰিব জানিব লাগে। এই বিধ মানুহক বশ কৰিবলৈ অইন যোগ্য উপায় অৱলম্বন কৰা উচিত।

সমান অৱস্থাসম্পন্ন দুই পক্ষৰ ভিতৰত বিৰোধ ঘটিলে এক পক্ষই যদি সেই বিৰোধ উপলক্ষে নিজৰ ধন, মান, প্ৰাণ সকলো উৎসৰ্গ কৰিবলৈ

সাজু হয়, তথাপি আন পক্ষই তেনে কৰিবলৈ সাজু নহলে সেইটো অনুচিত হবনে নহব, সেইটো বিশেষকৈ ভাবি চাব লগীয়া কথা। কিয়নো, নিজৰ নাক কাটি পৰৰ যাত্ৰাভঙ্গ কৰিবলৈ আগবঢ়া মানুহ এই পৃথিবীত নিচেই নোহোৱা নহয়। সামান্য কলডিল এটাৰ লগত 'কলীয়াপানীলৈ' যাবলৈ সাজু হোৱা মানুহৰো অভাব নাই। ইফালে আকৌ যিবোৰ মানুহৰ ধন বা মান বুলিবলৈ একোকে নাই, কিম্বা জীৱনটোও এনে নৈৰাশ্যপূৰ্ণ যে জীয়াই থকাতকৈ মৰাটোহে ভাল যেন বোধ হয়, সেইবোৰ মানুহে ইমান সামান্য কাৰণতে নিজৰ "ধন-মান-প্ৰাণ" বলিদান দিবলৈ সাজু হব পাৰে, যে সাংসাৰিক সুখসৌভাগ্যসম্পন্ন মানুহ এজনে তেনে কৰিবলৈ টান পায়। এইবাবে যেতৰ বা তেনেবিধ শ্ৰেণীৰ মানুহে নীচতা কৰিলে, ভাল মানুহৰ পক্ষে, তাৰ লগত সমানে নীচতা কৰাটো সম্ভৱ নহয়। চকু পিৰিকিউৱা কাৰ্য্যত বান্দৰক জিকিব পৰা মানুহৰ পক্ষে অসম্ভৱ।

"Fools venture where angels fear to tread" বিপদৰ গুৰুত্ব বুজিব নোৱৰা মূৰ্খ মানুহৰ কোনো কামতে দ্বিধা নাই। "A fool is many times too strong for a wise man by virtue of his thick hide."

সৰহভাগ মানুহেই নিজৰ সম্বন্ধে পৰৰ আগত ওফাইদাং কথা কবলৈ ভাল পায়। তেঁও হয়তো আকস্মিক সৌভাগ্যক্ৰমে বাঘৰ-মুখৰ পৰা সাৰি আহে, কিন্তু সেই কথা মানুহৰ আগত নকৈ, নিজৰ বুদ্ধিৰে সাৰি আহিলোঁ বুলিহে কব। সিংহই মাৰক বুলি, সিংহৰ সন্মুখত পেলাই দিয়া ভৃত্যটোক দেখি, সিংহই কুকুৰৰ দৰে নেগু জোকাৰি দেখুৱালে। ভৃত্যটোৱে হাবিত সিংহৰ ভৰিৰ কাঁইট গুচাই দিয়া কথা মানুহৰ আগত কলে নেকিহে! নহলে কিজানি, মানুহে তাক দ্বিতীয় প্ৰহ্লাদ বুলি ভাবিলেহেতেন। সি যি কি নহক, মানুহে সাধাৰণতঃ, নিজৰ কাপুৰুষতা বা পৰাজয়ৰ কথা লোকৰ আগত নকয়। লোকৰ ওফাইদাং কথা শুনি, নাভাবি নিচিন্তি, দুঃসাহসিক কামলৈ আগবাঢ়িলে তুমি দুখত পৰাটো ধুৰুপ।

মানুহ শক্তৰ ভক্ত দুৰ্ব্বলৰ যম। এটা দুৰ্ব্বল মগনীয়াৰে যদি তোমাৰ বাৰীৰ মাজেদি নতুন বাট উলিয়াই যায়, তুমি কি জানি তাক মাৰিবলৈ



আগবাঢ়িবা। কিন্তু ভলণ্টিয়ৰ সেনাদলৰ চাহাব এটাই তেনে কৰিলে, তুমি কিজানি, উপযাচি অতি ভদ্ৰভাৱে তেঁওক বাট দেখুৱাই দিবা। যি অপৰাধৰ বাবে আমি সবলক মাৰিবলৈ আগ নাবাঢ়োঁ, সেই অপৰাধৰ বাবে আমি দুৰ্ব্বলক মাৰিবলৈ আগবঢ়া ন্যায়-সঙ্গত নে? প্ৰকৃত ধাৰ্ম্মিক আৰু জ্ঞানীয়ে,—এই প্ৰশ্নটিলৈ সদাই চকু ৰাখি কাম কৰে। সংসাৰৰ বিষয়ী-মানুহবোৰ কিন্তু নিলাজ। সিহঁতে য'ত যেনে আচৰণ কৰি কাৰ্য্য উদ্ধাৰ কৰিব পাৰে, ত'ত তেনে আচৰণ কৰে।

শ্ৰীজ্ঞানানন্দ জগতী।

---

# গুৰুচৰিত্ৰ।

( ৩৬ )

## গোপাল আতাৰ চৰিত্ৰ।

খোৱোৱা গাওঁৰ কিনাৰৰ নাচনি ঘাটত কামেশ্বৰ ভুঞাৰ ঔৰসে বজ্ৰবাপ্ৰিৰ গৰ্ভত গোপাল আতাৰ জন্ম হয়। আতা গৰ্ভত স্থিতি লভাৰ সময়ত পিতৃবিয়োগ হোৱাত আই নিৰাশ্ৰয় হৈ ভাতৃৰ গৃহত নাজিৰা হাটত আছিল। সময়ত কেতিয়াবা দোকানত দ্ৰব্যাদি বিক্ৰিয়ো কৰি থাকে। যিদিনা গোপাল আতা জন্মগ্ৰহণ কৰিছে, নগৰৰ হাতী ঘোড়া চিয়ঁৰিছে; ৰজায় শ্ৰৱণ কৰি আচাৰ্য্য হৈ দূত পঠাই বিচাৰ কৰাইছে, গোপালৰ জন্ম বিবৰণ শুনি নিবলৈ হুকুম দিছে, আইৰ ভাতৃসকল হৈ ৰজাত জনাই দায়ী মাৰিছে। সেই সময়তে ৰজাৰো লাঙ্গিকুমাৰ নামে এজন পুত্ৰ জন্ম হৈছে; ধাই বিচাৰি নাপাই গোপাল আতাৰ মাতাকে ধাত্ৰী কৰি নিছে। দুটা স্তনৰ এটা আতাই আহাৰ কৰে, আনটো ৰাজকুমাৰে খায়; ক্ৰমে চেঙ্গেলীয়া হৈছে, সেই সময়তে দুইজনা গুৰুক লগপায় আন পাৰি দিছিল। সদাই ৰাজকুমাৰৰ সহিত ধাল বাকৰ খেলা কৰে, সকলো খেলাত আতা জীত হোৱা শুনি ৰজাই মনে মনে অসূয়া কৰিবলৈ আৰম্ভ কৰিলে। এদিন

হাতী এটা বজাবলৈ আনিছিল, হাতীয়ে বজাৰৰ বস্তু খাবলৈ ধৰাত হাতেৰে হেচোক মাৰিলত ৰাজাত জনোৱাত মনত বেচি আশঙ্কা হৈ গোপালক মাৰিবলৈ উদ্যোগ কৰিছে; আইয়ে খবৰ পায় বস্তু বাহানি টকা পাঁচ শত লৈ ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ পাৰেদি বিশ্বাধাৰী, চাই দুয়াৰ, দৰঙ হৈ সুন্দৰি পাইছে। মনপুৰ ভৱানী আতাৰ মামা হয়, তেওঁৰ ঘৰতে বাস কৰিছেহি; আতা কুমাৰৰ ওপৰত বড়া হৈছে; মাধৱ দেৱক গুৰু লাভ কৰি ধৰ্ম্মাচাৰ্য্য হৈছে।

ককিলাৰ গুৰুৱে সদাই সুন্দৰিলৈ আহি শ্ৰৱণ কীৰ্ত্তন কৰে, এদিন গাখিৰ খিৰাই টেকেলি এটা ভৰি ৰাখিছে; দুই দিন বাদে স্বপ্ন দেখিছে, এজন সুন্দৰ বালকে হাত সুমাই দধি ভোজন কৰিছে। ৰাতি পুৱা স্নান কৰি গুৰুৰ ওচৰলৈ আনিছে; টেকেলিটো দি প্ৰাৰ্থনা কৰিছে, মাধৱে মুখ মেলি দেখি আধখান পায় সাধিছে, গাখিৰ দেখো আধা হৈ আহিছে কাৰণ কি? স্বপ্নৰ কথা কোৱাত, টেকেলিটো পুনৰ মুখ মেলি পদ্ম হস্তৰ আঙ্গুলিৰ চিহ্ন দেখি ভোজন কৰিছে।

পাট বাউসীৰ ওচৰতে ধেনু খণ্ডা নামে বিল এটা আছে, তাৰে পানী সকলো ভকতে খায়, আই সকলেও খায়। বায় আতায় মাছ মৰোৱাত বোকা হোৱাৰ নিমিত্তে পানী খাব নোৱাৰা হল। মাধৱদেৱে শ্ৰীৰাম আতাক আইৰ খবৰ লবলৈ পঠাইছে, আইয়ে শ্ৰীৰামক জনাইছে বড়া পোত কৰা পানীৰ বৰ দুখ হল, এটা পাটকুঁৱা খন্দাই দিবক। এই খবৰটো জনোৱাত মাধৱ দেৱে শ্ৰৱণ কৰি বৰকৈ খেদ কৰিছে। স্নান কৰি গোপালৰ গৃহলৈ গমন কৰিছে, আতাই আসন দি দণ্ডৱতে প্ৰণাম কৰি আগমনৰ বাৰ্ত্তা জিজ্ঞাসা কৰিছে। তেওঁ অত্যন্ত দুখ প্ৰকাশ কৰি গোপালক কৈছে আমালোক থকাতে আইৰ কষ্ট হল, পানী খাবলৈ নাদ নোহোৱা হল। এই কথা শুনি আতাই কৈছে আজি আপুনি যাওক কালিলৈ আমি নাদ কৰাই দি আহিম। পাছ দিনা কুমাৰ লৈ গৈ পাটকুৱা খন্দাই দিছে। আইয়ে সকলোকে চিৰা ভোজন কৰাইছে। গোপাল আতা ভোজনৰ সময় ধান এটা পায় থৈ আছে, মাধৱ দেৱে দেখি সুধিছে গোপাল কি হল? বাপ! ধান এটা পোৱা হৈছে, পেলাই দিয়া। আই গোসাঁনীৰ হাত স্পৰ্শ



হৈছে, কেনেকৈ পেলোৱা হব। তাৰ বাসনা শুণ্ডছিল এই বুলি ধানটো ভোজন কৰিছে, ঈশ্বৰ পুৰুষে কৈছে গোপাল! তোমাৰ মত চুকীয়া হব; আৰু এদিন শাওন মাহত মাধৱ দেৱ পুৰুষ ভৱাণীপুৰলৈ গৈছে; সেই সময়তে অভকতিয়া কালিৰ বুড়া নামে এজন লোক মৃত্যু হৈছে। মৰা শৱটো নৈৰ কাষৰলৈ আহিছে, দহন কৰিব লগাঠাইত "শ"টো ৰাখিছেহি, অলপ জীৱনৰ চিহ্ন দেখি লোক সকল অচৰিত হৈছে; ইপিনে যমদূতে হৰিনামৰ ধ্বনি শুনি পলাই পটঙ্গ দিছে। মৃত শৱ বহনকাৰী লোক সকলে শৱটো নি গোসাঁইৰ আগত ৰাখিছে, ৰামনামৰ মহৌষধি কৰ্ণ কুহৰে প্ৰৱেশ হৈ মৃত্যু দেহে পুনঃ জীৱৰ সঞ্চাৰ হৈছে। শ্ৰীৰাম আতা বান্ধ মেলি দিয়াত ভকতৰ হস্ত পাপ দেহাত স্পৰ্শন হোৱাত উঠি বহিছে। বুড়া ভকত হৈ সৰত আছে। ইহতৰ বাৰ বুড়া, তাৰে কেইজনমানৰ নাম এই,—গোমূত্ৰ বুড়া, গুমকাজুমিকি বুড়া প্ৰসাদ খোৱা বুড়া, ঘুণ্ডটী কৰা বুড়া, ভৰ্চ্চাবুড়া, ধেকেৰা বুড়া, খণ্ড খঙ্গীয়া বুড়া, অকলশৰীয়বুড়া।

ককিলাৰ গুৰুৱে এখোলা কল পকাই ৰাখিছিল, গোপাল আতা মাধৱ দেৱৰ সমীপলৈ আহি তেওঁৰ ঘৰত আছিল। দুইয়োজন লগ লাগি কল লৈ আহিছে, বাটতে চাৰিজন ভকতৰ সহিত সাক্ষাৎ হল, তেওঁলোকে বাতৰি সুধিছে আৰু জনাইছে, কালিৰপৰা আহাৰ নাই বৰ কষ্ট পোৱা হৈছে; আপোনা সকলৰ লগত কোনো খোৱা বস্তু থাকিলে অনুগ্ৰহ কৰক; গোপাল আতা কৈছে আমাৰ লগত চাউল দুই পোৱা মান আছে; ককিলাৰ গুৰুৱে কৈছে আমাৰ লগত একোনাই। গোপাল আতা কল দিবলৈ অনুমতি কৰিছে; অৱশেষ হব কেনেকৈ দিয়া হব, আতা কৈছে একো দোষ নাই, ভকতৰ অৱশেষ দিব পৰা হব। তাৰ পিছত বাৰ গোট কল দিছে, ভকত চাৰিজনে চাউল কল সন্তোষ মনে ভোজন কৰিছে। বাঁকীখিনি কল গুৰুৱে অৱশেষ হোৱা বুলি নিদি ফিৰাই নিলে। নিশা স্বপ্ন দেখিছে কালিৰ কল খনটো পালোঁ বাকী বোৰ কিয় নিদিলা, ৰাতিপুৱা নিদ্ৰাৰ পৰা উঠি স্নান কৰি মাধৱ দেৱৰ ওচৰলৈ গৈ শপনৰ বিৱৰণ জনাই কল অৰ্পণ কৰিছে। জেঠ মাহত বৰলুণ হোৱাত নাম পথাৰত কাৰৈ মাছৰ খেমালী দেখি দৰি ধৰি এৰি দিছে; মাছৰ কাঁইটে বিন্ধি হাত বণা কৰিলে। এই

প্ৰকাৰে থাকোঁতে বহুত বেলি হল, মাধৱ দেৱে শোধাত সমুদায় বিৱৰণ জনাইছে, যদি ইমান মাছ পাইছিলা তেনে হলে কিয় নানিলা, অতো কৈছে বাপ! প্ৰাণীৰ বধৰ ভয়ত হে অনা নহল, অনুমতি হলে এতিয়াও আনিব পৰা হব। বাক তেনে হলে আনাগৈ; আজ্ঞা পালন কৰি ছয় কুৰি ছয়টা আনি সেৱকীয়া সকলক ভগাই দিছে; তাৰ পিছত পুৰুষে ভোজন কৰিছে। তাৰ পিছত আৰু এদিন মাধৱ দেৱ পুৰুষ ভৱাণীপুৰলৈ গৈ গোপালৰ ঘৰত আছে; এনে সময়তে এজনি বুঢ়ি মানুহৰ লৰা আৰু গোপালৰ লৰাই কাজিয়া কৰি বাড়িৰ লবাটীক মাৰিছে। মানুহ জনীয়ে আহি আইত জনোৱাত, তেওঁ কৈছে, আমাৰ নাথ আছে, তোমাৰ নাথ নাই লবাটীক যি লাগে কৰা; আমি একো বেয়া নেপাওঁ পুৰুষে এই কথাটী শুনি সন্তুষ্ট হৈ কৈছে, গোপালৰ ঘৰত থাকি বৰ প্ৰিতি লাভ কৰিলোঁ।

অসুৰাৰি ভট্টাচাৰ্য্য নামে এজন দ্বিজ বাৰানসীৰ পৰা শাস্ত্ৰ অধ্যয়ন কৰি আহি শাস্ত্ৰ আলোচনাৰ নিমিত্তে পণ্ডিত নাপাই, মিকিৰৰ পুত্ৰ ৰামক জিজ্ঞাসা কৰিছে; তেওঁৰ মুখে মাধৱৰ সংবাদ পায় মতাই আনিবলৈ পঠাইছে প্ৰথমে অহাৰ ইচ্ছা নাছিল, কিন্তু ঠাকুৰ আতা আহিবলৈ দিয়াতহে পণ্ডিতৰ ওচৰলৈ আহিছে। ভট্টাচাৰ্য্যে পুৰুষৰ লক্ষণ দৰ্শন কৰিয়েই ঈশ্বৰ বুলি নিশ্চয় কৰিলে, বহিবলৈ দলিচা দিছিল; কিন্তু তাত নবহি কঠতহে আসন গ্ৰহণ কৰিলে। প্ৰথমে জন্মস্থানৰ বিৱৰণ শোধাত সবিশেষে সকলো কথা উদঙাই জনাইছে। তাৰ পিছত সুধিছে, আপোনা সকলে হৰি হৰৰ বিভিন্ন কৰে কিয়? মাধৱদেৱে ভগৱত শ্লোক উঠাই যুক্তি দেখুৱাত নিৰোত্তৰ হৈছে। তাৰ পিছত পূৰ্ণ কোন বুলি জিজ্ঞাসা কৰিছে; পুৰুষে দৈৱকী নন্দনক পূৰ্ণ বুলি জনোৱাত ভট্টাচাৰ্য্যে নিৰাকাৰ পূৰ্ণ বুলিছে। নিৰাকাৰ পূৰ্ণ হব নোৱাৰাৰ কেতবোৰ কাৰণ প্ৰদৰ্শন কৰাত পণ্ডিত অড়সৰ হৈ অস্থিৰ হল। তাৰ পিছত আঙ্কোৱালি ধৰি জনাইছে, মাধৱ তোমাৰ বাক্য সত্য। সংসাৰিয়ে অনিত্য বস্তুক নিত্য বুলি ভাবিছে; জাতিৰ শ্ৰেষ্টতাকে ডাঙৰ যেন ভাবি নিত্য বস্তুক অৱহেলা কৰি অধঃপতন হবলৈ আগ বাঢ়িছে। তুমি যি ধৰ্ম্ম প্ৰচাৰ কৰিছা, সেইয়ে সত্য বস্তু; অতএব তুমিও এজন ঈশ্বৰ এই বুলি বিদায় দিছে। ভট্টাচাৰ্য্য বিজয় পুৰলৈ প্ৰায়

৭/ আজি কালি এইটো অচলিত — সম্পা, বাঁ



অহা যোৱা কৰে, বুৰি লোহিতৰ ঘাটত নাও ৰাখি মাধৱক দেখা কৰি শাস্ত্ৰ তত্ত্ব আলাপ কৰি থাকে। কথাৰ প্ৰসঙ্গে এদিন মাধৱদেৱক নিলাচললৈ যাবৰ নিমিত্তে অনুৰোধ কৰিছে। বহু লোকে তোমালোকৰ সম্প্ৰদায়ক তুলসী ব্ৰাহ্মণ নানানা বুলি অপযশ দি থাকে, তালৈ গলে সেই দুৰ্ণাম লোপ হব; দুৰ্জ্জনৰ মুখত ছাই পৰিব; বিশেষ বৈষ্ণৱৰ আগমনে সেই থানৰহে পবিত্ৰতা বৃদ্ধি হব। এতিয়া পূজাৰ সময় মই যাও, তুমিও যাবলৈ প্ৰস্তুত হোৱা। পণ্ডিত আগবাঢ়ি গৈছে, মহাপুৰুষে নাও তৈয়াৰ কৰি নৌকাযোগে গৈ বালিত কেই দিন মান বাস কৰিছে। তাৰ পিছত এদিন মাথাত তুলসীৰ মালা পৰিধান কৰি ভকত সকলৰ সহিত নিলাচললৈ উঠিছে। মালাধাৰী দেখি নীলকণ্ঠ ইটকিং কৰি মালাৰ নিন্দা কৰি মালতি মালাৰ প্ৰশংসা কৰিছে। পুৰুষেও নানা পুৰাণৰ শ্লোক পাঠ কৰি তুলসী মালাৰ গুণ বৰ্ণণ কৰিছে। মাধৱ দেৱৰ গভীৰভাব আৰু পণ্ডিতালি দৰ্শন কৰি ব্ৰাহ্মণ সকল বিস্ময় হৈছে। এনে সময়তে বৰ দেউৰী দেৱী দৰ্শনৰ নিমিত্তে মাধৱক জনোৱাত উত্তৰ দিছে, কোন পামৰ মতিয়ে মাতৃ যোনী পৰিদৰ্শণ কৰে। দোষযুক্ত শ্লোক পাঠ কৰি নানা প্ৰকাৰে বুজনি দিয়াত পাণ্ডা সকলে উত্তৰ দিব নোৱাৰি নিৰোত্তৰ হল। বৰ দেউৰীয়ে মাধৱ দেৱক জিতাক্ষৰি পণ্ডিত বুলি ব্যখ্যা কৰিছে। অসুৰাৰিয়ে বিস্তৰ প্ৰশংসা কৰি ঈশ্বৰ অৱতাৰ বুলি ব্ৰাহ্মণ সকলক বুজনি দিছে। কামৰূপত এওঁৰ সমতুল্য পণ্ডিত দ্বিতীয় নাই; মাধৱে বৰ দেউৰীৰ হাতত যোল্লটা টকা দিছে, তাকে দেখি নিলকণ্ঠে ৰামচৰণত থাটিছে, আমিও কিছু টকা পাও; তুমি জনাই দিয়াবা। তেঁও আমি কব নোৱাৰো বুলি কলে, তুমি নিজে জনাবা। পূৰ্ব্বে নিন্দা কৰি মনত কষ্ট দিছো; এতিয়া কেনেকৈ জনাম। লজ্জাৰ ভয়ত জনাব নোৱাৰিলে; গতিকে নিলকণ্ঠে একো নাপালে। তাৰ পৰা হাজোলৈ আহি হয়গ্ৰীৱ মাধৱক দৰ্শন কৰি ভটিয়াই আহিছে; হাজোৰ পৰা ব্ৰহ্মপুত্ৰলৈ আহি সেৱকীয়া সহিতে নাৱত উঠিছে; মথুৰাদাস আতা আৰু ৰামচৰণ পিছ পড়ি থাকিল। পুৰুষে নৌকা মেলি ভটিয়াইছে অলপ পিছত এওঁ লোক দুই জন আহি নাও লগ নাপাই বালিয়ে বালিয়ে কিছুদুৰ গৈছে। বালিত খোজ কাঢ়ি কষ্ট পায়, নাও ধৰাবলৈ কোৱাত লগ লাগি নহাত সঙ্গীয় ভকত সকলে আওকাণ

কৰি যাদ চলাইছে। বালী সূৰ্য্যৰ তেজত তপত হৈছে খোজ কাঢ়োঁতে কঠিন অতিশয় কষ্টবোধ হোৱাত, এক ঠাইত বহি ৰুক্মিণী হৰণৰ বিলাপৰ গীত গায়, কাকুতি কৰাত নাও বাখি তুলি লৈছে। চৰা বড়িলৈ আহি চৈত্ৰ দিন আছিল ; তাৰ পৰা গুমুৰাত ছয় মাহ থাকি গাওঁ চাৰিখন ভকত কৰালে।

মাধৱদেৱৰ পুৰুষ হাজোৰ পৰা অহা বহুদিন হল, কোনো বাতৰি পোৱা নাই ; সেই নিমিত্তে চতুৰ্ভুজ ঠাকুৰক আই গোসাঁনীয়ে খবৰ লবলৈ পঠাইছে। ঠাকুৰ আহি মাধৱদেৱৰ সাক্ষাৎ হোৱা মাত্ৰেই কোলাত তুলি লৈ চুম্বন কৰি আই গোসানীৰ বাতৰী সুধিছে ; বাপু চাৰিখানি গাওঁ ভকত কৰাই মিঠাই দি আহিছো, আই মাতৃক জনাবা। এই প্ৰকাৰে আদৰ কৰি পঠাই আই লৈ দ্ৰব্য বস্ত্ৰ পঠাইছে। খিৰ মণ্ডলৰ পুত্ৰ মাধৱ নামে এজন লোক আছিল, ঈশ্বৰ মাধৱে মিতাবুলি সম্বোধন কৰে। তেওঁৰ গৃহকাৰ্য্যৰ ব্যবহাৰ অন্যায় হোৱা হেতু বছৰ ব্যাপি যত্ন কৰাতো ধানে খাবলৈ নোজোৰে এদিন মতাই আনি নীতি শিক্ষা দিছে, হাল দুপৰ বেলিৰ বেচি বহন নকৰিব গৰু চাৰিবাঁড় বেলি হলেই খিবাব, সেই সময়তে বাক্কনি স্নান কৰি অন্ন সিদ্ধ কৰিব তেনেহলে অবশ্য অন্নবস্ত্ৰে, আবৃত কৰিব। গুৰু বাক্য পালন কৰি কাৰ্য্য কৰাত সকলো প্ৰকাৰে ধনে ধানে খাব পাৰা হৈছে। গোবিন্দ নামে এজন তাঁতি আছিল, তেওঁৰ, স্ত্ৰী ভিন্ন আন লোক নাছিল, দম্পতিদ্বয় উভয়ে তাঁতিৰ ব্যবসায় কৰে, তথাপি ভাতে কাপোৰে নাটে। মাধৱদেৱৰ পিতৃৰ নামৰ সৈতে একে হোৱাত ওৰা বুলি সম্বোধন কৰে। এদিন জিজ্ঞাসা কৰিছে, তোমাৰ প্ৰতিদিন যথেষ্ট আয় হয়, তথাপি খাবলৈ নাটনি হয় কিয় ? তাৰ উপৰে আকৌ ঋণ হয়। কাপোৰ বৈদি যি সুতা বেচি হয়, তাক কি কৰা বোধ হয় ফিৰি নিদিয়া, আজিৰ পৰা বেচি সুতা ফিৰাই দি আচল মূল্য লবা। পুৰুষৰ বাক্য মতে কাম কৰাত সেই বছৰ ঋণ পৰিশোধ হৈ অন্ন বস্ত্ৰে জুৰিছে। এজন ভকত এখোকা মালভোগ কল দিছিলহি, বিলনিয়া উঠাই সকলো ভকতক ভগাই দিয়াইছে ; আঠটা কল দেউবীয়ে চোৰ কৰিলে সেই কথা বুজ পায় তেওঁক দেউবী কামৰ পৰা গুচাই দিছে। মাধৱদেৱ পুৰুষে এদিন ব্যঞ্জন নাই বুলি ভোজন নকৰিব ইচ্ছা



প্ৰকাশ কৰাত সকলো সেৱকে অনুৰোধ কৰিছে, ভকতৰ বাক্য ৰক্ষা কৰি আহাৰ কৰিছে, আহাৰান্তে কোনো এজনে ব্যঞ্জনৰ কথা সোধাত ক্ষুধায় ব্যঞ্জন বুলি প্ৰকাশ কৰিছে। তাৰ পিছত কাতি মাহত লেঙা মাগুৰিলৈ আহি কণ্ঠ ভূষণৰ ঘৰত আছিল। প্ৰতিদিন কৃষ্ণ কথা আলাপ কৰি থাকোতে অনেক বিলম্ব হয় ; ভূষণ গুৰুৰ লোকে বিৰক্ত পায় দেখি পৃথকে পাক কৰি আহাৰ কৰিছিল। তেওঁৰ ঘৰত এমাহ থাকি পুনৰ সুন্দৰিলৈ আহিছে।

---

# চেনেহী জননী বন্দে !

সুৰ—স্বৰ্গীয় ডি এল্ ৰায়ৰ "পতিতোদ্ধাৰিণি গঙ্গে !"

চেনেহী জননী বন্দে !

পূজো ৰাতুল তব চৰণ দুখনি, মিলিছোঁ আজি আনন্দে।
কেনে মনমোহিনী কান্তি ধৰিছা তুমি নন্দন শোভা বিতৰি,
কেনে মনোহাৰী পুষ্প সুৰভি তব, বিহঙ্গ গীতি-লহৰি !
ঘোষিছে নিতে তব অতীত কীৰ্ত্তি মহানদে কত যুগ ধৰি,
গিৰি সন্ধ্যাচল, নবগ্ৰহ, উৰ্ব্বশী, নীলাচল, উমানন্দে।

কত মহাতাপস জিৰালেহি হৈঁপাহে তোমাৰেহে কোলাতে নিজানে,
আজিও বিহগ—মঙ্গল আৰতি, মগ্ন তপোবন ধিয়ানে ;
শঙ্কৰে, মাধৱে সুললিত তানে ধৰ্ম্ম-অমিয়া বিলালে,
গালে তোটয়, ভটিমা, দুলড়ী, চোবী বিবিধ ছন্দে।

মহাসতী ৰাণী—জয়মতী আদৰিলে মৰণ স্বামীৰ হন্তে,
থাপিলে কীৰিতি জয়—দল—গাগবেৰে, ঘোষিব মহিমা কাল অন্তে।
গদা, ভগ, নৰে, ভাস্কৰ, ৰাণে প্ৰতাপমলে অখণ্ডে ;—
বন্ধধাৰিণী ! বীৰপ্ৰসৱিণী ! গৰিমাবাহিণী ! বন্দে !

শ্ৰীপদ্মধৰ চলিহা।

# সম্পাদকৰ চৰাৰ বুলনী।

মাধৱদেৱে মাকৰ মৃত্যুত আদ্যশ্ৰাদ্ধ কৰিছিল কিয়, এই প্ৰশ্ন এজনে আমাক কৰিছে। আমি আজিৰ চৰাত যথাসাধ্য তাৰ চমুকৈ উত্তৰ দিবলৈ চেষ্টা কৰিম। মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্ম্ম উচ্ছৃঙ্খলতাৰ পৰিপোষক নহয়। এই ধৰ্ম্মই মানুহকে শিকলি কাটি উৰা মাৰিবলৈ নকয়; বৰং নিয়ম সংযম সদাচাৰৰ বান্ধোনৰ ভিতৰত বান্ধি সুগঠিত কৰি বাঢ়ি ঈশ্বৰমুখী হবলৈ হে দিয়ে। হিন্দুৰ অস্থিমজ্জাৰে জড়িত পুৰণি প্ৰথা, যুগ যুগান্তৰ অভিজ্ঞতাৰে পলিতকেশ ঈশ্বৰঅবিৰোধী অনুষ্ঠানবোৰ দূৰলৈ দলিয়াই পেলাই স্বাধীনতাৰ নামত স্বেচ্ছাচাৰীতা শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰ লক্ষণ নহয়। দীৰ্ঘদৰ্শী দূৰদৰ্শী বিচক্ষণ বিবেচক শঙ্কৰ মাধৱে সেইদেখি অহংজ্ঞানপূৰ্ণ লোকক হিন্দুধৰ্ম্মৰ পুৰণি বান্ধোনবোৰৰ জৰী কাটি দি একে দিনৰ ভিতৰতে বিবেকবাদী স্বাধীন ভাবৰ ভাবুক ( free-thinker ) কৰা নাছিল। তেনে কৰিবলৈ গলে কেনে মানুহৰ দল গঠিত হয়, তাৰ উদাহৰণ বিচাৰিলে আজিকালিৰ ব্ৰাহ্ম সমাজৰ বিবেকবাদী ফ্ৰিথিঙ্কৰ এদল লোকলৈ আৰু য়ুৰোপৰো উনৈশ-বিশ তেনেকুৱা এদল লোকৰ ফালে চকু দিলেই হব। উপনিষদ প্ৰণেতা প্ৰগাঢ়জ্ঞানী তত্বদৰ্শী হিন্দু ঋষিসকলৰ প্ৰচাৰিত হিন্দুধৰ্ম্ম আৰু সেই হিন্দুধৰ্ম্মৰে সাৰসংগ্ৰহ অমিয়ামধুৰ গীতা ভাগৱত সহস্ৰনামৰপৰা শঙ্কৰ মথিত মাখন ভক্তিপ্ৰাণ মহাপুৰুষীয়া বৈষ্ণৱধৰ্ম্মৰ স্বভাৱ তেনে নহয়। বেদবিহিত কৰ্ম্মৰ উলঙ্ঘা সেই ধৰ্ম্মৰ স্বভাৱবিৰুদ্ধ। শঙ্কৰ মাধৱৰ ধৰ্ম্মই মাখন কাঢ়ি লোৱা ঘোলক নিন্দা কৰি পানীপোতাত পেলাব নিদিয়ে, আৰু একেবাৰেই মাখন বা ঘিউ খাব নোৱাৰৰ মুখত মাখন ঘিউ কটিয়াবও নিদিয়ে। তেওঁলোকৰ ধৰ্ম্মই লাহে লাহে ক্ৰমে ক্ৰমে হে মানুহক ওখ খাপলৈ প্ৰস্তুত কৰে; কিন্তু মানুহ তলৰ খাপত থাকোঁতে আৰু ক্ৰমে ক্ৰমে তাৰপৰা ওপৰ খাপলৈ যাওঁতে সেই ধৰ্ম্মই কৰ্ম্মকাণ্ডৰ বান্ধোন একেবাৰেই সেই লোকৰ গাৰ পৰা শোলোকাই নিদি ঢিলাই দি দি জৰীৰ মূৰ হাতত ৰাখি লৈ থায়। কিন্তু সেই যাত্ৰাৰ লক্ষ্যস্থান আছে, আৰু সেই প্ৰয়াণত লক্ষ্যস্থান সি চকুৰ আঁৰ হবলৈ নিদিয়ে।



• • •

সেই লক্ষ্যস্থান বা goal post ঈশ্বৰ-প্ৰাপ্তি। সকলোৰে নিয়ন্তা কাল মায়াদিৰ অধিকাৰী দেৱাদিদেৱ পৰমেশ্বৰৰ ফালে গতিয়েই সেই গতি। সেই লক্ষ্য স্থানলৈ যাওঁতে বাটকৰা কৰ্ম্মকাণ্ডৰ অনুষ্ঠানবোৰ ব্যাঘাতজনক হলেহে শঙ্কৰমাধৱে সেইবোৰক নিৰ্ম্মমভাৱে প্ৰহাৰ কৰি ভৰিৰে ঠেলি পেলাই গৈছিল। কিন্তু যেতিয়া সেইবোৰ মহাপ্ৰয়াণৰ যাত্ৰীৰ বিশেষ ব্যাঘাত জনক যেন তেওঁলোকে নেদেখিছিল তেতিয়া গুৰিতে তেওঁলোকে সেইবোৰলৈ ৰবকৈ চকু নিদিছিল। আৰু বৰং সামাজিক পুৰণি প্ৰচলিত ৰীতি আৰু অনুষ্ঠান বুলি বাটত সেইবোৰৰে সৈতে সাক্ষাৎ হলে তেওঁলোকে ৰৈ থাকি আচল উদ্দেশ্য সিদ্ধিৰ বিঘিনি নকৰি বৰং সেইবোৰৰ প্ৰতি যথোচিত সম্মান প্ৰদৰ্শন কৰি ( passing salute ) অলপ মূৰ দোৱাই নমস্কাৰ কৰি গুচি গৈছিল। এই নমস্কাৰত আদ-মিনিট বা আদ মুহূৰ্ত্ত ব্যয়ও যাত্ৰাৰ গুৰিত হে, শেহ ডোখৰত নহয়, কাৰণ শেহডোখৰত সেইটোও অনাৱশ্যক, আৰু সেই ফেৰাও সময়ৰ অপব্যৱহাৰ হে। হোজা গাৱঁলীয়া মানুহ পুৰুষোত্তম ক্ষেত্ৰলৈ তীৰ্থ কৰিবলৈ আহোঁতে, গাৱেঁ গাৱেঁ পইচাৰ বাবে পিট পিটাই ফুৰা সাধাৰণ উৰিয়া বামুণ guide বা বাটদেখুৱাওঁতাৰ আৱশ্যক হলেও, পুৰুষোত্তম ক্ষেত্ৰৰ মন্দিৰৰ ভিতৰত আৰু সেই guide-অৰ আৱশ্যকতা গুচে, কাৰণ তাত মহাপ্ৰভুৰ সমীপৱৰ্ত্তী ডাঙৰ মহাপাণ্ডাৰ সহায় পোৱা যায়, আৰু সেই সহায়ৰপৰা হে দাৰুব্ৰহ্মৰ দৰ্শন স্পৰ্শন ঘটে, গাৱঁৰপৰা লগত লৈ অহা ফটুৱা পাণ্ডা বামুণ সেই খিলিত আৰু সেই সময়ত no-body অৰ্থাৎ অকামিলা, আৰু প্ৰতিবন্ধক জনক হে। আকৌ এটা কথা মন কৰিব লগীয়া যে, সেই যাত্ৰী বিচাৰি গাৱঁত বনাই ফুৰা পাণ্ডা একেবাৰেই ঠগ জুৱাচোৰ হলেও নচলে। সেই পাণ্ডাই পইচাকে খাওক বা যিহকে কৰক, কিন্তু জগন্নাথলৈ অনা পাণ্ডা হে হব লাগিব, জগন্নাথলৈ আনো বুলি কুলি-ডিপোত বেচিবলৈ লৈ অহা, বা কলিকতাৰ কালীঘাটলৈ আনি যথাসৰ্ব্বস্ব লুটিপুটি লৈ অন্তৰ্দ্ধান হোৱা হলে, গাৱঁৰপৰা তাৰ লগত ওলাই খোজ ললেও বিপদ। সেইদেখি মাধৱদেৱে ঘোষতে লেখিছে—

> "ভাৰত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম্ম কৰে,
> কৃষ্ণৰ কথাত ৰাত যেৱে নোপজয়। ৫

যেবে ভৈল কৃষ্ণকথা ৰত নিত্য নৈমিত্তিক আদি যত,
কথাৰ বিৰোধী জানিয়া সবে ত্যজয় ॥"

কৃষ্ণভক্ত নবে অৰ্থাৎ বৈষ্ণৱে সেই কাল পৰ্য্যন্ত নিত্যনৈমিত্তিক আদি কৰ্ম্ম কৰিব, বা কৰে, যেতিয়ালৈকে তেওঁৰ কৃষ্ণকথাত ৰতি অৰ্থাৎ আশক্তি নজন্মে। কিন্তু সেই কামো কৃষ্ণভক্তিৰ অবিৰোধী কাম হলে হে কৰিব, বিৰোধী হলে কদাপি নকৰিব। কিন্তু যেতিয়া সেই ভক্তজনৰ কৃষ্ণকথাত ৰতি জন্মিব, তেতিয়া আৰু তেনে নিত্যনৈমিত্তিক আদি কৰ্ম্ম কৰিবৰো আৱশ্যক নেথাকে, আৰু কৰিবলৈ যাবও নেলাগে, কাৰণ সি তেতিয়া আচল কাৰ্য্য কৃষ্ণকথাত সময় ক্ষেপণৰ বিৰোধী হৈ পৰিব।

* * *

মহাপুৰুষীয়া ধৰ্ম্মৰ এনে মত নহয় - যে তুমি আজি মহাপুৰুষীয়া ধৰ্ম্মক ধৰি কৃষ্ণভক্ত হৈছা বুলি আজিৰ পৰাই তুমি বেদবিহিত সাতামপুৰুষীয়া অনুষ্ঠানবোৰ পৰিত্যাগ কৰি স্বাধীন হবা। কাৰণ, মহাপুৰুষীয়া ধৰ্ম্মই জানে যে স্বাধীনতা এদিনতে লভিবৰ বস্তু নহয়। তাক এদিনতে লভিবলৈ যি যায়, সি স্বাধীনতা নলভি স্বেচ্ছাচাৰীতাহে লভে। সেই দেখি মহাপুৰুষীয়া ধৰ্ম্মই, ভালেমান কাল সজাৰ ভিতৰত বান্ধ খাই থকা চৰাইক হঠাৎ একেবাৰেই দুৱাৰ মুকলি কৰি উৰি স্বাধীন হবলৈ নিদিয়ে; কাৰণ সেই চৰাইৰ তেনে ক্ষমতা একে দিনতে নোপজে বুলি সেই ধৰ্ম্মই জানে; আৰু একে দিনতে তাক তেনে কৰিবলৈ দিলে, পাখিত বল নোহোৱা সেই চৰাই সজাৰ পৰা উৰোঁ বুলি ওলাব হয়, কিন্তু ঢপ্ ঢপাই অত পৰিব, তত পৰিব, আৰু খুব সম্ভৱ অলপ সেই দৰে ঢপ ঢপাই উৰি গৈ আকৌ পৰি কাউৰীৰ থোটত নাইবা দুষ্ট লৰাৰ হাতত নি দাণ হেৰুৱাব। সেইদেখি শঙ্কৰ মাধৱে বৈষ্ণৱক কিছুকাল a course of training শিক্ষা দিহে অৰ্থাৎ ওখ থাপৰ কৃষ্ণকথাৰত ভক্তৰ শাৰীলৈ যাবলৈ উপযুক্ত কৰি হে তালৈ পঠিয়াইছিল; আৰু সেই ডোখৰ কালত বেদবিহিত নিত্য নৈমিত্তিক কামৰ বান্ধৰীডাল সেইজনৰ মূখৰ পৰা একে বেলিয়েই শোলোকাই নিদিছিল; কাৰণ তেওঁলোকে জানিছিল,—যদি সেই ভক্ত সেই ওখ থাপলৈ যাবলৈ যদি কেনেবাকৈ সমৰ্থ নহয়, তেন্তে বাটতে পুৰণি তল থাপৰ সহায়বিবৰ্জ্জিত হৈও যেন তেওঁৰ



একেবাৰেই বিনাশ নঘটে। কিন্তু তেওঁলোকৰ এটা বিষয়ত বৰ লক্ষ্য যে,— সেই বান্ধৰীডাল কৃষ্ণকথাৰ অবিৰোধী হব লাগিব; কৃষ্ণকথাৰ বিৰোধী হলে কৰিতে তেওঁলোকে তাৰে সৈতে তেওঁক তেওঁৰ বহাৰ পৰা ওলাবই নিদিয়ে। এই কাৰণৰ নিমিত্তেহে মাধৱদেৱে কৃষ্ণকথাৰ অবিৰোধী মাতৃশ্ৰাদ্ধ কৰি লোকক আহি দেখুৱাইছিল। কিন্তু এই মাতৃশ্ৰাদ্ধও তেওঁৰ জীৱনৰ আগডোখৰতহে অৰ্থাৎ "অবিৰক্ত ভক্তৰ" অৱস্থা পাৰ হৈ "বিৰক্ত ভক্তৰ" অৱস্থাত সোমাওঁ-সোমাওঁ ডোখৰতহে। শঙ্কৰদেৱে এনে অৱস্থাত হে প্ৰিয় শিষ্য মাধৱদেৱৰ হতুৱাই তেওঁৰ মাতৃৰ আদ্যশ্ৰাদ্ধ কৰোৱাইছিল। শঙ্কৰদেৱৰ সেই শিক্ষাৰ এই প্ৰতিধ্বনি হে মাধৱদেৱৰ ঘোষাত,, —

"অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
জানিবাহা হৈবেক নিশ্চয়।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল,
তাৰ একো নাহিকে নিৰ্ণয় ॥"

* * *

ইয়াৰ পিছত মাধৱদেৱে আৰু মাতৃশ্ৰাদ্ধ কৰা নাই; আৰু তেওঁৰ উদাসীন ভক্তেৰে পৰিপূৰ্ণ সত্ৰতো সেই প্ৰথা প্ৰৱৰ্ত্তন কৰিবৰ ব্যৱস্থা কৰা নাই। বিষয়া ভক্তক উদাস ভক্ত ওপ থাপৰ; সেইদেখি মহাপুৰুষীয়া বিষয়া বা গৃহস্থী শিষ্য ভক্তই কৃষ্ণভক্তি অবিৰোধী শ্ৰাদ্ধাদি কাৰ্য্য কৰা নিয়মৰ বিৰুদ্ধ ব্যৱস্থা মাধৱদেৱে কৰা নাই; কিন্তু উদাসীন ভক্তৰ নিমিত্তে সি অনাৱশ্যকীয় জানি সত্ৰত তেওঁ সেই নিয়ম ৰখা নাই। মাধৱদেৱে কোচ ৰজা লক্ষ্মীনাৰায়ণৰ ৰাজ্যলৈ গলত ব্ৰাহ্মণসকলে ৰজাক লগালে যে মাধৱদেৱে নিজে পিতৃশ্ৰাদ্ধ মাতৃশ্ৰাদ্ধ নকৰে, আৰু তেওঁৰ ভকতসকলেও নকৰে। ৰজাৰ মনত এইটো বৰ গৰ্হিত কাম যেন লাগি, ইয়াৰ সত্য মিথ্যাৰ ভু লবলৈ তেওঁৰ মন্ত্ৰীসকলক কলে। এই খবৰ শুনি মাধৱদেৱে ৰজাৰ পৰা আকৌ কোচবেহাৰতো বিপদৰ আশঙ্কা কৰি লোকক দেখুৱাই শ্ৰাদ্ধ কৰিবলৈ তেওঁৰ ভকত সকলক কৈ দিছিল; কাৰণ ভক্তিঅবিৰোধী তেনে কাম কৰাত তেওঁ বিশেষ হানি নেদেখিছিল, অথচ ৰজা সেই কাৰ্য্যৰ দ্বাৰাই সম্প্ৰতি শান্ত হলে লাহে লাহে তেওঁ তেওঁৰ ধৰ্ম্মমত আৰু বিৰক্ত উদাসীন

ভক্তৰ পক্ষে নিত্য নৈমিত্তিক কৰ্ম্ম শ্ৰাদ্ধাদিৰ অনাৱশ্যকতা আৰু অহেতুকী ভক্তিৰ মৰ্ম্ম বজাক বুজাই দিবলৈ সময় পাব। ভকতবোৰৰ ভিতৰত জীবন্মুক্ত পৰম বিৰক্ত ভকত শ্ৰীৰামক তেওঁ সেই শ্ৰাদ্ধৰ কাৰ্য্যৰপৰা তেনে সময়তো "বেহাই" অৰ্থাৎ বাদ দিছিল।

* * * *

এনে মহাপুৰুষীয়া ধৰ্ম্মৰ আচল মৰ্ম্ম কুবুদ্ধি অবিবেকী মানুহে তাক বেদ বিৰোধী বুলিবলৈ সাহ কৰে এইটোহে আচৰিত। মহাপুৰুষ শ্ৰীশঙ্কৰ প্ৰচাৰিত আৰু মহাপুৰুষ শ্ৰীমাধৱদেৱৰ দ্বাৰাই পৰিবৰ্দ্ধিত মহাপুৰুষীয়াধৰ্ম্ম "নিগম নিগূঢ়" আৰু উপনিষদ গীতা ভাগৱতৰ কেন্দ্ৰীভূত সাৰ ( concentrated essence) তত্বানুসন্ধিৎসু শ্ৰদ্ধাবান্ লোকে যিমান পৰ্য্যালোচনা কৰিব সিমান যে তেওঁৰ এই জ্ঞান বাঢ়িব এই কথা আমি নিঃসন্দেহে কব পাৰোঁ।

---

# গান।

(১)

( "তুমি ফুল্ল কুমুদে, ডুবিয়ে বিষাদে"—ইত্যাদি গানৰ সুৰ )

আজি শুভ ৰজনী, বনফুল ৰাণী,
হাঁহি হাঁহি নাচে তৰা অই !
সুখে গাঁও, ভাবি বঁও,
আজি জোনালী মাধুৰী শোভা অই !
বেজাৰ বেদনা উঠে গীত হই,
প্ৰেমতে উধাঁও প্ৰাণ ;
বাজে বই বাঁহী, ভাহি যায় হৃদি,
প্ৰেম-ভৰা ফুল হাঁহি অই !
কত গাঁও উলাহে, (আজি) শুনাতি ৰাগিণী
মোহিনী লাবণী
লভিবা অমিয়া অই।

শ্ৰীকৃষ্ণকান্ত সান্দিকৈ।